# Assam Legislative Assembly Debates

REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JULY-AUGUST SESSION,

VOL I

**NO. 3**

**The 31st July, 1991**

**Price, Rs. 14.51**

REFERENCE
NOT FOR IS
READING ONLY INSIDE

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JULY-AUGUST SESSION,

VOL I

## NO. 3

**The 31st July, 1991**

CONTENTS

JULY-AUGUST SESSION

Volume 1 No. 3

Dated, the 31st August 1991


| | | Pages |
|---|---|---|
| 1. | Announcement from the Chair. | 1-4 |
| 2. | Discussion During Zero Hour. | 5-8 |
| 3. | Adjournment Motion. | 9-13 |
| 4. | Statement by Chief Minister. | 14-17 |
| 5. | Introduction of Government Bill. | 1-26 |
| 6. | Debates on Governor's Address. | 27-76 |
| 7. | Adjournment. | 76 |

Wednesday, July 31, ............. 1991

# The House met at nine of the Clock in Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## Announcement From the Chair

Mr. Speaker : Report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 11-55 A.M. on 30 the July, 1991 in my Chamber to discuss about the allotment of time amongest the Members of different parties, Groups and Independent Members for the Debate on the Motion of Thanks on Governor's Address. The Debate on the aforesaid Motion had been fixed for 5 days i,e. 31st July, 1st August, 2nd August, 5th August and 6th August, 1991. The time available for discussion on the said Motion is 12 hours 30 minutes approximately and each Member will be entitled to take part in the said discussion for 6 minutes approximately.

The Committee recommended that the total time of 12 hours 30 minutes that will be available for discussion on the said Motion should rationally be allocated to various parties, groups and Independent Members as follows :

| | | |
|---|---|---|
| 1. | Congress (I) | - 6 hours 30 minutes including Chief Minister's reply and right of reply of the mover. |
| 2. | A.G.P. | - 1 hour 54 minutes |
| 3. | B.J.P. | - 1 hour |
| 4. | N.A.G.P. | - 30 minutes |

| | | |
|---|---|---|
| 5. | C.P.I. | - 24 minutes |
| 6. | A.S.D.C. | - 24 minutes |
| 7. | C.P.I. (M) | - 12 minutes |
| 8. | Janata Dal | - 6 minutes |
| 9. | Independents | - 1 hour 30 minutes. |

I hope this has the approval of the House.

(voices: yes)

Shri Parameswar Brahma :- Sir, what about the time for Bodoland Legislature Party ? We are 9 in strength.

Shri Dewan Jaynal Abedin :- What About the time for S.U.C.I.?

Mr. Speaker :- They are included in the Independents. In this regard I will discuss with the Hon'ble Members in my Chamber. I would request the Members to meet me in my Chamber after the session to-day.

Shri Parameswar Brahma :- We want immediate arrangement.

**Mr. Speaker** :- After the session please meet me in my Chamber.Now, I, have received few Zero Hour notices.I have received one Zero Hour notice from the Hon'ble Member Shri Zoii Nath Sarma regarding alleged killings of 40 number of wild deer under the instruction of the Hon'ble Minister of State Veterinary.

In this Connection, I would like to point out Role 49 of the Directions by the Speaker, Assam, Legislative Assembly, which reads as follows :-

"Unless the Speaker otherwise directs no matter of public importance shall be allowed to be raised during Zero Hour which occourred three days before the day

on which it is proposed to be raised."

The Hon'ble Member proposed to raise the matter on 30.7.91. But the Hon'ble Member has not stated in his notice the date when the alleged killings took place.

As the Hon'ble Member has not indicated the date on which the alleged occurence took place, I am of the opinion that the Rule does not permit allowing the Zero Hour notice.

I have received another Zero Hour notice from the Hon'ble Member Shri Phani Bhusan Choudhury. In this notice the alleged occurence took place on 27.7.91. The notice was received by me on 30.7.91. which is beyond three days from the alleged date of occurrence.

As the Hon'ble Member has not given notice within 3 days of the alleged date of occurrence as required by Rule 49 of the Directions by the Speaker, Assam Legislative Assembly, I am constrained to hold that this notice also cannot be allowed. Moreover, the Hon'ble Member has not disclosed the source from which the Hon'ble Member get the information of the alleged occurrence.

I have received another Zero Hour notice from the Hon'ble Member Shri Nagen Sarma on 30.7.91 on a news item published in ' Dainik Asom' dated 30.7.91 regarding.

Now I call upon the Hon'ble Member Shri Nagen Sarma to speak on the matter.

Shri Sasha Kamal Handique : I have given 4 Call Attention Motions.

What about my notices ?

**Mr. Speaker** :- I am examining the notices of Short Notice Questions and Calling Attention Motions under Rule 301 and the Hon'ble Members will be intimated about it.

Now Mr. Nagen Sarma please.

**শ্ৰীনগেন শৰ্ম্মা** ঃ - মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো। দৈনিক অসম কাকতৰ ৩০-৭-৯১ তাৰিখত প্ৰকাশ পোৱা চৰকাৰী মাটিত ব্যক্তিগত ব্যৱসায়ৰ তদন্ত শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। দক্ষিণপাত সত্ৰৰ সত্ৰাধিকাৰক সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰৰ কাৰণে গুৱাহাটীত মাটি আবণ্টন দিয়া হৈছিল কিন্তু সত্ৰাধিকাৰ গৰাকীয়ে সত্ৰৰ নামত থকা এই মাটি সত্ৰীয়া সংস্কৃতি সংগঠনৰ কাৰণে ব্যৱহাৰ কৰি থকাৰ পৰিবৰ্ত্তে ব্যক্তিগত ব্যৱসায় স্থাপন কৰি ব্যৱসায় চলাই আছে। ইয়াৰ কাৰণে ৰাইজে বিৰোধীতা কৰিছে। ইয়াৰ কাৰণে পোন্ধৰ লাখ টকা ক্ষতিপূৰণ বিচাৰিছে। এইটো ক্ষতিপূৰণ পোন্ধৰ লাখ হয় নে নহয়, সেই মাটি চৰকাৰৰ পৰা তেখেতক দিয়া হৈছিল নে নাই, কি অৰ্থত ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল সেই বিলাক পৰীক্ষা কৰিব লাগে। তাৰোপৰি সত্ৰাধিকাৰ গৰাকীয়ে সেই মাটি ব্যক্তিগত ভাবে বহুতৰ লীজত বা ম্যাদী পট্টা কৰি দিয়াৰ চক্ৰান্ত চলাইছে। ইতিমধ্যে এই মাটিৰ কিছুঅংশ কোনো বিশেষ ৰাজনৈতিক দলৰ কিছু মানুহে কম পইচাতে লোৱাৰ সম্পৰ্কত ৰাইজৰ মনত বিষয়টোয়ে খুদুয়নিৰ সৃষ্টি কৰিছে। এনে ধৰণৰ মাটি গুৱাহাটীত বহু ঠাইতে আছে আৰু ব্যক্তিগত ভাবে কোনে কোনে অনুষ্ঠান প্ৰতিষ্ঠানৰ নামত দিয়া মাটি ব্যৱহাৰ কৰিছে সেই বিলাক পুংখানুপুংখ পৰীক্ষা কৰি তাৰ তালিকা আৰু প্ৰতিবেদন সদনত দাখিল কৰিবলৈ আপোনাৰ যোগেদি ৰাজহমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছে। যোৱা পোন্ধৰ বছৰত কিমান মাটি দিয়া হৈছে তাৰ তালিকা সদনৰ মেজত দাঙি ধৰিব লাগে।

**শ্ৰীমুকুট শৰ্ম্মা ৰাজহমন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩০-৭-৯১ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত বাতৰি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। ইতিমধ্যে এই সম্পৰ্কত কামৰূপ জিলাৰ উপায়ুক্তক তদন্ত কৰি এটা প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দ্দেশ দিছো। অধ্যক্ষ মহোদয়, বাতৰিত উল্লেখ কৰাৰ দৰে দক্ষিণপটি সত্ৰৰ সত্ৰাধিকাৰৰ কাৰণে সত্ৰীয়া সংস্কৃতিৰ ৰক্ষা আৰু প্ৰসাৰৰ কাৰণে দিয়া মাটি আবেদনৰ ভিত্তিত দিয়া হৈছিল। যি কি নহওক আগতে দিয়া মাটি যাতে বেআইনী ভাবে বিক্ৰী বা হস্তান্তৰ কৰিব নোৱাৰে তাৰ

কাৰণে তদন্ত কৰিবলৈ কামৰূপ জিলাৰ উপায়ুক্তক নিৰ্দ্দেশ দিয়া হৈছে। ইয়াৰ ওপৰত বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈকো জিলা কৰ্তৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে। তেনে প্ৰতিবেদন আৰু তালিকা সদনৰ মেজত দাখিল কৰা হ'ব। মাননীয় সদস্যই কোৱাৰ দৰে যোৱা পোন্ধৰ বছৰ কেৱল নহয় যোৱা পাচ বছৰতো কেনেকৈ মাটি আবণ্টন দিয়া হৈছিল আৰু কি কি ধৰণে ব্যৱহাৰ কৰা হৈছে তাৰ ওপৰতো প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে আৰু তেনে প্ৰতিবেদন পোৱাৰ লগে লগে সদনত দাখিল কৰা হ'ব।

Mr. Speaker :- I have received another Zero Hour notice from the Hon'ble Member Shri Zoii Nath Sarmah on a news - item published in 'সন্ধ্যা বাতৰি' on 30.7. 91. regarding 'তালাচীৰ নামত লুটপাট' Now, I call upon the Hon'ble Member to speak on the matter.

**শ্ৰীজয় নাথ শৰ্ম্মা:** মাননীয় অধ্যক্ষ মহোদয়, "আমি চীটি, পুলিচ। আমি আপোনালোকৰ হোটেল চাৰ্জ কৰিবলৈ ওলাইছো। আপোনালোকে যেয়ে যেনেকৈ আছে সকলোৱে নিজ নিজ ঠাইত থাকিব। যদি কোনোবাই গন্দগোল কৰে অথবা কোনোবাই পলাই যাবলৈ চেষ্টা কৰে তেন্তে আমি গুলি চলাবলৈ বাধ্য হ'ম।" এইটো আছিল ৰাতি ১২ বজাত চি,টি, পুলিচৰ এটা বিবৃত্তি বা ৰাজহুৱা ঘোষণা। যোৱা কালি সন্ধ্যা বাতৰিত এটা বজাত প্ৰকাশ পাইছে মই বাতৰিটো পঢ়ি দিওঁ। সাংবাদিক সকলক আমি শ্ৰদ্ধা জ্ঞাপন কৰো। দুজন সাংবাদিক আপোনালোকৰ চৰকাৰে ৰাস্তাত আঠু কঢ়াই থৈছিল।

(সদনত হুলস্থুল আঙুলি জোকাৰিব নালাগে)

অধ্যক্ষ মহোদয়, আপোনালোকে নোজোকাৰিলে মইও নোজোকাৰো। ৰাতি পুলিচে কি পৰিবেশত কি পৰিস্থিতিত আঠু কঢ়াই থব লগীয়া হল এইটো বিচাৰ্য্য বিষয়। সমগ্ৰ অসমত ৰাইজৰ কাৰণে এটা লজ্জাজনক কথা বা গৰিহনাৰ বিষয়।

কালি নিশা বাৰমান বজাত এটি আৰক্ষী দলে অৰ্ধসামৰিক বাহিনীৰ এদল জোৱানসহ খানাপাৰাৰ জয়া নগৰত অৱস্থিত চুকাফা ভৱনত তালাচী চলাই ভৱনত থকা দুজন সাংবাদিককে ধৰি মুঠ ১৫ জন আৱাসীক বেয়াকৈ মাৰপিট কৰা আৰু অপদস্থ কৰাৰ লগতে প্ৰাণজিত্ বৰুৱা, ৰাজুমণি গঁগৈ আৰু ৰাজু গঁগৈ নামৰ তিনি জন যুৱকক কোনো ধৰণৰ প্ৰমাণ নোহোৱাকৈ আলফা বুলি অভিযুক্ত কৰি আটক কৰা যুৱক তিনিজনে আজি এ বি চিৰ কৰ্মচাৰী হিচাপে যোগদান কৰাৰ কথা আছিল। জানিব পৰা মতে তেওঁলোকক

এই পৰ্য্যন্ত আৰক্ষীয়ে মুকলি কৰি দিয়া নাই। তালাচীৰ সময়ছোৱাত আৰক্ষী চি আৰু পি বাহিনীয়ে চুকাফা ভৱনৰ আৱাসী- কেইজনৰ বস্তু-বাহানি লণ্ডভন্দ কৰে আৰু সন্দেহজনক একো নাপাই তেওঁলোকক শাৰীৰিক ভাৱে অত্যাচাৰ কৰে আৰু আনকি কেইজনমানৰ পৰা টকা-পইচাও কাঢ়ি লৈ যায়। চুকাফা ভৱনৰ তত্বাৱধায়কগৰাকীৰ পৰাও যথেষ্ট পৰিমাণৰ টকা-পইচা আৰু সোণৰ আ-অলঙ্কাৰ আদিও কাঢ়ি লৈ যায়।

চুকাফা ভৱনতে থকা দৈনিক জনমভূমি কাকতৰ সাংবাদিক তুলতুল বৰুৱা আৰু সাপ্তাহিক ‘অসম’ কাকতৰ সাংবাদিক হিৰণ্য কোঁৱৰৰ ওপৰত দলটিয়ে বেছিকৈ অত্যাচাৰ কৰে। সাংবাদিকৰ পৰিচয় পত্ৰ দেখুওৱাৰ পিছত তেওঁলোকে বৰুৱা আৰু কোঁৱৰক অধিক কটুকথা শুনোৱাৰ উপৰিও বন্দুকৰ নলীৰে ডিঙি-পিঠি আদিত খুন্দিয়াই বাহিৰলৈ উলিয়াই নিয়ে।

(সদনত হুলস্থূল)

বাহিৰত তেওঁলোকে দুজনৰ লগতে কাকতত ঘটনাটোৰ বিষয়ে প্ৰকাশ পালে তেওঁলোকক পুনৰ অত্যাচাৰ কৰা হ'ব বুলিও ভীতি প্ৰদৰ্শন কৰে। আনকি বাতৰিটো প্ৰচাৰ কৰিলে তেওঁলোকক প্ৰাণনাশৰো ভাবুকি দিয়ে। আৰক্ষীৰ এনে ক্ৰমবৰ্ধিত আতিশয্যাত ৰাইজে তীব্ৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে এনে ধৰণৰ আতিশয্য তৎকালীনভাৱে বন্ধ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে।

অধ্যক্ষ মহোদয়, এইটো এনভলবত ভৰাই পেলাই থৈছিল। নম্বৰটো আছিল ২১৩৫, টো দি অফিচাৰ ইন ছাৰ্জ, দিচপুৰ পুলিচ ষ্টেচন, কামৰূপ, দিশপুৰ থানাখন অসম বিধান সভাৰ গাতে লাগি থকা। আৰু এটা সাংঘাটিক কথা প্ৰকাশ কৰা নাই। এগৰাকী মহিলাৰ নাম ৰুমি বৰ পাত্ৰ গোঁহাই ক ৰুমৰ ভিতৰত সোমোৱাই লৈছিল।

(সদনত হুলস্থূল পৰিবেশ)

সাংবাদিক সকলক আঠু কঢ়াইছে। মহিলাক ধৰ্ষণ কৰিছে। চুকাফা ভৱনত নি মাটিৰ, দিগীলাত কি হৈছে আমি নাজানো। গতিকে মহিলা সকলৰ নিৰাপত্তা নোহোৱা হৈছে। ৰাইজৰ নিৰাপত্তা নোহোৱা হৈছে। নিৰাপত্তা নোহোৱা হৈছে সৰ্বসাধাৰণ ৰাইজ আৰু অসম সংস্কৃতিৰ।

Mr. Speaker :- Hon'ble Member, Shri Sharma, Kindly address to me.

(সদনত হুলস্থূলৰ পৰিবেশ)

শ্ৰী জয়নাথ শৰ্ম্মা ঃ- অধ্যক্ষ মহোদয়, আপোনাক মই এই এনভেলপটো দিব বিচাৰিছোঁ। লগতে সাংবাদিকসকলৰ ওপৰত আৰু মহিলা গৰাকীৰ ওপৰত চুকাফা ভৱনত ৰাতি ১২ বজাত ৰুম কৰাৰ আইনগত ভাৱে কিবা নিয়ম আছে নে? ৰাতিপুৱা চাৰ্জ কৰা হলে বুজিলোহেতেঁন যে তেনে কৰাৰ কোনো অসত মতলব নাই। ইয়াৰ বাবে মই আৰক্ষীক দোষাৰোপ কৰা নাই কাৰণ বাপেক ভাল হলে পুতেক ভাল হ'ব আৰু বাপেক সত হ'লে পুতেক সত হ'ব।

(- - - - - এই কথাৰ লগে লগে সদনত বিৰাট গণ্ডগোল হয় - - - - - )

অধ্যক্ষ মহোদয়, অসমৰ জনগণক ৰক্ষণাবেক্ষন দিয়াৰ কাৰণে চৰকাৰ গঠন হৈছে। অসমত মহিলা আৰু সাংবাদিকক অত্যাচাৰ কৰিবলৈ আপোনালোকক দিয়া নাই।

শ্ৰী দিলীপ শইকীয়াঃ– এজন ফ্ৰি লেন্স সাংবাদিকৰ কেমেৰা কাঢ়ি লৈ গৈছে, ঘূৰাই দিয়া নাই।

( - - - - - - - - সদনত আকৌ গণ্ডগোল - - - - - - - -)

( ধ্বনী - তেখেতে চুপ বুলি কৈছে, এইটো উঠাই ল'ব লাগে।)

Mr. Speaker : I request the Hon'ble members, please take your seats. When the Speaker speaks, Hon'ble member a should not rise. I do not want to repeat it again. Now Chief Minister will reply.

মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া ঃ– মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই সাংবাদিক সকলৰ ওপৰত উৎপীড়ণ হোৱা বুলি উল্লেখ কৰিছে। এই বাতৰিটোৰ প্ৰতি মোৰ দৃষ্টি আকৰ্ষিত হৈছে। এই কথাখিনি এতিয়ালৈ এক পক্ষীয় হৈ আছে। এক পক্ষীয় বিবৃতিৰ ওপৰত ইমান উত্তেজনাৰ সৃষ্টি হ'ব নালাগে।

মই আশাকৰোঁ মাননীয় সদস্য সকলে সদনৰ মৰ্য্যদা ৰাখি কাম কৰিবলৈ আমাক সুবিধা দিব। আমি এই সদনলৈ ৰাইজৰ প্ৰতিনিধি হৈ আহিছোঁ, ৰাইজে বিশেষ দায়িত্ব দি আমাক ইয়ালৈ পঠাইছে, সদনত হুলস্থূল কৰি নিৰ্দ্দিষ্ট কাৰ্য্যসূচী বন্ধ কৰি ৰখাটো দেশৰ কাৰণে ডাঙৰ কথা। শৰ্ম্মা ডাঙৰীয়াই যিখিনি কথা উত্থাপিত কৰিছে তাৰ তদন্ত কৰা হ'ব

আৰু দোষীক শাস্তি দিয়া হ'ব। কিন্তু মই দুখেৰে সৈতে ক'ব লাগিব শৰ্ম্মা ডাঙৰীয়াই যিবিলাক কথা কৈছে যে আমি সাংবাদিকৰ অনুগ্ৰহত ইয়ালৈ অহা নাই, ৰাইজৰ আশীৰ্বাদত হে আহিছোঁ, এইটো পাহৰিলে নহ'ব। তেখেত সকলে সাংবাদিকক অপমান কৰাৰ কথা কৈছে। তেখেত সকলৰ মন্ত্ৰীত্বৰ কালতে অসমত কিমান নাৰী ধৰ্ষিত হৈছিল, এই কথা পাহৰিলে নহ'ব। এইবিলাক কথা কৈ এতিয়া সদনৰ মূল্যবান সময় নষ্ট নকৰাই ভাল।

মই শৰ্মা ডাঙৰীয়াৰ অভিযোগ অনুসন্ধান কৰিম।

শ্ৰী ভৰত নৰহ ঃ– সাংবাদিকৰ জীৱন বিপন্ন হৈছে, নিৰাপত্তা দিয়া হ'ব নে নহয়?

Mr. Speaker : I request the Hon'ble members kindly to listen. The word 'Choop' has been expunded from the procedings

...........(voices) - (he must withdraw the word.)

Shri Dilip Saikia Sonoual: Sir, I withdraw the word.

(voices - point of order, point of order ...............)

Mr. Speaker : I have asked the Chief Minister to speak. now, point of order cannot be allowed. I have received a notice of adjournment motion to be raised by Mr. Holi Ram Terang, Shri Promode Gogoi, Smti. Pramila Brahma and Shri Shasha Kamal Handique. I request the Hon'ble members to raise the matter. They will speak on admissibility only not for discussion.

**Adjournment Motion.**

**Mr. Holi Ram Tarang :** Mr. Speaker Sir, I would like to raise the matter under Rule 56 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly and bring an adjournment motion by stopping today's business and to discuss about the 24 hrs. Bandh called by the Autonomus State

demand Committee and the Khasi Student Association demand unconditional release of Shri Rajendra Rongpi, Central Committee member of ASDC and also an Executive member of the Autonomous District Council of Karbi Anglong.Sir, Rule 56 says that a motion for adjournment of the business of the Assembly for the purpose of discussing definite matter of urgent public importance may be made with the concent of the Speaker. Rule 56 (2) says that the Speaker shall decide whether the matter to be discussed is definite and whether it is of urgent public importance. Sir, it is a definite matter of public importance, because as you are awa-re mr. Rajendra Rongpi is an Executive member of the Karbi Anglong District Council, which is constituted under 6th Schedule and he is also a public leader. He has been arrested on 11th July, and sent to Jail and he is still in the Jail. Sir, this is an urgent and a definite matter because he is not only a Member of the Executive Committee but he is also a leader of the movement. So Sir this is a matter of urgent public importance. Rule 57 says that the right to move the adjournment of the Assembly for the purpose of discussing a definite matter of urgent public importance shall be subject to the following restrictions. namely,

(i) not more than on such motion shall be made at the same sitting. There has not been any other motion in this sitting;

(ii) not more than one matter can be discussed on the same motion, and the motion must be restricted to a specific matter of recent occurrence. Sir, it is a matter of recent occurrence and this has not been discussed in this session.

(iii) the motion must not revive descussion on a matter which has been discussed in the same session. Sir, this has not been discussed in this session;

(iv) the motion must not anticipate a matter which has been previously appointed for consideration on with reference to which a notice of motion has been previously given, regard being has to the probability of the matter

anticipated being brought before the House within a reasonable time. Sir, this matter is not anticipated.

(v) the motion must not deal with a matter on which a resolution could not be moved. Sir, a resolution can be moved on this matter.

(vi) "The motion shall not deal with any matter which is under adjudication by a Court of Law ..........". It is not under adjudication.

(vii) " The motion shall not raise a question of privilege". This motion does not raise a question of Privilege.

(viii) "That it must not relate to a matter which is not primarily the concern of the Government. Of the State". It is a primary concern of the State Government. in the Home Deptt.

So Sir, it conforms fully to Rule 57 and as per the method of giving notice., I do not like to quote Rule 58 because you have already allowed it. It would like at this stage to say, that it is a matter of urgent public importance and it is very much in order. Therefore Sir. I and the other members who have signed the notice may be allowed to move the motion.

**Shri Promod Gogoi** : Sir, I fully agree with the honourable member Shri Holiram Terang that it is a matter of public importance; an as you know Sir, the Bundh beings from today. Why the people of Karbi Anglong have resorted to such and action? Because a member of the Karbi Anglong District Council who is an Executive Member having a rank as that of a Minister was arrested by the police, handcuffed and paraded through the street. In any normal case police has the right to arrest any persons on receipt of complaints. But to arrest and Executive Member of the District Council by handcuffing and parading through the streets is to humuliate him only. This action of police has created resentment among the people. If a similar incident occurs in the case of a member of this House then

it will mean a death of democracy in Assam. Therefore Sir, it is a fit case to be discussed through an Adjournment Motion. I hope you would allow this motion.

**Mr. Speaker:** I request honourable Minister for parliamentary Affairs to speak on the point of admissibility.

**Shri Golok Rajbangshi (Minister):** Mr. Speaker Sir, to qualify a subject matter for discussion as an Adjournment Motion certain conditions are to be fulfilled. On the question of admissibility of such a motion, the Honourable members have stated that the arrested person is an Executive Member of the District Council and that he holds the rank of a Cabinet Minister. I admit that it is true. But the Executive Member has been arrested on a cognizable offence. Sir, everybody is equal in the eye of Law and I think there cannot be any exception to it. Whether one is a Cabinet Minister or an Executive Member of the District Council he should have equal treatment in the eye or law. (Voices: Are you going to accept it if it falls on your?) Certainly, if I am involved in any criminal case the Law will follow me.

Secondly Sir, the Court did not allow him to be released on bail. So this is a matter which is subjudice and until and unless the matter is resolved through the judicial process. I think the House cannot take up the matter for discussion through an Adjournment Motion.

**Shri Giasuddin Ahmed :** Sir, the Adjournment Motion has two parts. First, the Honourable Speaker is to consider whether consent can be given or not. The matter of giving consent will have to be decided on the basis of a prima facie case for an Adjournment Motion. It has been sufficiently explained that this is a very serious matter of recent occurence and at least at the priliminary stage the consent cannot be held up; and thereafter the question of moving the motion and other procedures will be followed. When the Adjournment Motion will be moved at that stage the conditions will have examined whether it fulfils all the

conditions................

(Quoted : Under Rule 56 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly. we would like to make a motion for Adjournment of To-days business of the Assembly to discuss about the on going 24 hours Bandh call by the ASDC and KSA demanding the unconditional release of Shri Rajendra Rongpi...

শ্ৰী জয়নাথ শৰ্ম্মা ঃ– মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে সদনত ভূল তথ্য দাঙি ধৰিছে। আপোনাৰ আগতে তেখেতে তেনে ৰুলিং কোট কৰি কৈছে। সেয়ে মই আপোনাৰ পৰা ৰুলিং বিছাৰিছো। তেখেতে বিষয়টো চাৱ জুদিচ বুলি কৈছে।

(Quoted : Under Rule 56 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly. we would like to make a motion for Adjournment of To-days business of the Assembly to discuss about the on going 24 hours Bandh call by the ASDC and KSA demanding the unconditional release of Shri Rajendra Rongpi...

তেখেতে বন্ধৰ ওপৰতহে এডজৰমেণ্ট মোচন আনিছে। অধ্যক্ষ মহোদয় চাবজেক্ট মেটাৰটো বন্ধহে।

Mr. Speaker: Please take your seat. In regard to the Adjournment Motion. I reserve my Ruling.

ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী জয়নাথ শৰ্ম্মা ডাঙৰীয়াই এটা ভূল বুজাবুজিৰ কাৰণে আজি এটা প্ৰিভিলেজ মোচন আনিছে। তেখেতে কৈছে যে মুখ্যমন্ত্ৰীয়ে কালি নোটিশ পোৱা নাই বুলি কৈছিল -আচলতে মুখ্যমন্ত্ৰীয়ে নোটিশ পোৱা নাই বুলি তেখেতৰ নোটিশখনৰ ওপৰত কোৱা নাছিল। কালি সদনত গন্দোগলীয়া পৰিস্থিতিৰ কাৰণে শুনাত ভুল হ'ব পাৰে। মুখ্য মন্ত্ৰীয়ে শ্ৰী জয় নাথ শৰ্ম্মা আৰু আন ৮ জন মাননীয় সদস্যই দিয়া সভা স্থগিত প্ৰস্তাৱৰ নোটিশ পাইছে কিন্তু মাননীয় সদস্য শ্ৰী ভৃগু ফুকন ডাঙৰীয়াই দিয়া নোটিচখনহে পোৱা নাই বুলি কৈছে। মাননীয় সদস্য শ্ৰী জয়নাথ শৰ্ম্মাৰ নোটিশৰ ওপৰত কালিয়ে মই ৰুলিং দিছো। গতিকে তেখেতৰ প্ৰিভিলেজ মোচনটো ৰিদানদেণ্ট, এইটো

ৰিজেকটেড হৈছে।

Now Hon'ble Chief Minister would make a statement.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)

অধ্যক্ষ মহোদয়,

ৰাজ্যখনত চলি থকা আইন-শৃঙ্খলা পৰিস্থিতিক লৈ মাননীয় সদস্যসকলৰ উৎকণ্ঠা মই হৃদয়ঙ্গম কৰিছোঁ আৰু সেয়ে সেই সম্পৰ্কে বিবৃতি এটা দাঙি ধৰিবলৈ বিছাৰিছোঁ। ৰাজ্যখনত হৈ যোৱা সাধাৰণ নিৰ্বাচনৰ জৰিয়তে কংগ্ৰেছ (আই) দলে ৰাজ্য বিধান সভাত স্পষ্ট সংখ্যা গৰিষ্ঠতাৰে বৃহত্তম দল হিচাপে কিদৰে আত্ম প্ৰকাশ কৰিলে আৰু কেনেকৈ শান্তিপূৰ্ণভাৱে এই দলৰ হাতলৈ ক্ষমতা হস্তান্তৰিত হ'ল, সেই বিষয়ে আপুনি অবগত। কিন্তু যুদ্ধ-বিৰতিৰ আধাৰত কিছুদিন ধৰি নিস্ক্ৰিয় হৈ থকা আলফা উগ্ৰপন্থী সকলে কংগ্ৰেছ (আই) দলে চৰকাৰ গঠন কৰি কাৰ্য্যভাৰ লোৱাৰ ঠিক পিছতেই আকৌ এবাৰ নিৰ্বাচিত চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে আৰু জোৰ-জুলুম কৰি টকা-পইচা সংগ্ৰহ, নিজৰ শত্ৰুৰূপে চিহ্নিত কৰা সকলৰ অপহৰণ আৰু হত্যাৰ লেখীয়া সন্ত্ৰাসবাদী হিংসাৰ কাৰ্য্য-কলাপত পুনৰ লিপ্ত হৈ পৰিল।

নতুন কংগ্ৰেছ (আই) চৰকাৰ খনে শপত গ্ৰহণ কৰাৰ ঠিক পিছতেই আলফা পন্থী সকলে অসম চৰকাৰৰ ভাৰপ্ৰাপ্ত বিষয়া আয়ুক্ত গৰাকী আৰু ৰুছ খনি বিশেষজ্ঞ গ্ৰিচেংকো চাৰ্গেইকে ধৰি মুঠ ১৪ জন চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ বিষয়া-কৰ্মচাৰীক অপহৰন কৰিলে। অপহৃত সকলৰ ভিতৰত ৰাজহুৱা খণ্ডৰ কাৰ্য্যবাহী এজনক অপহৰণৰ দিনাই এৰি দিলে যদিও বাকী ১৩ জনক আলফাই পনবন্দী ৰূপে ৰাখি থলে। ২জুলাই তাৰিখে আলফাৰ প্ৰচাৰ সচিবে এই অপহৰণৰ দায়িত্ব স্বীকাৰ কৰি বাতৰি কাকতলৈ বিবৃতি এটা দিছিল। দুজন পনবন্দী তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ মূখ্য ভূ পদাৰ্থবিদ শ্ৰী বি, এম, জয়চোৱাল আৰু ৰুছ খনি বিশেষজ্ঞ মিঃ চাৰ্গেইৰ মুক্তিৰ বিনিময়ত ৯ জুলাই তাৰিখৰ সন্ধিয়া ৬ বজাৰ ভিতৰত ছজন উগ্ৰপন্থীৰ মুক্তি দাবী কৰি ৩ জুলাই তাৰিখে বাতৰি কাকতলৈ আৰু এটা বিবৃতি দিলে। অপহৃত সকলৰ সন্ধান উলিয়াবলৈ ৰাজ্য চৰকাৰে এক ব্যাপক অভিযান চলালে। বিভিন্ন ঠাইত একে সময়তে অভিযান চলোৱা হ'ল। ৯ জুলাইৰ দিনা শ্ৰীজয়ছোৱাল আৰু ৰুছ খনি বিশেষজ্ঞ মিঃ চাৰ্গেইৰ জীৱন ৰক্ষাৰ তেওঁলোকৰ মুক্তিৰ বিনিময়ত আলফাই দাবী কৰা মতেই ছজন উগ্ৰপন্থীক মুকলি কৰি

দিবলৈ ৰাজ্য চৰকাৰে থিৰাং কৰিলে। কিন্তু নিজে দিয়া সময় সীমা উকলি যোৱাৰ আগে আগে আলফাই তেওঁলোকৰ জিন্মাতে ৰুছখনি বিশেষজ্ঞ চাৰ্গেই গ্ৰিচেংকো নিহত হোৱাৰ ৰোম-হৰ্ষক বাতৰি এটা সদৰি কৰিলে আৰু ক'লে যে পলাবলৈ চেষ্টা কৰোতে হোৱা সংঘৰ্ষত তেওঁৰ মৃত্যু হ'ল। পৰৱৰ্ত্তী পৰ্য্যায়ত তিনিজন পনবন্দীৰ বিনিময়ত ১৪ জুলাইৰ সন্ধিয়া ৬ বজাৰ ভিতৰত ২৪ জন উগ্ৰপন্থীক এৰি দিবলৈ আলফাই দাবী উত্থাপন কৰিলে। চৰকাৰে সেই ২৪ জনক এৰি দিলে আৰু আলফাই মঙ্গলদৈৰ অতিৰিক্ত উপায়ুক্ত শ্ৰী এম এম দাস, উপায়ুক্ত একান্ত সহকাৰী শ্ৰীহৰেশ্বৰ দাস আৰু শ্ৰীদশৰথ পণ্ডিতক মুকলি কৰি দিলে। ২৬ জুলাই তাৰিখৰ সন্ধিয়া ৬ বজাৰ ভিতৰত আন দুজন পনবন্দীৰ বিনিময়ত আলফাৰ সমৰ্থক আৰু সহযোগীকে ধৰি কাৰাগাৰত থকা সকলোকে এৰি দিয়াত দাবী জনাই সংগঠনটোৰ প্ৰচাৰ সচিবে ১৪ জুলাইৰ দিনা আৰু এটা প্ৰেছ বিবৃতি দিলে। সম্প্ৰতি সেই সময়সীমা তেওঁলোকে ৩১ জুলাইত সন্ধিয়া ৬ বজালৈ বঢ়াই দিছে।

ৰাজ্য চৰকাৰৰ সিদ্ধান্ত অনুসাৰেই এতিয়ালৈ কাৰাগাৰৰ পৰা ৪৩৮ জন আলফা সদস্যক মোকলাই দিয়াৰ পিছতো আৰু সকলো টাদা বন্দীক মুকলি কৰি দিবলৈ চৰকাৰে থিৰাং কৰাৰ পিছতো পনবন্দীৰ বিষয়ত আলফাই এটা অস্পষ্ট স্থিতিকে গ্ৰহণ কৰি আছে। ৰুছ খনি বিশেষজ্ঞজনৰ মৃতদেহটো হস্তান্তৰ কৰিবলৈ অস্বীকাৰ কৰি আৰু মৃত দেহটো বৰ্তমান ক'ত আছে সেই সংক্ৰান্তত আৰু অন্যান্য বিতং বিবৰণৰ ক্ষেত্ৰতো সম্পূৰ্ণ মৌনতা অৱলম্বন কৰি তেওঁলোকে চৰকাৰক অতিশয় বিমোৰত পেলাইছে।

ৰাজ্যখনত কংগ্ৰেছ (আই) চৰকাৰ গঠন হোৱাৰে পৰা আলফাৰ সন্ত্ৰাসবাদী কাৰ্য্যকলাপ বাঢ়িবলৈ ধৰিছে। যোৱা ১ জুলাইৰ পৰা এতিয়ালৈ আলফা উগ্ৰপন্থীয়ে ৩০ জনৰো বেছি লোকক অপহৰণ কৰিছে আৰু ৰুছ খনি বিশেষজ্ঞ জনকে ধৰি ভালে কেইজনক গুলিয়াই মাৰিছে। আলফাই অপহৃত সকলৰ কেইজনমানক উৎপীড়ণ কৰিও মাৰিছে। আলফাই নিজৰ স্বীকাৰোক্তি মতেই কেৱল নলবাৰী জিলাতে ৭ জন লোকক হত্যা কৰিছে। আলফাৰ হাতত নিগৃহীত বা নিহত সকলোৱেই হয় কংগ্ৰেছ (আই) দলৰ সদস্য বা কৰ্মী, নহ'লে আলফাই নিজে সেনা বাহিনী বা আৰক্ষীৰ চোৰাংচোৱা বুলি গণ্য কৰা লোক।

দৰং আৰু বঙাইগাওঁ জিলাত সীমান্ত নিৰাপত্তা বাহিনী/ কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনীৰ টহলদাৰী দলক উগ্ৰপন্থী সকলে খাপ পাতি থাকি আক্ৰমণ কৰাৰো ঘটনা ঘটিছে আৰু তাত এজন বি এছ এফ আৰু এজন চি আৰ পিৰ লোকৰ মৃত্যু হৈছে। দৰং জিলাত

আলফাই অন্তঃত এখন কাঠৰ দলং বোমা দি উৰুৱাই দিছে। জানিব পৰামতে ৰাজ্যৰ ভিতৰে বাহিৰে প্ৰশিক্ষণৰ বাবে আলফা কৰ্মীয়ে নতুনকৈ ভলণ্টিয়াৰ মকৰল কৰিছে আৰু ৰাজ্য খনত ভালেমান প্ৰশিক্ষণ শিবিৰ পতাৰো বাতৰি পোৱা গৈছে। তেনে তিনিটা শিবিৰ ভাঙি পেলোৱা হৈছে।

আলফাৰ এই বাঢ়িযোৱা হিংসাত্মক কাৰ্য্যকলাপত আৰু তাৰ ফলত হোৱা বিভিন্ন ঘটনাত কমেও ১৭ জন লোকৰ মৃত্যু ঘটিছে। ইয়াৰ পৰাই সংগঠনটোৰ অশুভ অভিসন্ধিৰ স্পষ্ট ইংগিত পোৱা যায় আৰু ই ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ বাবে এক জটিল প্ৰত্যাহ্বান হৈ পৰিছে।

পনবন্দীৰ প্ৰশ্ন আৰু আলফাই আৰম্ভ কৰা সন্ত্ৰাসবাদী কাৰ্য্যকলাপে চৰকাৰক গভীৰ ভাৱে উদ্বিগ্ন কৰি থকাৰ সময়তে বড়ো চিকিউৰিটি ফৰ্চ্ আৰু অন্যান্য বড়ো উগ্ৰপন্থী দলৰ লেখীয়া আন কেতবোৰ সন্ত্ৰাসবাদী সংগঠনেও ছেগাচোৰোকাকৈ সন্ত্ৰাসবাদী হিংসাৰ কাৰ্য্যকলাপ চলাই আহিছে। প্ৰতিদন্দ্বী বড়ো উগ্ৰপন্থী দলৰ মাজত সময়ে সময়ে হোৱা সংঘৰ্ষত ইতিমধ্যে ভালে কেইজন লোকৰ মৃত্যু ঘটিছে। ইয়াৰ উপৰিও অলপতে বড়ো চিকিউৰিটি ফৰ্চৰ সন্ত্ৰাসবাদীয়ে ওদালগুৰিৰ সাপ্তাহিক বজাৰত এটা বি এছ এফ টহলদাৰী দলক আক্ৰমণ কৰি এজন বি এছ এফৰ লোকক নিহত কৰে আন এজনক বেয়াকৈ আহত কৰে। যোৱা কিছুদিনত বড়ো উগ্ৰপন্থীয়ে ৰাজপথত আৰু বেঙ্কত কেবাটাও ডকাইটি কৰাৰ ঘটনাও ঘটিছে। যোৱা কালিও নলবাৰী জিলাত বড়ো উগ্ৰপন্থীৰ হাতত তিনিজন লোক নিহত হয়। সেই জিলাতেই বড়ো উগ্ৰপন্থীৰ দ্বাৰা বহুতো গঞা ৰাইজৰ ঘৰত অগ্নি সংযোগ কৰাৰ ঘটনাও ঘটিছে। এই সকলোবোৰ ঘটনাই ৰাজ্যখনত সন্ত্ৰাসবাদী কাৰ্য্যকলাপ বাঢ়ি যোৱাৰ ইংগিত দিয়ে।

ৰাজনৈতিক দিশত বড়োলেণ্ডৰ গঠন আৰু কাৰবি আংলঙ আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ বাবে স্বায়ত্ব শাসিত ৰাজ্যৰ নিজ নিজ দাবী মানি লবলৈ চৰকাৰক বাধ্য কৰাৰ উদ্দেশ্যেৰে সদৌ বড়ো ছাত্ৰ সন্থা/বি পি এচি আৰু এ এচ ডি চিৰ দৰে সংগঠনে দীঘলীয়া বন্ধৰ দৰে আন্দোলনৰ কাৰ্য্যসূচী ল'ব বুলি ভাবুকি দিছে। এই প্ৰসংগত আবচু/ বি পি এচিৰ ১০০১ ঘণ্টীয়া প্ৰস্তাৱিত বন্ধৰ কথাও উল্লেখ কৰিব পাৰি। বৰাক উপত্যকাত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্থাপন আৰু যোৱা কিছুদিন ধৰি উত্তেজনা সৃষ্টি কৰি থকা অন্যান্য স্পৰ্শ কাতৰ দাবীৰ মীমাংসাৰ বাবে আকচাৰ দৰে সংগঠনে আন্দোলন কৰি আহিছে।

নিৰ্বাচনৰ পিছৰ সময় ছোৱাত ৰাজ্যখনৰ কেতবোৰ ঠাইত সাম্প্ৰদায়িক পৰিস্থিতিও অতিশয় স্পৰ্শকাতৰ হৈ আহিছে। ধুবুৰীত দুটা প্ৰতিদন্দী ৰাজনৈতিক দলৰ সমৰ্থকৰ মাজত হোৱা দুৰ্যোৰ সংঘৰ্ষত এজন লোকৰ মৃত্যু হয় আৰু পৰিস্থিতিয়ে দ্ৰুত ভাবে সাম্প্ৰদায়িক ৰূপ লয়গৈ। পৰিস্থিতি নিয়ন্ত্ৰনৰ বাবে জিলা প্ৰশাসনে সান্ধ্য আইন দিবলগীয়া হয়। বৰপেটা জিলাৰ বৰপেটাৰোড্‌ অঞ্চলতো কাটিঝাৰ পথাৰত দুটা প্ৰতিদ্বন্দী দলৰ হিন্দু আৰু মুছলমান সমৰ্থকৰ মাজত হোৱা সংঘৰ্ষত দুজন লোক নিহত আৰু আন ৩ জন লোক আহত হয়। সান্ধ্য আইন দি তাৰ পৰিস্থিতি ততালিকে আয়ত্বলৈ অনা হয়। এই সমস্যাসমূহৰ প্ৰতি চৰকাৰে সম্পূৰ্ণ মনোযোগ দিছে আৰু শান্তি আৰু সুস্থিৰতা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ ব্যৱস্থাও হাতত লৈছে। বিভিন্ন উপলক্ষত বিশ্ববিদ্যালয়ৰ অধ্যাপক, বাতৰি কাকতৰ সম্পাদক, স্থানীয় নাগৰিক, বুদ্ধিজীৱী, মহিলা সমিতি, সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি, শিল্পী, সাহিত্যিক প্ৰভৃতি জনমত গঢ়োতা বিভিন্ন লোকৰ সৈতে মই আলোচনাও কৰিছিলো। এই সকলো পক্ষৰ প্ৰতিনিধি সকলে মত দিয়ে যে চৰকাৰে সকলো টাডা বন্দীক মুকলি কৰি দিব লাগে আৰু লগতে আলফাকো আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনায়। সকলো পণ বন্দীৰ নিৰাপত্তাৰ বাবেও তেওঁলোকে উদ্বেগ প্ৰকাশ কৰে আৰু পনবন্দী সকলক মুক্ত কৰিবৰ বাবে সকলো ধৰণে যত্ন কৰিবলৈ চৰকাৰক পৰামৰ্শ দিয়ে। আলোচনাৰ সুবিধাৰ বাবে আলফাৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লোৱাৰ বাবেও কোনো কোনো পক্ষই পৰামৰ্শ দিয়ে। ৮ জুলাই তাৰিখৰ দূৰদৰ্শন আৰু আকাশবাণী যোগে দিয়া বিবৃতিত মই চৰকাৰৰ নিম্নোক্ত ঘোষনা কেইটা সদৰি কৰিছিলোঃ

(ক) গুৰুতৰ ধৰণৰ অভিযোগ নথকা আলফা বন্দী সকলক ততালিকে মুক্তি দিয়া হ'ব।

(খ) আলফাই সকলো পন বন্দীক যদি মুকলি কৰি দিয়ে আৰু অস্ত্ৰ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ চৰকাৰে জনোৱা গোহাৰিত সহাৰি জনায়, চৰকাৰে গুৰুতৰ অভিযোগ থকা সকলকো ধৰি আটাইখিনি বন্দীকে মুকলি কৰি দিব আৰু সাধাৰণ ক্ষমাদান ঘোষণা কৰিব।

(গ) আলফাৰ সৈতে যাতে ফলপ্ৰসু আলোচনা হ'ব পাৰে, তাৰ বাবে প্ৰয়োজন হ'লে আলফাৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই ল'বলৈ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰক

অনুৰোধ জনাব। পিছত ২২ আৰু ২৮ জুলাই তাৰিখে দূৰদৰ্শন আৰু আকাশবাণী যোগে দিয়া বিবৃতিতো আলোচনাৰ মেজলৈ আহিবৰ বাবে আলফালৈ জনোৱা অনুৰোধকে মই দোহাৰিছিলো।

মই আয়ুক্ত, উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলৰ সৈতেও তেওঁলোকৰ নিজ নিজ জিলাৰ আইন শৃংখলা ৰক্ষা কৰাৰ বাবে কঠোৰ ব্যৱস্থা ল'বলৈ তেওঁলোকক নিৰ্দেশ দিয়া হৈছে। ৰাজ্যখনৰ বিভিন্ন অঞ্চললৈ গৈ বিষয়াবৰ্গ আৰু ৰাইজক লগ ধৰি উগ্ৰপন্থীৰ সন্মুখীন হোৱাৰ আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে চৰকাৰৰ দৃঢ়তাৰ কথা জনাবলৈ আৰক্ষী সহ-পৰিদৰ্শককো পঠিওৱা হৈছে। ৰাজ্যখনৰ সকলো জটিল সমস্যা আলোচনাৰ মেজত সমাধান কৰাৰ অৰ্থে আলোচনাৰ দুৱাৰ খুলি ৰখা হৈছে।

**Shri Pramode Gogoi** :- Sir, I have a request to make because the Chief Minister has been making statement from time to time on the Law and order situation of the State. Actually, the law and order situation is very serious. Therefore, under Article 188, I request you to call a secret sitting of the Assembly so that we may discuss in a free and frank manner.

**শ্ৰী জয়নাথ শৰ্ম্মা** :- অধ্যক্ষ মহোদয়, যদি এখন চেক্ৰেট চেচন হয় তেনেহ'লে তেখেতে যি কেইটা পইণ্ট উৎথাপন কৰিছে সেই গোটেই কেইটা বিষয় আমাক জনাব লাগে যাতে আমি আলোচনা কৰিব পাৰো। মই আৰু এটা কথা আপোনাক অনুৰোধ কৰিব খোজো যে মুখ্য মন্ত্ৰী ডাঙৰীয়াই আজি যিটো বিবৃতি দিলে আৰু যোৱা ৮ আৰু ৯ তাৰিখে দূৰদৰ্শন আৰু বাতৰি কাকত যোগে যি বিবৃতি দিছিল সেই আটাই বোৰৰে একোটাকৈ কপি আমাক দিব লাগে যাতে আমি এই আটাই খিনি বস্তু তুলনা কৰি চাব পাৰো।

**মাননীয় অধ্যক্ষ** :- চিক্ৰেট চেচনৰ সম্পৰ্কত শ্ৰী শৰ্ম্মা ডাঙৰীয়াই যিটো কথা উৎথাপন কৰিছে সেই বিষয়ে শ্ৰীপ্ৰমোদ গঁগৈ ডাঙৰীয়াইও উল্লেখ কৰিছে। মই গোটেই বিষয়টো বিবেচনা কৰি আছো আৰু সেই বিষয়ে আপোনালোকক সকলোকে জনাম।

**Now The minister municipal administration.**

**Introduction of Government bill.**

**Shri Devananda Konwar. (Minister)** :- Sir, I beg leave to introduce the Assam

Municipal (Amendment) Bill, 1991.

**Mr Speaker** :- Is it the pleasure of the House to grant leave to introduce the Bill.

Shri Pramode Gogoi :- Sir, I want to know also from the Govt about the panchayat elections. We are reducing the age. We have no objection to it. We want a definite assurance from the Government whether elections to Panchayat are also going to take place.

**Shri Devananda Konwar (Minister)** :- The Panchayat Minister may tell you on the matter.

With regard to Municipal Corporation elections, we are taking steps for holding the elections.

**Shri Promode Gogoi** :- Sir, I would like to oppose it on the simple reason that the bill had expired long back. It has been superseded 8/9 times. It means the rights of the citizens of the premier city of Guwahati have been denied for the last few years. Again, the present Government want supersession for another one year. This is most undemocratic step on the ground that it is not based on principle. When we are holding the election to the parliament and to the State Assembly, there is no ground for not holding the election of the Guwahati Municipal Corporation according to time schedule. Therefore, this Bill has attacked the very fundamental right of the citizens. Therefore, I oppose the Motion. At the same time, I demand that election of Guwahati Municipal Corporation should take place without any delay becasue there is no difficulty invloved in it.

**Shri Holiram terang** :- I would also like to oppose the bill. Sir, The Chief Minister has given a statement in the House, which is contradictory by itself. Today, we are getting this bill for not holding the election in Guwahati Municipal Corporation. It implies, the elections in other Corporations, Town Committees and other bodies will also not be held. This will, therefore deprive the democratic right of

the people of this city, but also the people of the whole state. So, I oppose this bill. I would request that this bill be rejected. Instead of this, the Government should announce the date for holding elections in all the Municipalities and panchayat during this present session.

**Shri Dewan Jaynal Abedin** ঃ- Sir, I also oppose the Bill. In the Statement of Objects and Reasons, it has been said " Owing to non-finalisation of General Electoral Rolls, The Elections of the Guwahati Municiapl Corpoation, which was superseded on 28.10.1982, could not be held within the maximum period of 8 (eight) years as provided by Section 425 (1) of the Guwahati Municiapl Corporation Act, 1969. Accordingly the provision under Section 425 (1) of the Guwahati Municipal Act, 1969, was amended by promulgating an Ordinance issued on 26. 10.19.90 by which the existing maximum periof of supersession of '(eight) years was modified and increased to 9 (nine ) years."

Here the objective if clear. We have seen that under the Act there is provision for supersession of the Corporation for one year at a time and for a maximum period of not more than 8 years. That means, the Guwahati Municipal Corporation has been under supersession for 8 years under some pretext or other. There are ready pretexts ; The Electoral Rolls have not been revised. Now after finalisation of the General Electoral Rolls Government cannot take any plea that there is no Rolls. But they have proposed for extending the period of supersession to 9 years. They have proposed for another supersession for one more year. Sir,.for the last 8 years the people of Guwahati city have been denied their right to franchise. Now this elected Government who have no valid grounds before them for extending the term of supersession, have come up with amendment for extending the total period of supersession by me year. Sir through you, I want a categorical assurance from the Government that to uphold the democratic rights of the people, they will hold the election as quickly as possible. If that is not done there is no necessitv of passina the Bill.

**Shri Giasuddin Ahmed** ঃ- Sir, I also oppose the Bill. Besides being most undemocratic, the amendment has been broutht on a very flimsy ground. It has been stated in the Statement of Objects and Reasons" ..... Elections of the Guwahati Miniciapl Corporation, which was superseded on 28.10.1982 could not be held within the maximum period of 8 (eight) years as provided by Section 425 (1) of the Guwahati Municipal Corporation Act, 1969. Accordingly the provision under Section 425 (1) of the Guwahati Municipal Corporation Act, 1969 was amended by promulgating and Ordinance issued on 26.10.1990." What is the fate of the Ordinance? The period was already extended up to 9 years by means of the Ordinance. So far as I know the Ordinance has not been ratified by this House. If cannot be agred that the election could not be held because of non-preparation of electoral rolls. This is a very flimsy ground. I oppose the very introduction of the Bill.

**Mr. Speaker** ঃ- There is no provision for opposing the Bill at this stage.

**Shri Giasudding Ahmed** ঃ- We can oppose any Bill at any stage; at the introduction stage also.

**Mr. Speaker** ঃ- It is not introduction stage.

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যদি সদনে ইচ্ছা কৰে তেতিয়াহ'লে ইণ্ট্ৰ'ডাকশ্যন ষ্টেজত বিৰোধিতা কৰিব পাৰে কাৰণ বিলখন হয়তো সদনত ইণ্ট্ৰ'ডিউচ কৰা ক্ষেত্ৰতেই আপত্তি থাকিব পাৰে, গতিকে ইচ্ছা কৰিলে ইণ্ট্ৰডাকশ্যন ষ্টেজতে বিৰোধিতা কৰিব পাৰে।

শ্ৰী গোলক ৰাজবংশী (মাননীয় সংসদী পৰিক্ৰমা মন্ত্ৰী ) : সদনৰ অধিকাৰ আছে, কিন্তু সদনত প্ৰিচিডেণ্টো আছে সাধাৰণতে 'ইণ্ট্ৰডাকশ্যন ষ্টেজত' অপ'জ নকৰে।

............... I think leave should be granted and at the introduction stage they may oppose the Bill.

**Mr. Speaker** ঃ- The motion is that the Minister-in-charge of the Bill be granted leave to introduce the Bill.

(voice : yes, yes)

The motion is passed and leave is granted.

**Shri Devananda Konwar**, (Minister) ঃ- Sir, I beg to introduce the Guwahati Minicipal Corporation (Amendment) Bill, 1991.

(Secretary read out the title of Bill introduced).

Mr. Speaker ঃ- Now item No. 4 Minister, panchayat & R.D.

**Shri Afzalur Rahman**, (Minister) ঃ- Sir, I beg leave to introduce the Assam Panchayati Raj (Amendment) Bill, 1991.

**Mr. Speaker** ঃ- Is it the pleasure of the House grant leave to the Minister to introduce the Assam Panchayati Raj (Amendment) Bill, 1991 ?

(voices : yes, yes.)

leave is granted. Now Minister to introduce the Bill.

**Shri Afzalur Rahman,** (Minister) : Sir, I beg to introduce the Assam Panchayat Raj (Amendment) Bill, 1991.

(Secretary read out the title of the Bill introduced).

Now item No. 5.

**Shri Golak Rajbanshi,** (Minister) ঃ- Sir, in pursuance of Rule 242 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, this Assembly do elect eleven Members of the Assembly in accordance with the

principle of Proportional representation by means of the single transferrable vote to constitute the Committee on Public Accounts which will function form the date of first formation for a term of not exceeding thirty months.

**Mr. Speaker** :- The motion that in pursuance of Rule 242 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly, this Assembly do elect eleven Members of the Assembly in accordance with the principle of proportional representation by meams of the single transferrable vote to constitute the Committee on Public Accounts which will function form the date of first formation for a term of not exceeding thirty months.

The motion is passed. The Secretary will notify the date, time and place for holding the election, if necessary.

Now item No. 6.

**Shri Golok Rajbanshi,** (Minister) :- Sir, I beg to move that this Assembly do elect eleven Members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Estimates which will function from the date of the first formation for a term of not exceeding thrity months.

**Mr. Speaker** :- The motion is that this Assembly do elect eleven Members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Estimates which will function form the date of the first formation for a term not exceeding thirty months.

The motion is passed. The Secretary will notify the date, time and place for holding the election, if necessary.

Item No 7. Shri Glolk Rajbanshi, Minister, of Parliamentary Affairs to move.

**Shri Golok Rajbanshi** (Parliamentary Affairs Minister) ঃ- Sir I beg to move that, this Assembly do elect eleven Members of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legistative Assembly to constitute the Committee on Public Undertakings which will function from the date of the first formation for a term not exceeding thirty months.

**Mr Speaker** : The motion is that this Assembly is to elect 11 Members of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on public Undertakings which will function form the date of the first formation for a term not exceeding thirty months. (The Secretary will notify the date, time and place for holding the election, if necessary).

(The motion is passed)

Item No 8. Shri Golok Rajbanshi, Minister, Parliamentary Affairs to move.

**Shri Golok Rajbanshi** (Minister, Parliamentary Affairs) ঃ- Sir I beg to move that this Assembly do elect elevan Members of the Assembly in accordance with the provision of Rule 260 D of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Welfare of Scheduled Castes and Scheduled Tribes to Function from the date of first formation for a term not exceeding thirty months.

**Mr Speaker** ঃ- The Motion is that this Assembly is to elect elevan Members of the Assembly in accordance with the provision of Rule 260 D of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Welfare of Scheduled Castes and Scheduled Tribes to

function from the date of first formation for a term not exceeding thirty months.

(The Secretary will notify the date, time and place for holding the election, if necessary).

(The Motion is passed).

Item No. 9. Shri Silvius Condpan (Minister, Employment) to move.

**Shri Silvius Condpan** (Minister) ঃ- Sir I beg to move that whereas in view of growing unemployment situation in the State of Assam, The preceding Assam Legislative Assembly felt the necessity of a Committee of the House to review the employment position of the people of the State in the Various public and private sector industries and undertakings in the State of Assam form time to time and for improving the relationship between the people and the various public sector and private sector industries and undertakings, and Whereas such Committee having been constituted with nine Members of the Assembly, nineteen reports submitted on the subject during the term of fourth, fifth, sixth, seventh and eighth Assemblies proved to be of immense benefit to the interest of the people of Assam, and Whereas this Assembly feels the necessity of having such a Committee to work in continuity for the same purpose with a view to further the interest of the people of the State in the matter of employment, this Assembly do now resolve that a Committee of the House known as Employment Review Committee be constituted with nine Members of the Assembly.

The duration of the Committee will be coterminus with the life of the Ninth Assembly and the Members of the Committee will be nominated by the Hon'ble Speaker. The speaker shall also appoint the Chairman of the Committee form amongst the nominated Members.

**Mr. Speaker** ঃ- The Motion is that " Whereas in view of growing unemployment situation in the State of Assam, the preceding Assam Legislative Assembly felt

the necessity of a Committee of the House to review the employment position of the people of the State in various public and private sector industries and undertakings in the State of Assam from time to time and for improving the relationship between the people and the various public sector and private sector industries and undertakings, and Whereas such Committee having been constituted with nine Members of the Assembly, nineteen reports submitted on the subject during the term of fourth, fifth, sixth, sevevth and eithth Assemblies proved to be of immense benefit to the interest of the people of Assam, and Whereas this Assembly feels the necessity of having such a Committee to work in continuity for the same purpose with a view to further the interest of the people of the State in the matter of employment, this Assembly do now resolve that a Committee of the House known as Employment Review Committee be constituted with nine Members of the Assembly.

The duration of the Committee will be coterminus with the life of the Ninth Assembly and the Members of the Committee will be nominated by the Hon'ble Speaker. The Speaker shall also appoint the Chairman of the Committee from amongst the nominated Members.

(Motion Passed)

Item No. 10. I have received a list of 17 amendments to the Motion of thanks to the Governor's Address.

They are : Shri Promode Gogoi
Shri Gias Uddin Ahmed.
Shri Alauddin Sarkar.
Shri Munin Mahanta,

in one group;

Shri Chandra Mohan Patowary.
**Dr. Kamala Kalita.**

Shri Nagen Sharma.

Dewan Joinal Abedin

Shri Hiteswar Deka

Shri Prafulla Kumar Mahanta

Shri Thaneswar Boro

Shri Nagen Sharma

Shri Binod Gowala

Shri Holiram Terang.

Shri Monsing Rongpi

Shri Dipendra Rongpi

Shri Zoii Nath Sharma

Shri Hitendra Nath Goswami

Shri Dilip Kumar Saikia

Dr. A. M. Mazumder

Smti. Pramila Rani Brahma

Shri Sasha Kamal Handique

Shri Nizamuddin Khan.

I now request the Hon'ble Member to move their motion one by one.

শ্ৰী প্ৰমোদ গঁগে ঃ- মাননীয় অধ্যক্ষ মহোদয়,

এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি নি যোগ দিয়া হওঁক যে :-

“কিন্তু সদনে ইয়াৰে দুখ প্ৰকাশ কৰে যে, ৰাজ্যপালৰ ভাষণত ৰাজ্যৰ বহুমুখী জ্বলন্ত সমস্যাৰ সঠিক সমাধানৰ কোনো সূত্ৰ নাই।”

২। শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :-

(১) অর্থনৈতিক কাৰ্য্যসূচী ঃ- স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ছোৱাত অসমৰ ক্ষেত্ৰত যি শোষণ আৰু বঞ্চনাৰ ইতিহাস আজি পৰ্য্যন্ত চলি আছে আৰু যাৰ পৰিণতিত একচেতীয়া পূজিবাদৰ সৃষ্টি হৈ ব্যাপক জনগনৰ দুখ দুৰ্দশা হৈছে তাকে নিৰ্মূল কৰিবলৈ অসমৰ ব্যাপক জনগনৰ স্বাৰ্থত অসমৰ সকলো সম্পদৰাজিৰ ওপৰত অসমৰ ৰাইজৰ দ্বাৰা নিৰ্ব্বাচিত চৰকাৰৰ সম্পূৰ্ণ অধিকাৰ তথা কৰ্ত্তত্ব সাব্যস্ত হওঁক।

(২) আইন শৃংখল ঃ- চৰকাৰে ঘোষণা কৰা সমূহীয়া ক্ষমাদান বাস্তৱ সন্মত হ'ব লাগে। আৰু এটা সুস্থ পৰিবেশ সৃষ্টিৰ বাবে আলফাৰ ওপৰত থকা নিষেধাজ্ঞা শীঘ্ৰে উঠাই ল'ব লাগে।

(৩) ভূমি নীতি ঃ- ভূমি নীতিৰ আমূল সংস্কাৰৰ জৰিয়তে অসমৰ নীপিড়িত জনসাধাৰণক ভূমিৰ অধিকাৰ লাভ কৰাটো সুনিশ্চিত কৰিব লাগে।

(৪) সমূহীয়া কল্যাণ ঃ- চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী অনুস্থান প্ৰতিস্থানত নিযুক্তিৰ আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ বাবে জলপানী আৰু অন্যান্য সা-সুবিধা ভাষা আৰু ধৰ্ম্মৰ ভিত্তিত নকৰি অৰ্থনৈতিক ভিত্তিতহে কৰিব লাগে।

(৫) খোৱা পানী ঃ- অসমৰ ব্যাপক ৰাইজক বিশুদ্ধ পানী যোগানৰ বাবেই প্ৰতিখন গাওঁত পাইপ চিষ্টেমৰ সহায়ত পানী যোগানৰ ব্যৱস্থা কৰিব লাগে।

(৬) শিক্ষা ঃ- আটাইবোৰ ভেন্সাৰ প্ৰাথমিক বিদ্যালয় কে ধৰি ভেন্সাৰ এম, ই আৰু হাইস্কুল প্ৰাদেশীকৃত কৰিব লাগে। আৰু যি সমূহ গাও অঞ্চলত এতিয়াও কোনো শিক্ষানুস্থান প্ৰতিষ্ঠিত হোৱা নাই বা ইতিমধ্যে একে কাৰণতে যি সমূহ ঠাইত ৰাইজে শিক্ষানুষ্ঠান স্থাপন কৰিছে সেই সমূহত চৰকাৰী অনুমতি আৰু লগতে পৰ্য্যায়ক্ৰমে প্ৰাদেশীকৃত কৰাৰ ব্যৱস্থা কৰিব লাগে।"

৩। ডা: কমলা কলিতা

শ্ৰী নগেন শৰ্ম্মা ঃ- এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবৰ ৰহমানে প্ৰস্তাব কৰা ৰাজপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওক যে :-

"কিন্তু অসম বিধান সভাই তলত দিয়া বিষয়বোৰ ৰাজ্যপালে ভাষণত উল্লেখ নকৰাৰ কাৰণে দুখ প্ৰকাশ কৰে।

(১) ৰাজ্যখনৰ বৰ্ত্তমানৰ আইন শৃংখলা পৰিস্থিতিৰ বৰ্তমানৰ অৱস্থা প্ৰকাশ নকৰাত।

(২) চৰকাৰী বা বেচৰকাৰী নিয়োগৰ ক্ষেত্ৰত ৰাজহুৱা নীতি ঘোষনা।

(৩) মূল্যবৃদ্ধি ৰোধ আৰু শক্তিশালী ৰাজহুৱা বিতৰণৰ ব্যৱস্থাৰ ঘোষনা।"

**(৪) শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ-** এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাবৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওক যে :-

"(১) কোঁচ, ৰাজবংশী, মটক, মৰান চুতীয়া, চাহ জনজাতি আৰু প্ৰাক্তন চাহ জনজাতিৰ অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠিয়াব লাগে।

(২) ৰাজ্যখনৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ কেন্দ্ৰীয় জল আয়োগৰ ওচৰত দাখিল কৰা বিভিন্ন গৰাখহনীয়া প্ৰতিৰোধ আঁচনিবোৰ অনুমোদন জনাবলৈ কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিব লাগে।

(৩) ৰাজ্য চৰকাৰে প্ৰস্তাৱ কৰা সাধাৰন প্ৰস্তাৱটো কাৰ্য্যকৰী কৰা।"

৫। দেৱান জয়নাল আবেদিন ঃ-

এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধন প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :-

"কিন্তু দু:খিত যে চৰকাৰে এই বছৰ ৰাজ্যখনৰ বিভিন্ন ঠাইত বিশেষকৈ দক্ষিণ শালমাৰা, মাজুলী, মৰিগাওঁ- আদি ঠাইত হোৱা প্ৰলয়ংকাৰী বানপানী আৰু বিধ্বংসী খহনীয়া প্ৰতিৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে আৰু এইবিলাক ঠাইত বানপীড়িত আৰু খহনীয়া পীড়িত লোকলৈ উপযুক্ত সাহাৰ্য্য আৰু পূৰ্ণবাসন দিবলৈ ব্যৰ্থ হৈছে সেই

সম্পৰ্কে ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।"

৬। শ্ৰী হিতেশ্বৰ ডেকা ঃ- এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :-

"ৰাজ্যপালৰ ভাষণৰ পৰা (১) আইন-শৃংখলা (পৃষ্ঠা নং ১), (২) শিক্ষা- (পৃষ্ঠা নং ১০) আৰু (৩) অসম চুক্তি ৰূপায়ণ (পৃষ্ঠা নং - ১৩) খণ্ড কেইটা বিলুপ্ত কৰা হওঁক।"

এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :-

"আজি ১৯৯১ চনৰ জুলাই মাহৰ ৩০ তাৰিখে সদনত ৰাজ্যপাল মহোদয়ে অনুগ্ৰহ কৰি দিয়া ভাষণৰ কাৰণে এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য সকল ৰাজ্যপালৰ ওচৰত কৃতজ্ঞ আৰু ধন্য। কিন্তু আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰ শোচনীয় ভাবে ব্যৰ্থ হোৱা সম্পৰ্কত ৰাজ্যপাল মহোদয়ৰ ভাষণত প্ৰত্যক্ষতাৰে উল্লেখ নথকাত দুখ প্ৰকাশ কৰে।"

Mr. Speaker ঃ- Shri Holi Ram Terang.

Shri Holiram Terang - Shri Monsing Ronpi will move sir.

**Shri Monsing Rongpi** ঃ-- Mr. Speaker Sir, I beg to move that at he and of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added :-

" But regrets that there is no specific policy of granting general Amnesty to political prisoners and there is no mention about the creation of Autonomous State and Bodoland."

Mr. Speaker ঃ Shri Zoii Nath Sarma to move.

৯। **শ্ৰী জয়নাথ শৰ্ম্মা:** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালক ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওক যে :-

"(১) কিন্তু অসমত প্ৰচলিত হৈ থকা সকলো ক'লা আইন উঠাই লোৱা সম্পৰ্কত কোনো কথা ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নথকাত সদনে দুখ প্ৰকাশ কৰে।

(২) মুখ্যমন্ত্ৰী মহোদয়ে তেখেতক এটা বিশেষ সংগঠনে "মিছলীয়া" বুলি আখ্যা দিয়াৰ পিচতো চৰকাৰে বা মুখ্যমন্ত্ৰী মহোদয়ে নিজে এই সম্পৰ্কত প্ৰতিবাদ কৰা বিষয়টো ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নথকাত সদনে দুখ প্ৰকাশ কৰে।

(৩) ৰাজ্যপাল মহোদয়ৰ ভাষণত ৫ বছৰত দহ লাখ নিবনুৱাক সংস্থান দিব বুলি উল্লেখ কৰি নিয়োগ নীতি বা কৰ্ম সংস্থাপনৰ প্ৰক্ৰিয়া সম্পৰ্কে স্পষ্ট একো উল্লেখ নথকাত সদনে গভীৰ দুখ প্ৰকাশ কৰে।

(৪) ৰাজ্যখনত চলি থকা চৰকাৰী নৰহত্যা সম্পৰ্কত একো বিষয় ৰাজ্যপালৰ ভাষণত উল্লেখ নথকাত সদনে চৰকাৰক গৰিহনা দিয়ে।

(৫) অসম চুক্তি ৰূপায়ন শীৰ্ষক বিষয়ত অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়িধীকৰনৰ দ্বাৰা) চিনাক্তকৰণ আইনখন বাতিল কৰনৰ বিষয়টো উল্লেখ নথকাত সভাই দুখ প্ৰকাশ আৰু চৰকাৰক তীব্ৰ গৰিহনা দিয়ে।

(৬) ৰাজ্যপালৰ ভাষণত ৰাজ্যপাল মহোদয়ে বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাইজৰ মাজত প্ৰকাৰন্তে বিভেদৰ সৃষ্টি কৰিব বিচৰাত সদনে দুখ প্ৰকাশ কৰে।"

১০। **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী:** মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথা খিনি যোগ দিয়া হওক যে :-

(ক) অসমত বৰ্ত্তমানে প্ৰচলিত সকলো কলা আইন :

(১) সন্ত্ৰাসবাদ নিবাৰক নিৰোধ আইন (Terrorist and Disruptive Activities (Preventive Act, 1987).

(২) ১৯৫৫ চন অসম অশান্ত অঞ্চল আইন (Disturbed Areas Act, 1955)

(৩) সামৰিক বাহিনী (বিশেষ ক্ষমতা প্ৰদান) আইন, ১৯৫৮ (Armed Forces Special Powers Act, 1958 ) শীঘ্ৰে প্ৰত্যাহাৰ কৰিব লাগে।

(খ) বানপানী সমস্যা সমাধানৰ অৰ্থে সোৱণশিৰী প্ৰকল্প ৰূপায়নত ৰাজ্য চৰকাৰে আগভাগ ল'ব লাগে।

(গ) অসমৰ বিভিন্ন জনগোষ্ঠীৰ ক্ষোভ দূৰ কৰাৰ অৰ্থে চৰকাৰৰ দৃষ্টিভঙ্গী স্পষ্টকৈ দাঙি ধৰিব লাগে।

যিহেতু ৰাজ্যপালৰ ভাষণত ওপৰোক্ত বিষয়ৰ উল্লেখ - আইন শৃঙ্খলা, বানপানী, কল্যাণ (Welfare) শিতানত সম্পূৰ্ণ ভাৱে নাই গতিকে ওপৰত অনা সংশোধনী ৰাজ্যপালৰ ভাষণত অনাৰ বাবে এই প্ৰস্তাব মই ডাঙি ধৰিলো।"

১১। শ্ৰী দিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমানে প্ৰস্তাবিত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাবৰ সংশোধনত প্ৰস্তাবৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :

"ৰাজ্যপালৰ ভাষণত ভূমি সংস্কাৰ আৰু চৰ উন্নয়ণ (পৃষ্ঠা ৭ আৰু ১০) শিতানত পূৰ্ববঙ্গৰ পৰা অহা শৰণাৰ্থীক আৰু চৰ অঞ্চলৰ ৰাইজক ম্যাদী পট্টা দিয়াৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত উক্ত লোক সকলৰ ভাৰতীয় নাগৰিকত্ব প্ৰমাণ পত্ৰৰ অবিহনে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা ৰদ কৰিব লাগে। নাগৰিকত্ব প্ৰমাণ পত্ৰ অবিহনে কোনো ক্ষেত্ৰতে ই চৰকাৰৰ দ্বাৰা ভূমি সংস্কাৰ ও চৰ উন্নয়ন শিতানত ম্যাদী পট্টা দিয়া নহ'ব।

**12. Dr. Abdul Matin Mazumder:** Mr. Speaker Sir, That at the end of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added :-

" Immediate flood protection measures in Borak Valley would be included to save crops and protect population from poverty and hunger."

**13. Shri Parameswar Brahma:** Mr Speaker Sir, That at the end of the Motion

of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added :-

"Regret with strong protest that the Governor's Address failed to mention-

1) the Government policy how to solve the burning Bodoland issue.

2) to vacate Gauhati High Court's stay order on the operation of Three Man Expert Committee."

Mr. Speaker: Now Shri Karendra Basumatary :

**14. Shri Karendra Basumatary:** Mr. Speaker Sir, That at the end of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added :-

"Regret that the Governor's Address failed to mention the location of Central University which ABSU is demanding at Kokrajhar."

**15. Shri Kamal Brahma:** Mr. Speaker Sir, That at the end of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added :-

"Governor's Address failed to mention the policy of State Government about unconditional release of Bodo detenus."

Mr. Speaker : Now, Mrs. Pramila Rani Brahma to move , -

**Mrs. Pramila Rani Brahma :** Sir, I beg to move that at the end of the Motion of Thanks on the Governor's address moved by Shri Muzibur Rahman the following be added, - "Regret that Governor's address failed to mention about the flood and land erosion of Aai, and Sankosh river and roads and communication".

**শ্ৰী নিজামুদ্দিন খান:** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়াই প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক যে :-

(১) ৰাজ্যখনৰ আইন শৃঙ্খলা আৰু শান্তি স্থাপনেৰে সাধাৰণ নাগৰিকৰ জীৱন আৰু সম্পত্তি ৰক্ষাত চৰকাৰ বিফল হৈছে আৰু পন বন্দী সকলৰ মুক্তিৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।

(২) সম্প্ৰতি গোটেই ৰাজ্যজুৰি হোৱা প্ৰলয়ংকাৰী বানপানী আৰু গড়াখহনীয়াত গৃহহীন লোক সকলক সাহাৰ্য্য আৰু পুৰ্ন সংস্থাপন দিয়াত চৰকাৰ ব্যৰ্থ হৈছে।

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি যোৱা কালি পাঁচটা ৰাজনৈতিক দলে আবেদন দিছিলো। সেই সম্পৰ্কে কি সিদ্ধান্ত লোৱা হ'ল আমাক জনালে ভাল হয়।

Mr. Speaker : Now, Mr. Mujibur Rahman will Speak the Moved Motion. -

শ্ৰীমুজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত দুষাৰমান ক'বলৈ বিচাৰিছো। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষনত নিৰ্ব্বাচনৰ লগতে ৰাষ্ট্ৰপতিৰ শাসনৰ কালচোৱাত শান্তিপূৰ্ণ ভাৱে যে নিৰ্ব্বাচন হৈ যায় তাৰ কথাও উল্লেখ আছে। এই কথাখিনি ৰাজ্যপালৰ ভাষণত উল্লেখ থকা বাবে তেখেত ধন্যবাদৰ পাত্ৰ। ইয়াৰ লগতে তেখেতৰ ভাষনত আইন-শৃঙ্খলাৰ কথাও উল্লেখ আছে।

অধ্যক্ষ মহোদয়, এই খিনিতে মই বিগত সময় চোৱাত যি সকলে শাসনৰ গাদীত বহিছিল তেখেত সকলৰ কথা অলপমান ক'বলৈ খুজিছো। আইন শৃঙ্খলাৰ ক্ষেত্ৰত যি শোচনীয় পৰিস্থিতিয়ে দেখা দিছে তাৰ বাবে বিগত চৰকাৰেই দায়ী। অ, গ, প, চৰকাৰৰ সোনৰ অসম গঢ়িব খোজা সকলে সোনৰ অসম গঢ়াৰ নামত নিজৰ বাবেহে বাৰী, গাড়ী, ধন-সম্পত্তি কৰি ল'লে। সোনৰ অসম গঢ়া নহ'ল। আইন শৃঙ্খলাৰ নামত এতিয়া হুলস্থুল লগোৱা সকলৰ দিনতেই ই শোচনীয় ৰূপ লয়। আলফাৰ সৃষ্টি তেওঁলোকৰ দিনতেই হৈছে। এতিয়া ঘৰিয়ালৰ চকুপানী টুকিছে। বৰ্ত্তমান চৰকাৰৰ দিনত দুই এটা ঘটনা নঘটা নহয়। এই পৰিপ্ৰেক্ষিতত তেখেত সকলে মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত যি বিলাক কথা ডাঙি ধৰিছে, সেইবিলাক মিছা। (সদনত হুলস্থুল লাগে)

**শ্ৰী জয়নাথ শৰ্ম্মা :** মাননীয় অধ্যক্ষ মহোদয়, মিছা শব্দটো প্ৰয়োগ কৰা উচিত হোৱা নাই। এই শব্দটো আনপাৰ্লিয়ামেণ্ট (গন্দোগোল) তাৰ পৰিবৰ্ত্তে মাননীয় সদস্য গৰাকীয়ে অসত্য শব্দ ব্যৱহাৰ কৰিব লাগে।

**শ্ৰীমুজিবুৰ ৰহমানঃ** অধ্যক্ষ মহোদয়, মিছা শব্দটো উঠাই লৈ অসত্য শব্দটো কৈছো। কিন্তু তেখেত সকলৰ দিনত বহুতো ঘটনা ঘটিছিল। আলফা সম্পৰ্কে বিভিন্ন সমস্যাৰ কথা উল্লেখ হৈছে। এই সকলো বিলাক কথা মুখ্য মন্ত্ৰী ডাঙৰীয়াই বক্তব্যত ডাঙি ধৰিছে। তেখেত সকলে কৈছে যে চৰকাৰী সন্ত্ৰাস বন্ধ কৰিব লাগে কিন্তু বিগত চৰকাৰৰ দিনতো সন্ত্ৰাস হৈছিল। ইয়াৰোপৰি তেখেত সকলে পুলিচী নিৰ্য্যাতন বন্ধ কৰা কথাও উল্লেখ কৰিছে। কিন্তু বিগত চৰকাৰৰ দিনতে ১২৪ জন বড়ো মানুহৰ মৃত্যু হৈছিল। আনহাতে আঠশ ৫৫ জনী নাৰী ধৰ্ষনৰ ঘটনাও ঘটিছিল। এই বিলাক মিছা কথা নহয়। (সদনত আকৌ হূলস্থূল হয়) আমাৰ চৰকাৰৰ সময় আছে, পাঁচ বছৰ যথেষ্ট সময়। আইন শৃঙ্খলা উন্নত কৰাৰ বাবে আমাৰ চৰকাৰে চেষ্টা কৰি আছে।

অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা অসমৰ এটা জলন্ত সমস্যা। এইটো ৰাজ্যপাল মহোদয়ৰ ভাষণত সুন্দৰ ভাবে ব্যাখ্যা কৰা হৈছে। তেওঁলোকক কৰ্মসংস্থান দিয়া হ'ব। তেওঁলোকে নিজে নিজে কাম কৰিব। (গন্দোগোল) কৰ্ম্মসংস্থানৰ জৰিয়তে যে জীৱন নিৰ্ব্বাহ কৰিব পাৰিব এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব। ইয়াৰ লগতে পপুলেশ্বন পেটাৰ্নৰ কথাটো সংযোগ কৰা হৈছে। চাকৰিৰ ক্ষেত্ৰত বয়সৰ সীমা ৩০ বছৰৰ পৰা ৩৬ বছৰ কৰা হৈছে। এই ক্ষেত্ৰত আইন কৰা হ'ব। কিছুমান মানুহ সংকটৰ সন্মুখীন হয় আৰু তেতিয়াই তেওঁলোক ক্ষোভৰ সৃষ্টি হয়। এই বিলাক সোনকালে সমাধান কৰিব পৰা যায়, তাৰ বাবে চৰকাৰে চেষ্টা কৰিব।

অধ্যক্ষ মহোদয়, বান পানীৰ ক্ষেত্ৰত কৰিবলগীয়া যিখিনি আছে, সেই খিনি অতি গুৰুত্বপূৰ্ণ কাম। বান পানীয়ে যোৱা ১২ দিন ধৰি মৰিগাওঁত যি ভয়ানক ৰূপ ধাৰণ কৰিছিল, তাৰ কাৰণে মই আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াক লগ ধৰিছিলো। মই লগ ধৰাৰ এঘণ্টা পিছতে মৰিগাওঁত নাও ব্যৱহাৰ কৰা হৈছিল।

ৰাজ্যপালৰ ভাষণত চৰ অঞ্চলত বাস কৰা লোক সকলৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ অৰ্থে এখনি বিস্তৃত আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। লগতে চৰ অঞ্চলত যি সকল লোক বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়াৰ কাৰণে ব্যৱস্থা লোৱা বুলি উল্লেখ

কৰিছে। সেই কাৰণে ৰাজ্যপাল মহোদয় ধন্যবাদৰ পাত্ৰ। লগতে দেখা যায় যে কিছুমান অঞ্চলত বিশেষকৈ খহনীয়াৰ প্ৰকোপত নগাঁওৰ কিছুমান ঠাইৰ মাটি শোণিতপুৰলৈ গুচি যায় আৰু ইয়াৰ কাৰণে সেই অঞ্চলৰ মানুহে বিশেষ অসুবিধা ভোগ কৰিবলগীয়া হয়। গতিকে এই অসুবিধা বিলাক দূৰ কৰাৰ উপৰিও চৰ চাপৰিত যি সকল লোক বাস কৰি আছে সেই সকল লোকক যদি মাটিৰ পট্টা দিয়ে তেনেহ'লে তেওঁলোক নিশ্চয় উপকৃত হ'ব। চৰ অঞ্চলত বাস কৰা লোক সকলৰ অৰ্থনৈতিক দিশত কথাটোও ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও যি সকল দুখীয়া লোক আছে তেওঁলোকক দুটকা কেজিত চাউল দিয়া হ'ব বুলিও উল্লেখ কৰা হৈছে। লগতে বৃদ্ধকালীন পেঞ্চন দিয়া কথাটোও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। সহায়হীন বিধবা সকলক মাহিলী পেঞ্চন দিয়া হ'ব আৰু তেওঁলোকক তাঁত শালৰ যোগান ধৰা হ'ব বুলিও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। যি সকল লোকে পেঞ্চন পোৱা নাই সেই সকলো লোকককে পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হয়। গতিকে এই ক্ষেত্ৰতো ৰাজ্যপাল মহোদয় ধন্যবাদৰ পাত্ৰ। ভূমি সংস্কাৰৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে যি সকল দুখীয়া আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক চৰ-চাপৰি আৰু খাচ মাটিত বসবাস কৰি আছে আৰু তেওঁলোকৰ যি সকলৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু তেওঁলোকে যাতে মালিকীস্বত্ব লাভ কৰিব পাৰে সেইটোও ব্যৱস্থা কৰিব লাগে। অৱশ্যে এইক্ষেত্ৰত যিবিলাক আসোঁৱাহ আছে সেই আসোঁৱাহ বিলাক উঠাই লোৱা হ'ব বুলি ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। গতিকে এইক্ষেত্ৰতো ৰাজ্যপাল মহোদয় ধন্যবাদৰ পাত্ৰ। কৃষিৰ ক্ষেত্ৰত কৃষিক উদ্যোগ হিচাবে লৈ যাতে যুবক সকলে নিজকে প্ৰতিস্থিত কৰিব পাৰে এইকথাখিনি সন্নিবিষ্ট কৰাৰ কাৰণেও ৰাজ্যপাল মহোদয় ধন্যবাদৰ পাত্ৰ। পঞ্চায়ত আৰু সমবায়ৰ ব্যৱস্থাক উন্নত আৰু শক্তিশালী কৰি তোলাৰ কাৰণে ইয়াত স্পষ্ট ভাৱে উল্লেখ কৰা হৈছে। ইয়াত পঞ্চায়তৰ নিৰ্ব্বাচনৰ কথাটো উল্লেখ কৰা আৰু এশ দিনৰ ভিতৰতেই নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ কথা কোৱা হৈছে। ইতিমধ্যে এই প্ৰক্ৰিয়া আৰম্ভ কৰাও হৈছে। লগতে পঞ্চায়তৰ কৰ্মচাৰী বিলাকৰ বহুতো অভাৱ অভিযোগ আছে। সেই অসুবিধা বিলাক দূৰ হ'লে আৰু চাকৰিয়াল সকলৰ নিৰাপত্তা আহিলে তেওঁলোকে ৰাইজৰ সেৱা কৰাত নিশ্চয় সুযোগ পাব। চৰ অঞ্চলত বসবাস কৰা লোকসকলৰ খোৱাপানী, স্বাস্থ্য, যাতায়ত, শিক্ষা ইত্যাদিৰ ক্ষেত্ৰত বহুতো অসুবিধা আছে। সেই অসুবিধা খিনি দূৰ কৰিব পাৰিলে তেওঁলোক নিশ্চয় উপকৃত হ'ব। শিক্ষাৰ ক্ষেত্ৰত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়াকৈ দুপৰীয়াৰ আহাৰ আৰু ইউনিফৰ্ম দিয়া হ'ব বুলি উল্লেখ কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত

অন্যান্য অঞ্চলতকৈ চৰ অঞ্চলত বসবাস কৰা লোক সকল বহুত পিচ পৰি আছে। চৰ অঞ্চলত বহুতো ভেনচাৰ স্কুল আছে। যোৱা পাচ বছৰত চৰ অঞ্চলত এখনো স্কুল চৰকাৰী কৰণ হোৱা নাই। গতিকে এতিয়া এই স্কুল বিলাক চৰকাৰী কৰণ কৰিলে গাওঁবাসী ৰাইজ নিশ্চয় উপকৃত হ'ব। কাৰিকৰী শিক্ষাৰ সম্প্ৰসাৰণ ঘটোৱাৰ কথাটোও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো চৰ অঞ্চলৰ লোক সকল বহুত পিচ পৰা। গতিকে এইক্ষেত্ৰতো সু-ব্যৱস্থা ল'লে নিশ্চয় সেই অঞ্চলৰ লোক সকল উপকৃত হ'ব। ইয়াৰ উপৰিও অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিচপৰা জাতি কল্যাণৰ কাৰণে যিবিলাক সমস্যা আছে সেই বিলাক সমাধান কৰাৰ কথাটোও উল্লেখ কৰা হৈছে। কোচ, ৰাজবংশী, মটক, মৰান, চুতীয়া আৰু চাহ জনজাতি সকলে তোলা দাবী পূৰণ কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। সেই কাৰণে মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ জ্ঞাপন কৰিছো। ভাষিক আৰু ধৰ্ম্মীয় সংখ্যালঘূ সকলৰ স্বাৰ্থ সম্পূৰ্ণৰূপে সুৰক্ষিত কৰা হ'ব বুলি ইয়াত উল্লেখ কৰা হৈছে। কিছুমান লোকে ৰাজনৈতিক স্বাৰ্থ পূৰণৰ কাৰণে সাম্প্ৰদায়িক সংঘৰ্যৰ সৃষ্টি কৰাও দেখা যায়। গতিকে এই সাম্প্ৰদায়িক সংঘৰ্ষ যাতে হ'ব নোৱাৰে তাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ভাষিক আৰু ধৰ্ম্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ মেধাবী ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা লাভৰ জলপানী দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলিও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। লগতে এই সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ নিযুক্তিৰ ক্ষেত্ৰত সংৰক্ষণ দিবলৈ চেষ্টা কৰা হ'ব বুলিও উল্লেখ কৰা হৈছে আৰু সংখ্যালঘু উন্নয়ন পৰিষদখন সংখ্যালঘু আয়োগলৈ উন্নীত কৰা হ'ব বুলিও ইয়াত উল্লেখ কৰা হৈছে। উন্নয়নৰ ক্ষেত্ৰত আমাৰ চৰকাৰে নিশ্চয় কিবা পৰিবৰ্ত্তন সাধন কৰিব বুলি আমি আশা ৰাখিছো। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে অসম চুক্তিত যিখিনি কথা সন্নিবিষ্ট কৰা হৈছে সেইখিনি নিষ্ঠা সহকাৰে পালন কৰিব বুলি কোৱা হৈছে। চুক্তি এটা মিউজিক চেয়াৰৰ সৃষ্টি কৰা হৈছে। সেইটো যাতে নহয় তাৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। চুক্তিৰ ক্ষেত্ৰত সকলো বিলাক কথা ৰূপায়ণ কৰিব বুলি উল্লেখ কৰিছে। সীমা বিবাদৰ ক্ষেত্ৰত ওচৰ চুবুৰীয়া যিবিলাক ৰাজ্য আছে তেওঁলোকৰ লগত নিস্পত্তি কৰাৰ কাৰণে আমাৰ চৰকাৰে চেষ্টা চলাব। দ্বিপাক্ষিক আলোচনাৰ জৰিয়তে ওচৰ চুবুৰীয়া ৰাজ্যকেইখনৰ সৈতে থকা সীমা বিবাদবোৰ নিস্পত্তি কৰাৰ বাবে প্ৰচেষ্টা চলাব বুলি ইয়াত উল্লেখ কৰা হৈছে। গতিকে এই সকলো বিলাক কথা ইয়াত সন্নিবিষ্ট কৰাৰ কাৰণে ৰাজ্যপালৰ ভাষণৰ ওপৰত

মই যোৱাকালি যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছিলো সেইটো আকৌ দোহাৰিছো। মিছা শব্দটো ভুলতে কোৱাৰ কাৰণে সেই শব্দটো উঠাই লৈছো আৰু তৰা ঠাইত অসত্য শব্দটো ব্যৱহাৰ কৰিব লাগে বুলি কৈ মোৰ ভাষণৰ ইমানতেই সামৰণি মাৰিলো।

**শ্ৰী জয়নাথ শৰ্ম্মা** ঃ- চাৰ, পইণ্ট অব অৰ্ডাৰ। মাননীয় সদস্য গৰাকীয়ে যোৱাকালিৰ প্ৰস্তাৱটো আছিল "মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ দ্বাৰা মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু নিয়মাৱলীৰ ১৪ নং নিয়ম অনুসৰি আজি সদনত ব্যক্ত কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত নিম্নোলিখিত ধন্যবাদ সূচক প্ৰস্তাৱ উৎথাপন কৰিলো। 'আজি ১৯৯১ চনৰ জুলাই মাহৰ ৩০ তাৰিখে সদনত ৰাজ্যপাল মহোদয়ে অনুগ্ৰহ কৰি দিয়া ভাষণৰ কাৰণে এই অধিবেশনত মিলিত হোৱাৰ অসম বিধান সভাৰ সদস্য সকল ৰাজ্যপালৰ ওচৰত কৃতজ্ঞ আৰু ধন্য।' তেখেতে এবাৰো আমি কি কাৰণত কৃতজ্ঞ হ'ব লাগে সেই কথাটো নক'লে। Why should be grateful, নাই কোৱা।

**শ্ৰী হিৰণ্য বৰা** ঃ- মাননীয় সদস্য গৰাকীয়ে কৃতজ্ঞ হ'ব লাগে বুলি কৈছে।

**শ্ৰী জয়নাথ শৰ্ম্মা** ঃ- আমি কি কাৰণত কৃতজ্ঞ হ'ব লাগে সেই কথাটো কোৱা নাই। ৰাজ্যপালৰ ভাষণত অসত্য তথ্য আছে আৰু সেই ভাষণৰ ওপৰত আমি কি কাৰণত কৃতজ্ঞ হ'ব লাগে তেখেতে সকিয়াই দিব লাগে।

**Mr. Speaker** ঃ- Order, Order, I have received a notice from six hon'ble members of this House. They intend to visit Dipila Chawk. I agree to it. The modelaties will be fixed and informed later.

**Shri Giasuddin Ahmed** ঃ- Sir, we requested that a team of the House should visit the place and not the signatories of the notice only.

শ্ৰীজয়নাথ শৰ্মা ঃ- গোটেই ঘটনাটো চাবৰ কাৰণে আপোনাৰ নেতৃত্বত হাউচৰ পৰা এটা কমিটি যাব লাগে।

মাননীয় অধ্যক্ষ ঃ- মোৰ নেতৃত্বত নহয়। হাউচৰ পৰা যাব লাগে।

As I told you earlier that modelaties will be decided later on.

**Now I request the prime mover of the motion, Hon'ble member Shri Promode Gogoi to deliver his speech.**

**শ্ৰীপ্ৰমোদ গগৈ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অসমৰ পৰিস্থিতি সম্পৰ্কে বা ইয়াৰ সমস্যা বিলাক সমাধানৰ ক্ষেত্ৰত কোনো স্পষ্ট নীতি ডাঙি ধৰা নাই। ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো বিবৃতি দিছে তাত আমাৰ ৰাজ্যখনৰ আইন শৃঙ্খলা ব্যৱস্থা কেনেকুৱা হৈছে সেইটো স্পষ্ট ভাৱে ফুটি উঠিছে। অধ্যক্ষ মহোদয়, অসমত প্ৰত্যেক দিনে কিছুমান সংগঠনে মানুহক অপহৰণ কৰিছে, প্ৰত্যেক দিনে অনেক মানুহ মৃত্যুৰ মুখত পৰিছে। তাতকৈ ডাঙৰ কথা হৈছে যে যোৱা কেইদিনত বিশেষকৈ ২৩ তাৰিখৰ পিচৰ পৰা যদি চায় তেতিয়াহ'লে দেখা যাব যে এনেকুৱা কিছুমান সামৰিক বাহিনীৰ অত্যাচাৰ হৈছে যে অসমত তেনেকুৱা ধৰণৰ অত্যাচাৰ ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল। এই বিলাক কোনে কৰিছে? যি চি, আৰ, পি আৰু বি, এচ, এফ বাহিনী আইন শৃঙ্খলা ৰক্ষা কৰাৰ কাৰণে চৰকাৰে নিয়োগ কৰিছে সেই চি, আৰু, পি আৰু বি, এচ, এফ বাহিনীয়ে অসমৰ জীয়ৰী-বোৱাৰীক ধৰ্ষণ কৰিছে। আজি কিছু দিন আগতে শিৱ সাগৰ নগৰৰ মাজ মজিয়াত ৪ জন চি, আৰ, পিয়ে বিনা চেতীয়া নামৰ ছোৱালী এজনীক মটৰ গাড়ীৰে গৈ থাকোতে গাড়ী চেক কৰাৰ নামত লৈ গৈ ধৰ্ষণ কৰিছিল।

অধ্যক্ষ মহোদয়, তেতিয়া যি পৰিস্থিতি হ'ল সেই পৰিস্থিতি নিয়ন্ত্ৰন কৰাৰ কাৰণে তেতিয়াৰ প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰিবলগা হৈছিল। অকল শিৱসাগৰতে নহয়, আজি চেণ্টিনেল কাগজত প্ৰকাশ পাইছে যে, জুলাই মাহৰ ২৭ তাৰিখৰ দিনা বি, এচ, এফ বাহিনীয়ে আব্দুল নুৰ আৰু তেওঁৰ পৰিবাৰক গুলিয়াই হত্যা কৰা হৈছে। পৰিবাৰ ৰহিমক বি, এচ, এফৰ জোৱানে ধৰ্ষণ কৰিছে। ইয়াৰ পৰা স্পষ্ট হয় যে, অসমত যিবিলাক বাহিনীৰ দ্বাৰা অসম চৰকাৰে আইন শৃংঙ্খলা ৰক্ষা কৰিবলৈ বিচাৰিছে সেই সকলে আজি অসমত নিৰ্য্যাতন চলাইছে। অধ্যক্ষ মহোদয়, দৰং জিলাৰ দিপিলাত বি,এচ,এফ বাহিনীয়ে যি ৫ জন লোকক গুলিয়াই হত্যা কৰিলে সেই সম্বন্ধে সদন কমিটি কৰাৰ বাবে যি সিদ্ধান্ত আপুনি লৈছে তাৰ বাবে আপোনাক ধন্যবাদ দিছো। তদন্তৰ পিচত সেই কথা আমি গম পাম। তাৰোপৰি অধ্যক্ষ মহোদয়, ডাঙৰ কথা হৈছে যে অসমত প্ৰশাসনিক যি সকল বিষয়া আছে, অসমৰ প্ৰশাসনৰ যিসকল মূৰব্বী আই,এ,এচ বিষয়া সেই সকলো চৰকাৰৰ ওপৰত অসন্তুষ্ট। সিদিনা চেণ্টিনেল কাগজত প্ৰকাশ হৈছে যে, ২৪ জুলাই

তাৰিখে আই,এ,এচ বিষয়া সকলে এখন সভা পাতিছিল আৰু সেই সভাত সভাপতিত্ব কৰিছিল অতিৰিক্ত মুখ্য সচিবে। সেই সভাত তেওঁলোকে ৰাজ্য চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিছে। কাগজত প্ৰকাশ হোৱা মতে ৰিপেৰ্টিত কোৱা হৈছে যে, অসম চৰকাৰৰ বৰ্ত্তমান যিটো নেকি অৱস্থান সেই অৱস্থানত তেওঁলোক সন্তুষ্ট নহয়। তেওঁলোকৰ ৰিজলিউচনত প্ৰকাশ কৰিছে যে, অসম চৰকাৰক তেওঁলোকে দাবী কৰিছে যে,

.............. A delegation of officers be sent to call on the President of India, the Prime Minister, the Union Home Minister, the Union Home Minister and the Cabinet Secretary and others to apprise them of the strong feelings of the Association...............

অধ্যক্ষ মহোদয়, অকল সেইটোৱেই নহয়, তেওঁলোকে সিদ্ধান্ত কৰিবলগা হৈছে যিবিলাক প্ৰশাসনিক বিষয়াই আমাৰ ৰাজ্যখন পৰিচালনা কৰিছে তেওঁলোকে এইটো উল্লেখ কৰিছে যে, তেতিয়াৰ যি গৃহ আয়ুক্ত আছিল তেওঁৰ সন্মতি নোহোৱাকৈ তেওঁৰ নামত বাতৰি কাকতত এটা বিজ্ঞাপন প্ৰকাশ কৰিছে য'ত কোৱা হ'ল যে, যিসকলে গোপন খবৰ দিব পাৰিব তেওঁলোকৰ বিষয়ে চৰকাৰে গোপনে ৰাখিব। ইয়াৰ প্ৰতিবাদো গৃহ আয়ুক্তজনে কৰিবলগা হৈছে। সেইকাৰণে অধ্যক্ষ মহোদয়, অসমৰ প্ৰশাসন আৰু আইন শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত যি পৰিস্থিতিৰ উদ্ভৱ হৈছে তাৰ দ্বাৰা অসমত আইন শৃঙ্খলা আছে বুলি ক'ব নোৱাৰি। প্ৰত্যেক দিনাই নাৰীধৰ্ষণ, মানুহ অপহৰণ, বিভিন্ন ঠাইত মানুহ হত্যা কৰা হৈ আছে। এই ক্ষেত্ৰত অসম চৰকাৰৰ যি ব্যৰ্থতা সেই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হোৱা নাই। অন্যহাতে আমাৰ অসমৰ যিবিলাক জলন্ত সমস্যা সেইবিলাকৰ ক্ষেত্ৰত ব্যাখ্যা কৰিব নিবিছাৰো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা** ঃ- অধ্যক্ষ মহোদয়, ইমান গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছে কিন্তু বিভাগীয় মন্ত্ৰী উপস্থিত নাই।

**শ্ৰীপ্ৰমোদ গগৈ** ঃ- অধ্যক্ষ মহোদয়, যোৱা জুলাই মাহৰ ৮ তাৰিখে অসমত যি সৰ্ব্বদলীয় মিটিং হৈছিল, সেই মিটিঙত সকলো দলে এটা কথা কৈছিল যে, অসমৰ সংযুক্ত মুক্তি বাহিনীৰ যিবিলাক দাবী তেওঁলোকে উৎত্থাপন কৰিছে আৰু তাৰ দ্বাৰা যি সমস্যাৰ সৃষ্টি হৈছে তাক আলোচনাৰ যোগেদি মীমাংসা কৰাৰ প্ৰচেষ্টা চৰকাৰে কৰিব লাগে। আৰু

তেনেকুৱা এটা পৰিবেশ তৈয়াৰ কৰাৰ কাৰণেই আমি চৰকাৰক অনুৰোধ কৰিছো যে, টাডা আইনত যিমান বিলাক বন্দী আছে সেইবিলাকক সাধাৰণ ক্ষমাদানৰ যোগেদি মুক্তি দিয়া হওঁক। বৈঠকত আমাৰ এটা ধাৰনা চৰকাৰৰ ওপৰত হৈছিল যে, চৰকাৰে তেওঁলোকক মুক্তি দিব। কিন্তু এতিয়া দেখা গ'ল যে, চৰকাৰে সাধাৰণ ক্ষমা দানৰ কথা নীতিগত ভাবে স্বীকাৰ কৰিলেও যি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে তাৰ দ্বাৰা চৰকাৰে পিচহুহুকা মৰা দেখা গৈছে। ইয়াৰ পিচত কি অৱস্থা অসমত হয় নাজানো। আজি ৩১ তাৰিখে তেওঁলোকৰ আলটিমেটামৰ শেষ দিন। আমি মুক্তি বাহিনীক দাবী কৰিছো যে, তেওঁলোকে যিসকল লোকক অপহহৰণ কৰিছে সেই লোক সকলকো মুক্তি দিব লাগে। আমি ব্যক্তি হত্যা সমৰ্থন নকৰো। অপহৰণক আমি সমৰ্থন কৰা নাই, কিন্তু ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ হ'লে এটা পৰিবেশ তৈয়াৰ কৰিব লাগিব। সেই পৰিবেশ তৈয়াৰ কৰা কাৰণে তেওঁলোকৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰক। সেই লোক সকলৰ লগত মুক্ত ভাবে আলোচনা কৰাৰ বাবে যদি সুযোগ দিয়া নহয় বা তেওঁলোকৰ লগত যোগাযোগ কৰাৰ মুক্ত পৰিবেশ নহয় তেতিয়ালৈকে এই সমস্যা আলোচনাৰ যোগেদি মীমাংসা কৰাৰ ক্ষেত্ৰত অসুবিধা হ'ব। আনহাতে আমি দুখ পাইছো যে, নিখিল বড়ো ছাত্ৰ সন্থাই অহা ১৫ আগষ্ট তাৰিখৰ পৰা এক হাজাৰ ঘণ্টাৰ বাবে বন্ধ দিয়াৰ সিদ্ধান্ত কৰিছে। তেওঁলোকৰ বড়োলেণ্ডৰ কাৰণে যি দাবী সেই দাবী আলোচনাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এখন ৩ জনীয়া বিশেষজ্ঞ কমিটি গঠন কৰিছে। কিন্তু হাইকৰ্টৰ হস্তক্ষেপৰ ফলত সেইটো বন্ধ হৈ আছে। হাইকৰ্টে ৩ জনীয়া কমিটিৰ কাম কাজ বন্ধ কৰিছে । কিন্তু কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ প্ৰক্ৰিয়া অব্যাহত ৰখাত বাধা দিয়া নাই। গতিকে কেন্দ্ৰীয় চৰকাৰেই হওঁক বা ৰাজ্য চৰকাৰ হওঁক সেই সম্পৰ্কত আলোচনাৰ বাবে উদ্যোগ নললে অসমৰ পৰিস্থিতি আৰু বেয়া হ'ব। বড়োলেন্দ সম্পৰ্কে দ্বিমত থাকিব পাৰে। কিন্তু বড়ো জনগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰা নিৰ্ব্বাচনত বড়ো জনগোষ্ঠীৰ সৰহ সংখ্যক লোকৰ সমৰ্থন লাভ কৰিছে। সেইকাৰণে আমি দাবী কৰো যে, অসমত এই পৰিস্থিতি অতিক্ৰম কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰে ততালিকে নিখিল বড়ো ছাত্ৰ সন্থাৰ লগত আলোচনা কৰক। যিটো কৰাৰ বাবে আইনৰ বাধা নাই।

অধ্যক্ষ মহোদয়, আমি আশা কৰিছো যে, অহা ১৪ তাৰিখৰ আগতেই আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হওঁক। আৰু এটা প্ৰশ্ন হৈছে যে, কাৰবি আংলং অটনমাচ ষ্টেট দিমান্দ সম্পৰ্কত আমি বাৰে বাৰে কৈছো যে, অট'নমাচ ষ্টেটৰ যিটো দাবী সেইটো

সংবিধান বিৰোধী নহয়। ভাৰতবৰ্ষৰ সংবিধানত এইটো কথা উল্লেখ আছে ২৪৪ (এ) যে সেই সকলৰ অট'নমাচ ষ্টেট হ'ব পাৰে। সেই অটনমাচ ষ্টেটৰ ক্ষমতা কিহ'ব সেই বিষয়ে পাৰ্লিয়ামেণ্টে আইন কৰিব লাগিব। এইটো সংবিধান বিৰোধী বুলি কোৱাৰ কোনো থল নাই। কাৰণ এই বিষয়ে সংবিধানত লিপিবদ্ধ আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে আন্দোলনৰ পৰ্থলৈ থেলি নিদি উদ্যোগ লৈ আলোচনাৰ যোগেদি মীমাংসা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই এইখিনিতে উল্লেখ কৰিব বিচাৰো যে, অসমৰ ৰাজনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত আলোচনাৰ প্ৰক্ৰিয়া যদি আৰম্ভ নহয়, কেৱল চি,আৰ,পি আৰু বি,এচ,এফ দি আইন শৃঙ্খলা ৰক্ষা কৰিব নোৱাৰে। আমাৰ সন্মুখতে দেখিছো যে, ১৯৪৭ চনৰ পৰা নগালেন্দত ৩ টা আৰ্মি দিভিজন ৰাখিছিল যদিও তাত শান্তি হৈছেনে? আজিও হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, সেই একেদৰেই মিজোৰামতো যোৱা ২০ বছৰ ধৰি আন্দোলন চলোৱা হৈছে। কিন্তু আলোচনাৰ মাধ্যমেৰে এই আন্দোলনৰ এটা শান্তিপূৰ্ণ পৰিবেশত মিমাংসা কৰা হৈছে। আৰু সেই কাৰণেই আজি তাত শান্তি বিৰাজ কৰিছে। আজি আমাৰ ৰাজ্যখনত আইন শৃঙ্খলা নোহোৱা হৈছে। ৰাজনৈতিক বিষয়বোৰ আমি ৰাজনৈতিক ভাবেই মিমাংসা কৰিব লাগিব। দুখৰ কথা যে এইবোৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰতিনিধিয়ে কৈছে যে ৰাজ্য পালৰ ভাষণত বড়ো সমস্যা, কাৰ্বি সমস্যা আদিৰ সমস্যাবোৰ হাঁহ কুকুৰা বিলাই দি সমাধান কৰিবলৈ বিচৰা হৈছে। কিন্তু এনেকে ৰাজনৈতিক বিষয়বোৰ সমাধান মিমাংসা কৰাটো সম্ভৱপৰ নহ'ব। সেয়ে এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। অধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা সদনক জনাব খুজিছো লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আমি এনে এটা কথা শুনিবলৈ পাইছো যে চৰকাৰে বিৰোধী পক্ষৰ প্ৰতি এটা বৈষম্যমূলক আচৰণ কৰাৰ এক ইঙ্গিত পোৱা গৈছে। এই বিষয়ে আমি মুখ্যমন্ত্ৰীক লগ কৰোতে তেখেতে এই কথা অস্বিকাৰ কৰিছে। এই সদনত তেখেতৰ সংখ্যা গৰিষ্ঠতা আছে সেইটো ঠিক কিন্তু এই সংখ্যাগৰিষ্ঠতা তেনেই কম। যদি তেখেতে ভাবে যে বিৰোধী পক্ষৰ লগত কনফ্ৰণ্টটেচনত যাও তেন্তে কনফ্ৰনটেচন হব। কিন্তু মই ভাবো চৰকাৰে বিৰোধী পক্ষক থ্ৰিটেনিং দি বা ডিচক্ৰিমিনেট নকৰি বৰ্তমান আমাৰ যিটো অৱস্থা

সেই অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমাৰ ৰাজ্যখনৰ সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত আমি সকলোৱে মিলিজুলি প্ৰচেষ্টা কৰা দৰকাৰ। এটা কথা আমি জানো যে অসমত এই চৰকাৰে বিধান সভাত ৬৫ খন আসন পাইছে এক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে কিন্তু জনসমৰ্থন এই চৰকাৰৰ নিচেই কম। এখন হৈছে ১৯৭৮ চনত হোৱা জনতা চৰকাৰ যি চৰকাৰে মাত্ৰ শতকৰা ২৭ ভাগহে জনসমৰ্থন লাভ কৰিছিল। আনখন চৰকাৰ হৈছে আজিৰ চৰকাৰ যি মাত্ৰ শতকৰা ২৯ ভাগহে জনসমৰ্থন পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰো যে ৰাজ্যখনৰ বান নিয়ন্ত্ৰণৰ সম্পৰ্কত ৰাজ্যপালৰ ভাষণত উল্লেখ আছে। কিন্তু আজি অসমত এনেকুৱা অৱস্থা হৈছে যে যদি অসমৰ বানপানী নিয়ন্ত্ৰণ, ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ ব্যৱস্থা কৰা নহয় তেন্তে অহা ১০-১২ বছৰৰ ভিতৰত অসমত এনে এটা অৱস্থাৰ সৃষ্টি হ'ব যে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰত মানুহৰ বসবাস কৰিবলৈ ঠাই নোহোৱা হব। বানপানী নিয়ন্ত্ৰণ কৰাটো অতি কঠিন সমস্যা। আমি জানো যে ব্ৰহ্মপুত্ৰ নদীৰ দৈৰ্ঘ্য ২৯০০ কিলোমিটাৰ ইয়াৰে ভাৰতবৰ্ষত ৮৯১৮ কি:মিঃ তিব্বত ১৬২৫ কি:মিঃ আৰু বাংলাদেশত পৰে ৩৫৭ কিলোমিটাৰ। আমি দেখিবলৈ পাইছো যে চৰকাৰৰ হিচাপ মতে ১৯৭৩ পৰা ১৯৮৮ চনৰ ভিতৰত বানপানীৰ ফলত অসমত লোকচান হয় ২১৯০ কোটি টকা। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যে অসমৰ বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে বিশেষকৈ ব্ৰহ্মপুত্ৰৰ পানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বুকু ড্ৰেজাৰেৰে খন্দাৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ ১৯৫০ চনৰ ভূমিকম্পৰ পিচত ব্ৰহ্মপুত্ৰৰ তলিভাগ ১০ ফুট বাম হৈ গ'ল। মথাউৰি ওখ হোৱাৰ ফলত ভাঙি গৈ ১০০ জন মানুহৰ মৃত্যু হৈছে। গতিকে মথাউৰি দিলেই বানপানী নিয়ন্ত্ৰণ নহয়। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যে ব্ৰহ্মপুত্ৰ নদীৰ তলি খন্দাৰ বাবে আৱশ্যকীয় ব্যৱস্থা অতি সোনকালে কৰিব লাগে। ১৯৭৩ চনতে অসম চৰকাৰে ব্ৰহ্মপুত্ৰৰ তলি খন্দাৰ কাৰণে দুখন দ্ৰেজাৰ কিনিছিল কিন্তু দুৰ্ভাগ্য বশতঃ সেই দুখন ১৯৭৮ চনত বিক্ৰী কৰি দিলে। আজিৰ বৈজ্ঞানিক যুগত দ্ৰেজাৰ ব্যৱহাৰৰ বাহিৰে অন্য কোনো উপায় নাই। লগে লাগে আমাৰ যিবোৰ মাল্টিপাৰপাচ প্ৰজেক্ট আছে, দিহিং শোৱনসিৰি আদি নদীত প্ৰজেক্ট আছে সেইবোৰ সম্পূৰ্ণ কৰাৰ কাৰণে চৰকাৰে মনোযোগ দিব লাগে। এই খিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে অসমৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰো দায়িত্ব কম নহয়। কিয়নো ১৯৮০ চনতে অসমৰ বান নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ বোৰ্ড

গঠন কৰে। আমি জানো কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰা বহু কোটি টকাৰ ৰাজহ পায়। অসমৰ পৰা ইমানবোৰ টকা পোৱাৰ পিচতো অসমৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কিয় টকা দিব নোৱাৰে? তাৰোপৰি আমাৰ ৰাজহুৱা খণ্ডত যিবোৰ উদ্যোগ আছে সেই উদ্যোগ বোৰেও এই ক্ষেত্ৰত চৰকাৰক সহায় কৰিব পাৰে। শেষত মাননীয় অধ্যক্ষৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মই এটা কথা ক'ব খোজো যে - অসমত যিবোৰ চাহ বাগান আছে তাৰ হেড অফিচ অসমত কিয় হ'ব নোৱাৰে? ৰাজ্যপালৰ ভাষণত এই সম্পৰ্কে উল্লেখ থকাত আমি ভাল পাইছো। ১৮৩৫ চনতে অসমত চাহ বাগিছা আৰম্ভ হয় আৰু ১৮৪০ চনৰ পৰাই ইয়াৰ পৰা লাভ আৰম্ভ হৈছে। যোৱা ১৫০ বছৰত এই চাহ উদ্যোগৰ পৰা কম টকা লাভ হৈছেনেকি? যোৱাকালি সদনত দাখিল কৰা এম্পলয়মেণ্ট ৰিভিউ কমিটিৰ ৰিপোৰ্টত দেখা গৈছে ১৯৭৯ চনত অসমৰ পৰা ৫৫৪ কোটি টকাৰ চাহ বিক্ৰী কৰা হৈছে। ইয়াৰ বাবদ প্ৰতি বছৰে ১০০ কোটি টকাকৈ লাভ হৈছে। এইদৰে চালে যোৱা ১৫০ বছৰত ইয়াৰ পৰা ১৫০০০ হেজাৰ কোটি টকা লাভ হৈছে। স্বাধীনতাৰ আগতে এই চাহ বাগনবোৰৰ মালিক আছিল বৃটিছ সকল কিন্তু এতিয়া মালিক হৈছে দেশখনৰ একচেতিয়া পুঁজিপতি সকল। স্বাধীনতাৰ আগতে আসাম টি কোম্পানীৰ হেডকোৱাটাৰ আছিল নাজিৰাত। ভাৰতবৰ্ষৰ প্ৰথম তেল উদ্যোগ স্থাপিত হৈছিল ডিগবৈত। এই তেল উদ্যোগৰ হেড কোৱাটাৰো ডিগবৈত আছিল। অ', এন, জি, চিৰ হেড কোৱাটাৰ আছে দুলিয়াজানত। গতিকে অসমত উৎপাদন হোৱা চাহৰ বা চাহ বাগানবোৰৰ হেড অফিচ কিয় অসমত পাতিব পৰা নহয়? এতিয়া দেখাত কেইখনমান চাইনবোৰ্ড হেড অফিচ বুলি লিখা আছে কিন্তু কাম ইয়াৰ পৰা নচলে।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ ভিতৰত যিমান চাহ উৎপাদন হয় তাৰ ভিতৰত শতকৰা ৫১ ভাগ চাহ অসম ৰাজ্যত উৎপাদন হয় কিন্তু অসমত অকচন চেণ্টাৰ হৈছে এটা। আমাৰ ডিব্ৰুগড় জিলাত যিমান চাহ উৎপাদন হয় - গোটেই পশ্চিম বঙ্গতহে সিমান চাহ উৎপাদন হয়। কিন্তু তাত অকচন চেণ্টাৰ দুটা কেন্দ্ৰ আছে আৰু এটা কলিকতাত আনটো শিলিগুৰীত। সেই কাৰণে মই অনুভৱ কৰিছো ৰাজ্যপালৰ ভাষণত অসমৰ এই সম্পদবোৰৰ সামগ্ৰিক ব্যৱহাৰৰ ক্ষেত্ৰত কোনো উল্লেখ নাই। ইয়াৰ ফলত অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিবেশত এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। তাক অতিক্ৰম কৰাৰ কাৰণে ব্যৱস্থা লবলৈ চৰকাৰক অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Shri Chandra Mohan Patowary Time alloted is only 6 minutes.

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসমৰ জাতীয় মৌলিক সমস্যা সমূহৰ আৰু সাম্প্ৰতিক সমস্যাসমূহৰ সমাধানৰ কোনো স্পষ্ট নীতি উল্লেখ নথকাৰ কাৰণে আমি আজি এই সংশোধনীৰ মাধ্যমেৰে অসমৰ ব্যাপক জনগণৰ স্বাৰ্থত এই সংশোধনী দাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, এটা কথা আমি সকলোৱে জানো যে আৰ্থসামাজিক দিশত অসমৰ যি সমস্যা আৰু সামৰ্থ্য, অসমত বৰ্তমান যিটো আইন শৃঙ্খলাৰ পৰিস্থিতি আৰম্ভ হৈছে আৰু তাৰ ফলত যি সমূহ পৰিস্থিতিৰ উদ্ভৱ হৈছে সেই সকলো বিলাক গুৰুত্বপূৰ্ণ ভাবে উপলব্ধি কৰিবৰ সময় উপস্থিত হৈছে। অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষ স্বাধীন হোৱাৰ লগে লগে অসমৰ জনসাধাৰণেও স্বাধীনতা পাইছিল আৰু তেতিয়াৰে পৰা দুকুৰি বছৰ কাল স্বাধীনতাৰ মূল্যবোধ কিবা পাই নেকি অপেক্ষা কৰা হ'ল যদিও অসমৰ জনসাধাৰণে এই দুকুৰি বছৰ কালৰ পিচতো স্বাধীনতাৰ মূল্যবোধ বিচাৰি একোপোৱা নাই। অৰ্থনৈতিক স্বাধীনতা নাইকীয়া হ'ল, ৰাজনৈতিক স্বাধীনতা নাইকীয়া হ'ল আনকি ব্যক্তিগত স্বাধীনতাও নাইকীয়া হ'ল। আমি আজি পৰাধীনতাৰ তলত বসবাস কৰিবলগীয়া হৈছো। এই বিষয়টো অলপ ভাবি চাবৰ সময় এতিয়াও পাৰ হৈ যোৱা নাই। এই পৰিপ্ৰেক্ষিতত অসম বিধান সভাত এটা সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰিবৰ প্ৰয়োজন হৈছে যে অসমৰ সম্পদৰাজিৰ ওপৰত সম্পূৰ্ণ কৰ্তৃত্ব আৰু অধিকাৰ ৰাজ্যখনৰ নিৰ্বাচিত চৰকাৰৰ হাতত থাকিব লাগে। কিয়নো আৰ্থসামাজিক দিশত এই সম্পদৰাজিৰ ওপৰত স্বনিয়ন্ত্ৰণ যদি নাথাকে তেতিয়াহ'লে আমাৰ মানুহৰ সুবিধাৰ কাৰণে এই সমূহ ব্যৱহৃত হ'ব নোৱাৰিব আৰু আনহাতে আমাৰ ভালেমান অসুবিধা আহি পৰিব পাৰে। দ্বিতীয় কথা মই কব বিচাৰিছো যে বিৰোধী দলৰ সদস্য সকলক লৈ যি সভা আহ্বান কৰি আলোচনা কৰা হৈছিল আৰু সেই সভাত যি আশ্বাস চৰকাৰ পক্ষৰ পৰা দিয়া হৈছিল সেই আশ্বাস পালন কৰাত চৰকাৰ পক্ষৰ পৰা বিচ্যুটি ঘটিছে। যিটো ক্ষমাদানৰ কথা আছিল সেইটোৱো কোনো বেচিচ নাথাকিল। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৭২ মতে ক্ষমাদানৰ ব্যৱস্থা আছে ৰাষ্ট্ৰপতিৰ হাতত। আকৌ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৬১ মতে ৰাজ্যপালৰ হাতত ক্ষমাদানৰ অধিকাৰ আছে। সেই ক্ষেত্ৰতো মন্ত্ৰী সভাই অনুমোদন কৰিলে ৰাজ্যপালৰ ফালৰ পৰা অধিসূচনা ওলাব লাগে। সেইটোও কৰা নহ'ল। অপৰাধী দণ্ডবিধি আইন (চি-আৰু-পি-চি)ৰ ১২৩ ধাৰা মতে প্ৰচিডিং ক্যান বি উইড্ৰন বাট দি কেচ

ইজ ষ্টিল পেণ্ডিং কৰা হয়। নাগালেণ্ডৰ ভামজুয়ে যদি এন-এচ-চি-এৰ ওপৰত নিষেধাজ্ঞা উঠাই লোৱাৰ কথা দিব পাৰে, বাতৰি কাকতৰ যোগে যদি ঘোষণা কৰিব পাৰে তেনেহ'লে অসমৰ মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে আলফাৰ ক্ষেত্ৰত কিয় কব পৰা নাই, কিয় ব্যৱস্থা ল'বপৰা নাই বুজিব পৰা নাই। একালত গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমে গুপিঙৰ বিৰোধিতা কৰিছিল যেতিয়া কেবিনেট মিশ্বনৰ চুপাৰিশ কৰা হৈছিল। কিন্তু আজি গোপীনাথ বৰদলৈৰ বংশধৰ সকলে নিৰীহ জনসাধাৰণৰ ওপৰত কৰা নৃশংস অত্যাচাৰৰ কিয় বিৰোধিতা কৰিব নোৱাৰিব। এই বিলাকৰ উল্লেখ ৰাজ্যপালৰ ভাষণত দেখা পোৱা নাই। আজি আমি অসমৰ ৰাইজৰ প্ৰতিনিধি হিচাবে বিধান সভাৰ মজিয়ালৈ নিৰ্বাচিত হৈ আহিছোঁ অসমৰ ৰাইজৰ বিভিন্ন সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত সক্ৰিয় অংশ ল'বৰ কাৰণে। আমি অসমৰ সমস্যাৰ ক্ষেত্ৰত কি ধৰণৰ ভূমিকা গ্ৰহণ কৰোঁ সেইটো আমাৰ জনসাধাৰণৰ গ্ৰহণযোগ্য হ'ব লাগিব। অসমৰ সম্পদৰাজিৰ ওপৰত স্বনিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ কাৰণে আমাৰ আজিৰ চৰকাৰে কিয় আন্দোলন কৰিব নোৱাৰে বুজি পোৱা নাই। গোপীনাথ বৰদলৈ ডাঙৰীয়াই পাৰিছিল যদি আজিৰ চৰকাৰে কিয় কৰিব নোৱাৰিব।

অধ্যক্ষ মহোদয়, এইটো কথা মই স্পষ্টকৈ ক'ব বিচাৰিছোঁ যে অসমৰ ৰাজ্যপালৰ ভাষণত অসমৰ জনসাধাৰণৰ ওপৰত, নিৰীহ জনসাধাৰণৰ ওপৰত যি নিপীড়ন চলাই থকা হৈছে তাৰ কোনো উল্লেখ নাই। শতকৰা ২৮ বা ২৯ ভাগ ভোট পাই নিৰ্বাচিত হোৱা সকলৰ বিপৰীতে শতকৰা ৭২ জনকৈ লোক বাহিৰত আছে। আজি বিৰোধী বুলি তেওঁ বিলাকক এৰাই চলিছে কাৰণেই ৰাজ্যপালৰ ভাষণৰ মাধ্যমত কৈছে যে ভাষিক আৰু সংখ্যালঘু সকলক ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব। ইয়াৰ দ্বাৰা অসমত আকৌ এবাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত কৰিবলৈ বিচৰা হৈছে। মই এই কথাৰ বিৰোধিতা কৰিছোঁ। এইটো ধৰ্মীয় বা ভাষিক ৰাজনীতিৰ পাশা খেলৰ স্থান হ'ব নোৱাৰে। ৰাজনৈতিক জুৱা খেলৰ মেৰপেচ হ'বলৈ দিয়া নহ'ব। এইটো আমি স্পষ্টকৈ কৈ দিছোঁ। কৌৰৱৰ পাশাখেলৰ ষড়যন্ত্ৰ হ'ব নোৱাৰিব। ৰাজনৈতিক পাশাখেলৰ ষড়যন্ত্ৰেৰে আমাৰ মাতৃৰ বস্ত্ৰহৰণ কৰিবলৈ কৰা ব্যৱস্থাক বাধা প্ৰদান কৰা হ'ব। ধৰ্ম্মপুৰ সমষ্টিৰ জনসাধাৰণে আমাৰ মাতৃৰ বস্ত্ৰহৰণ পৰ্ব্ব চাবলৈ আমাক প্ৰতিনিধি কৰি পঠিওৱা নাই। অসমৰ ব্যাপক জনসাধাৰণৰ মৌলিক সমস্যাসমূহৰ সামগ্ৰিক সমাধান আৰু ৰাজনৈতিক বাতাবৰণ সুস্থিৰ ৰখাৰ স্বাৰ্থতহে প্ৰতিনিধি সকলক নিৰ্ব্বাচিত কৰিছে। ৰাজ্যপালৰ ভাষণৰ মাধ্যমত জাতীয় মৌলিক সমস্যা এৰাই যোৱাৰ ব্যৱস্থা কৰিছে। এৰাই চলিবৰ সুবিধা উলিয়াই

অৰ্থনৈতিক অনগ্ৰসৰতাৰ ওপৰত উপযুক্ত ব্যৱস্থা লোৱাৰ, অসমৰ সম্পদৰাজিৰ ওপৰত জাতীয় স্বনিয়ন্ত্ৰণৰ সুব্যৱস্থা হোৱাৰ পদক্ষেপৰ পৰা আঁতৰি অহা হৈছে। ইয়াৰ দ্বাৰা অসমৰ ৰাইজক প্ৰবঞ্চনা কৰা হৈছে। তাতোকৈ আচৰিত কথা অসমীয়া ৰাইজৰ বিধৱা সকলৰ মাজত হাঁহ-কুকুৰা বিতৰণ কৰাৰ যোগেদি অৰ্থনৈতিক অগ্ৰসৰ কৰিবলৈ ব্যৱস্থা ল'বলৈ খোজাতো প্ৰবঞ্চনাৰ বাহিৰে আন একো নহয়। অৰ্থনৈতিক উন্নতি সাধন কৰিবলৈ হাঁহ-কুকুৰা বিতৰণ কৰাৰ পৰিবৰ্তে অসমৰ জনসাধাৰণৰ জাতীয় মৌলিক সমস্যা, সামগ্ৰিক সমস্যা সমাধানৰ প্ৰতি লোৱা প্ৰতিটো পদক্ষেপকেই আমি স্বাগতম জনাম। অসমৰ বিপুল শ্ৰদ্ধেয় জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি মনোনিবেষ কৰি আৰ্থসামাজিক উন্নতিৰ প্ৰতি প্ৰকৃতাৰ্থত লোৱা আঁচনিৰ প্ৰতিহে স্বাগতম জনাম। অসমৰ বিধান সভাৰ মজিয়াত সামগ্ৰিক ভাবে অসমীয়া জনসাধাৰণৰ উন্নতিৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰকৃতাৰ্থত আঁচনি লোৱাৰ উল্লেখ ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**ডা: কমলা কলিতা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ মুজিবুৰ ৰহমান ডাঙৰীয়াই উৎথাপন কৰিছে তাৰ ওপৰত সংশোধনী আনিব বিচাৰিছো। আজি মই স্পষ্টভাৱে এই বিধান সভাৰ মজিয়াত কওঁ যে যাকেই সমৰ্থন নিদিও বা সমৰ্থন নজনাওঁ নিৰিহ বা নিৰ্দ্দোষী জনসাধাৰণক যদি ভুল পথে পৰিচালিত কৰা হয় সেইটো নিশ্চয় গৰিহণাৰ পাত্ৰ। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আশা কৰিছো - চৰকাৰে বিভিন্ন ধৰনে চিন্তা কৰিছে যেনে - আলফাক গ্ৰেপ্তাৰ আৰু সাধাৰণ ক্ষমাদান, মুক্তি তথা মুকাবিলা কৰিবলৈ আগবাঢ়ি আহিব। কিন্তু এটা কথা বুজিবলৈ বাকী নাথাকিল - সাধাৰণ ক্ষমাদান আচলতে ৰাইজক প্ৰবঞ্চনা কৰিবৰ কাৰণেহে আগবঢ়োৱা হৈছে। প্ৰকৃতাৰ্থত চৰকাৰৰ বৰ্ত্তমান যিবিলাক কাৰ্য্যকলাপ সেয়া স্পষ্ট হৈ পৰিছে। যিবিলাক আইন শৃঙ্খলাত কৰণীয় আছিল যেনে অপহৰণৰ বিষয়ে কোনো উল্লেখ নাই আৰু তেওঁলোকে নীৰৱ ভূমিকা লৈ তেওঁলোকৰ পৰিয়ালৰ লোক সকলক তিল তিলকৈ ভোগাই ৰাখিছে। সেইকাৰণে মই আচৰিত হৈছো - আইন শৃঙ্খলা বোলা শব্দটো আছে নেকি? প্ৰত্যেকখন বাতৰি কাকত মেলিলে দেখিবলৈ পাওঁ অপহৰণ আৰু হত্যাৰ বিষয়ে চিন্তা কৰিবৰ কাৰণে বা বুজিবৰ কাৰণে আমাক সুবিধা দিছে। বৰ্তমান চৰকাৰৰ কোনো ধৰণৰ আইন শৃঙ্খলাৰ ব্যৱস্থা নাই। কেৱল দিশপুৰৰ আবেষ্টনীৰ ভিতৰতহে আইন শৃঙ্খলা আছে। ৰাইজে প্ৰতিনিধি সকলক দেখা কৰিবৰ কাৰণে কোনো সুবিধা নাই। আজি ৰাতিপুৱা মোৰ ঘৰত ৰোগী চিকিৎসা কৰোৱাবৰ কাৰণে এজন চিকিৎসকক মাতি

পঠিওৱাত তেখেতক দিশপুৰৰ আবেষ্টনীৰ ভিতৰত সোমাবলৈ দিয়া নহ'ল। তেখেতে চৰকাৰী পৰিচয় পত্ৰ দেখুওৱা স্বত্ত্বেও সোমাবলৈ নিদিলে। পিচত মোক ফোন কৰি জনোৱাতহে গম পালো। অতি চিৰিয়াচ হৈ থকা ৰোগীক চিকিৎসাৰ কাৰণে চিকিৎসকক আহিবলৈ নিদিয়ে, সেই ৰোগী যদি মৃত্যুমুখত পৰে তেন্তে দোষী কোন হ'ব? বান পিড়িত অঞ্চল চাই ঘুৰি আহোতে নিশা ১০ বজাত সোমাবলৈ দিয়া নাছিল। পৰিচয় দিয়াৰ পিচতহে সোমাবলৈ দিছিল। সেইবিষয়ে মুখ্য মন্ত্ৰী ডাঙৰীয়াক জনোৱাৰ কোনো ব্যৱস্থা নল'লে। বিৰোধী দলবিলাকৰ কাৰণেহে যদি পুলিচি ব্যৱস্থা ৰখা হৈছে সেইটো চৰকাৰে স্পষ্টভাৱে কব লাগে। চৰকাৰে নিৰ্ব্বাচনৰ আগত নিৰ্ব্বাচন ইষ্টাহাৰত ঘোষনা কৰিছিলে ১০ লাখ মানুহক কৰ্ম্মসংস্থাপন দিব আৰু বছৰি ২ লাখ মানুহক কৰ্ম্মসংস্থাপন দিব। এইটো কেনে ধৰণৰ নীতি। কেতিয়াৰ পৰা কৰ্ম্মসংস্থাপন দিব তাক উল্লেখ নাই। চৰকাৰে ৫ বছৰ শাসনত থকা অৱস্থাত দিব নে ৫ বছৰ যোৱাৰ পিছত কৰিব? চৰকাৰে কৰণীয় কাম বিলাক নকৰি ৰাইজক আভুৱাহে ভবাই তুলিছে। মই এইখিনিতে এটা কথা উল্লেখ কৰিছো -

চৰকাৰে দুটকা দৰত চাউল কিনিবলৈ দিয়াৰ কথা উল্লেখ কৰিছিল।

(সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত, চাউল তৈয়াৰ কৰি দুটকা দৰত দিয়া হ'ব বুলি ক'লে আমাৰ ক'ব লগা একো নাই। এটা কথা মোৰ মনত পৰিছে যে "মুখেৰে সকলো মাৰে কি কাৰ্য্যে ফচফচায়।" এই কথাও সকলোৱে জানে। মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ বিবৃতি ভাষণ পাঠ কৰি বিপথে পৰিচালিত কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। - - (সংস্কৃত) - - এখেত সকলৰ দিনত কিবা কাম হ'ব বুলি মই নাভাবো।

শ্ৰী ভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকাল এমাহ হোৱাই নাই। সেইকাৰণে সমালোচনাৰ নামত মোৰ কোনো ইচ্ছা নাই। চৰকাৰক যথেষ্ট সময় দিয়াৰ আমাৰ ইচ্ছা আছে। মই চৰকাৰক মনত পেলাই দিবলৈ বিচাৰিছো যোৱা ৫ টা বছৰে মই নিজেও এজন মন্ত্ৰী আছিলো। ৰাইজক বহুতো প্ৰতিশ্ৰুতি দিছিলো যদিও কিছুমান প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাছিলো। তাৰ কাৰণে যোৱা নিৰ্ব্বাচনত ৰাইজে আমাক শাস্তি দিছিল। আমাৰ মন্ত্ৰীসভা ১৫-২০ বছৰ থাকক বুলি ৰাইজে আশা কৰিছিল। কিন্তু আমি নোৱাৰিলো সেয়েহে আমি বিনাব লগা হৈছে –

" হাতী পাই হেৰুৱালো লিহিৰি বনত
মুকুতা পাই হেৰুৱালো চোতালৰ দুবৰি বনত"
২ বছৰ বা ৩ বছৰ বা ৫ বছৰ পিছত আপোনালোকৰ/আমাৰ দৰে নহয় যেন।

এতিয়া চাৰ, আমাৰ ৰাজ্যপালৰ ভাষণত অনুসূচিত জাতি আৰু অনুসূচিত জন জাতিৰ বিষয়ে যিটো লিখা আছে - কোঁচ ৰাজবংশী, মটক, মৰাণ, চুতীয়া আৰু চাহ জনজাতি সকলে তোলা দাবী কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কিন্তু তেওঁলোকৰ দাবী কি আৰু কেনেকৈ কাৰ্য্যকৰী কৰা হ'ব এই কথা স্পষ্ট লিখা নাই। যোৱা এক দশক জুৰি এই লোকসকলে অনুসূচিত জনজাতিৰ তালিকাত তেওঁলোকৰ সম্প্ৰদায়ক অৰ্ন্তভুক্ত কৰিবলৈ দাবী জনাই আহিছে বিভিন্ন আন্দোলনৰ কাৰ্য্যসূচী লৈ। মই নিজেও মন্ত্ৰী আছিলো, কেন্দ্ৰীয় চৰকাৰৰ কল্যাণ বিভাগৰ তৰফৰ পৰা বিভিন্ন সময়ত ৰাজ্যচৰকাৰৰ তৰফৰ পৰা পৰামৰ্শ বিচাৰিছিল আৰু আমাৰ চৰকাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট ভালেমান প্ৰতিশ্ৰুতি বিচাৰিছিল। আজিও এই সম্প্ৰদায়ৰ লোকসকলে কংগ্ৰেছ চৰকাৰৰ ওপৰত আশা কৰিছে আৰু বিশ্বাস কৰিছে যে তেওঁলোকক জনজাতীয় তালিকাভুক্ত কৰিব। সেইকাৰণে মই এই চৰকাৰক অনুৰোধ কৰিছোঁ যে এই কোঁচ ৰাজবংশী, মটক, মৰাণ, চুতীয়া আৰু চাহ জনজাতিৰ লোক সকলক জন জাতীয় তালিকা ভুক্ত কৰিবলৈ সিদ্ধান্ত ল'ব লাগে আৰু কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠিয়াব লাগে।

তাৰ পিছত বানপানীৰ শিতানত কওঁ যে যোৱা জুলাই মাহত যি বানপানী হ'ল সেই বানত ১৯ খন জিলাৰ ৩৫ লাখ লোক ব্যাপক ভাবে ক্ষতিগ্ৰস্ত হ'ল। ৰাজ্যপালৰ ভাষণত ৪০০০ হেজাৰ খন গাঁও ক্ষতিগ্ৰস্ত হোৱা বুলি কৈছে আৰু বানত ৩৫ জন লোকে প্ৰাণ হেৰুৱা বুলি কৈছে। কিন্তু মই ক'ব বিচাৰিছোঁ যে ইয়াত কৈ বহুত বেচি মানুহ মৰিছে। যোৱাটো চৰকাৰৰ দিনতো বানপানী হৈছিল, কিন্তু এনেকুৱা প্ৰলয়ঙ্কৰী বানপানী হোৱা নাছিল। এই চৰকাৰৰ কেইবাজনো মন্ত্ৰীয়ে জিলাই জিলাই গৈ বান ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰিছে, এইটো কথা মই স্বীকাৰ কৰিছোঁ। কিন্তু ইমান ডাঙৰ বানপানী হোৱাটো মুখ্য মন্ত্ৰী নিৰ্বিকাৰ হৈ বহি আছে, তেখেত দিশপুৰতে থাকিও এবাৰো নগ'ল। আমাৰ চৰকাৰৰ দিনত বান পানী হৈছিল তেতিয়া আমি কৃষি মন্ত্ৰী দেৱীলালক মাতি আনি দেখুৱাইছিলো, এই চৰকাৰৰ দিনত বলোৰাম জাখাৰক কিয় আনিব নোৱাৰিলে। ইয়াৰ পৰাই বুজা যায় যে তেখেতসকলে বানপানীক গুৰুত্ব দিয়া নাই। অসমৰ মন্ত্ৰী সকলৰ ৰাজবংশী ডাঙৰীয়া,

আনোৱাৰ টাইমুৰ আদিকে ধৰি কেইবাজনো মন্ত্ৰী গৈ প্ৰধানমন্ত্ৰীক স্মাৰকপত্ৰ দিছে, সেই স্মাৰকপত্ৰত বানপানীৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাই, কিয় দিয়া নাই?

(মাননীয় সদস্য জনে মুখ্য মন্ত্ৰীলৈ চাই ভাষণ দিয়াৰ কাৰণে মাননীয় অধ্যক্ষই কয় - "আপুনি মোলৈ চাই কওক")

মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত অসমত বানপানী চলি আছিল, যি সময়ত ৰাষ্ট্ৰীয় ঘাই পথত হেজাৰ হেজাৰ মানুহে আশ্ৰয় লৈ আছিল। এনেকি ৰাজ্যৰ মন্ত্ৰী সকলেও দুই চাৰিজন গৈ ৰাষ্ট্ৰীয় ঘাই পথত আশ্ৰয় লৈ থকা লোক সকলৰ ওচৰলৈ গৈ বুজ লৈছিল, কিন্তু ভিতৰুৱা যিবিলাক অঞ্চলত মানুহে আশ্ৰয় লৈ আছিল সেইবিলাকলৈ যোৱা নাছিল। মোৰ সমষ্টিৰ অনেক লোক বানপানীত আবদ্ধ হৈ আছিল কিন্তু তালৈ কোনো নগ'ল। ধেমাজীত বেমাৰ হৈ অনেক মানুহ মৰিছে, তাত চিভিল হস্পিতাল নাই, চিকিৎসা কেনেকৈ কৰিব? লক্ষীমপুৰ জিলাত বানপিড়ীত অঞ্চলত গুৰু ম'হৰ খাদ্য নাই, চিকিৎসা নাই। কংগ্ৰেছ চৰকাৰে যদি এইবোৰ বিষয়ত গুৰুত্ব দিলেহেতেন তেন্তে এই চৰকাৰ জনপ্ৰিয় হ'লহেতেন। আপোনালোকৰ জনপ্ৰিয়তাৰ স্বাৰ্থতহে মই এই কথাখিনি কৈছোঁ।

(সদনত হাহিঁৰ ৰোল উঠে।)

ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা সাধাৰণ ক্ষমাদানৰ প্ৰস্তাৱ আন্তৰিকতাৰে কাৰ্য্যকৰী কৰিবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। এই খিনিতে মই এটা বিশেষ অনুৰোধ জনাওঁ যে শাসক দলৰ যি সকল বিধায়ক আছে মন্ত্ৰী নহ'লেও তেওঁলোকে যেন এই চৰকাৰৰ ওপৰত চোকা নজৰ ৰাখে। আগৰ যিসকল বিধায়ক এই দলৰ বিধায়ক হৈ আহিছে সেই সকলৰ আগৰ অভিজ্ঞতা আছে। হিৰণ্য বৰা আছে, আমাৰ শ্ৰীমতী অমিয়া গগৈ আছে এই সকলে আগৰ অভিজ্ঞতাৰে আৰু অঞ্জন দত্ত আদিয়ে চৰকাৰৰ ওপৰত চোকা নজৰ ৰাখিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰী হিতেশ্বৰ ডেকাঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত সংশোধনী অনা হৈছে। ইতিমধ্যে এই সংশোধনীৰ ওপৰত কেবাজনো মাননীয় জেষ্ঠ আৰু অভিজ্ঞতা থকা সদস্যই তেখেত সকলৰ নিজৰ নিজৰ বক্তব্য ৰাখিছে। ৰাজ্যপালৰ ভাষণত এটা কথা কৈছে "এইবাৰেই অসমত পোন

প্ৰথমবাৰৰ বাবে জুন মাহত নিৰ্ব্বাচন অনুষ্ঠিত হ'ল। সুখৰ কথা যে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা নোহোৱাকৈয়ে সমগ্ৰ নিৰ্ব্বাচনী প্ৰক্ৰিয়াটো শন্তিপূৰ্ণভাবে পাৰ হ'ল।" ৰাজ্যপাল মহোদয়ে নিশ্চয় এই ভাষণ অসমৰ ৰাজ্যপাল হিচাবে পঢ়িছে। যদি অসমৰ ৰাজ্যপাল হিচাবে এই ভাষণ পঢ়িছে তেনেহ'লে কমলপুৰ সমষ্টিক অসমৰ বাহিৰত ধৰিছে নেকি? সমগ্ৰ অসম তথা ভাৰতৰ চকু এইবাৰ কমলপুৰ সমষ্টিত পৰিছিল কিয়নো এই সমষ্টিতে প্ৰতিদণ্ডিতা কৰা এগৰাকী প্ৰাক্তন মন্ত্ৰীয়ে ভোটকেন্দ্ৰ দখল কৰিছিল যাৰ কাৰণে তেখেতক গ্ৰেপ্তাৰ কৰিবলগীয়া হৈছিল আনকি জেলতো ৰাখিবলগীয়া হৈছিল আৰু তেওঁৰ কৰ্ম্মৰ কাৰণে দুজন চৰকাৰী বিষয়া চিকিৎসাধীন হ'বলগীয়া হৈছিল। তথাপিও এইবাৰৰ নিৰ্ব্বাচন শান্তিপূৰ্ণ আছিল বুলি কেনেকৈ ক'লে বুজি নাপালো। ৰাজ্যপাল মহোদয়ে এই কমলপুৰ সমষ্টিটো অসমৰ বাহিৰত বুলি ধৰি লৈ বেছি গুৰুত্ব দিয়া নাই।

মাননীয় সদস্য সকলে আইন শৃঙ্খলাৰ বিষয়টোৰ ওপৰত নিজৰ নিজৰ বক্তব্য ৰাখিছে। মই এই বিষয়ে দিঘলীয়াকৈ ক'ব খোজা নাই। মই এটা কথা ক'ব খুজিছো সংবাদসেৱী সকলে যেতিয়া মুখ্যমন্ত্ৰীক আলফাই পনবন্দী কৰি ৰখা বিষয়া সকলৰ ক্ষেত্ৰত সময় সীমা পাৰ হৈ যোৱাৰ পিছতো তেওঁলোকক মোকলাই নিদিলে কি ব্যৱস্থা ল'ব বা তেওঁলোকৰ কাৰণে কি কৰিব বুলি সুধিছিল তেতিয়া কৈছিল যে "মোৰ উপায় নাই"। তেনেহ'লে আমি আজি কি বুজিম আইন শৃঙ্খলাৰ লেকাম চৰকাৰৰ হাতত আছে নে উগ্ৰপন্থী সকলৰ হাতত আছে? এই চৰকাৰৰ দিনত দৈনিক হত্যা লুণ্ঠন নাৰীধৰ্ষণ আদি চলি আছে। এই বিলাক কথাকে উৎখাপন কৰোতে চৰকাৰ পক্ষৰ এজন সদস্যই বিৰোধীপক্ষৰ সদস্য সকলে নৃত্য কৰা বুলি কৈছে। কিন্তু চৰকাৰী পক্ষৰ সদস্য সকলৰ যি সকলৰ দিপিলা চ'কত মৃত্যুবৰণ কৰা নিৰীহ লোক কেইজনৰ প্ৰতি হৃদয় বিদাৰক নহয়, তৰুন শৰ্ম্মাৰ নিচিনা ল'ৰাক যাক পিচফালৰ পৰা গুলীয়াই হত্যা কৰা হ'ল তেওঁৰ প্ৰতি যদি কোনো অনুকম্পা নাই তেনেহ'লে নৃত্য কৰা বুলি ক'ব। আজি সমগ্ৰ অসমৰ জনসাধাৰণে মৰ্ম্মে মৰ্ম্মে এই কথাবিলাক অনুভব কৰিছে। চৰকাৰী বিষয়া সকলক আজি পৰ্য্যন্ত উদ্ধাৰ কৰিব নোৱাৰা, ছাৰ্গেৰ মৃতদেহ উদ্ধাৰ কৰিব নোৱাৰাই কি বুজায়? অকল আইন শৃঙ্খলাৰ নামত চৰকাৰী সন্ত্ৰাসবাদ চলি থাকিলে আলফাৰ সমস্যা সমাধান হ'ব নে? আলফা বুলি সকলো লোককে যধে মধে অত্যাচাৰ কৰিলে সমস্যাৰ সমাধান হ'ব নে? যোৱা ২৪ জুলাই তাৰিখে কমলপুৰ সমষ্টিৰ অন্তৰ্গত শ্ৰী ব্ৰজেন দত্ত আৰু অন্যান্য ১১ জন লোকক কৰায়ত্ব কৰি ৰঙিয়া থানাত ৰাখিলে। তেওঁলোকৰ বিৰুদ্ধে নিৰ্দ্দিষ্ট কোনো

অভিযোগ নাই। ঘটনাৰ খবৰ পাই মই যেতিয়া ৰঙিয়ালৈ গ'লো তেতিয়া অভিযোগ নাই কাৰণে তেওঁলোকক মোকলাই দিছে। গতিকে দেখা যায় নিৰপৰাধী লোক সকলক ৰক্ষনা বেক্ষন দিব পৰা নাই। আমাৰ মাননীয় জেষ্ঠ সদস্য শ্ৰী প্ৰমোদ গগৈ ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা উৎথাপন কৰিছে সেইটো হৈছে গণতান্ত্ৰিক মূল্যবোধ। চৰকাৰ পক্ষই যদি গণতান্ত্ৰিক পদ্ধতিত বেছি গুৰুত্ব দিব খোজে তেনেহ'লে বিৰোধীপক্ষৰ সদস্য সকলৰ ওপৰত বেছি গুৰুত্ব দিব লাগিব । বিৰোধীপক্ষৰ সদস্য সকলৰ ওপৰত বেছি গুৰুত্ব দিলেহে গণতান্ত্ৰিক প্ৰক্ৰিয়া অধিক সক্ৰিয় হ'ব আৰু সুস্থ বাতাবৰণ গঢ়ি উঠিব। এইখিনিতে মই এটা কথা ক'ব খুজিছো কথাটো সৰু যদিও অতি দৰ্কাৰী আমাৰ ঘৰত যেতিয়া এটা কেছুৱাৰ জন্ম হয় তেতিয়া তাক আমি গনাও আৰু সেই গননা কৰোতে অঙহী বঙহী সকলোকে সেই অনুস্থানলৈ নিমন্ত্ৰণ কৰো কিন্তু এই চৰকাৰে শপত গ্ৰহণ কৰোতে কিন্তু আমি বিধায়ক হোৱা স্বত্বেও আমাক নিমন্ত্ৰন কৰা নহ'ল। অৰ্থাৎ জন্ম লগ্নতে তাৰ ব্যকিক্ৰম হ'ল। এই কথাটোকে মুখ্য মন্ত্ৰীক কওঁ বুলি আৰু এটি শুভেচ্ছা জনাওঁ বুলি মুখ্য মন্ত্ৰীৰ ওচৰলৈ তিনিদিন গ'লো। মুখ্য মন্ত্ৰীয়ে ঢাক ঢোল কোবাইছে যে দিনৰ ১২-৩০ বজাৰ পৰা ১-৩০ বজালৈ বিধায়ক সকলক লগ কৰিব। মই গৈ পিপিএচনে কোন তেখেতক কলো কিন্তু মোৰ ফালে যি ৰঙা চকুৰে চালে ময়ে বিধায়ক নে তেওঁ বিধায়ক ধৰা টান হৈ পৰিল। মই কোনো কামত যোৱা নাছিলো (সময়ৰ সংকেট) মই মাত্ৰ আৰু এক মিনিট সময় কম। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত কৈছে যে অসম চুক্তি ৰূপায়ণ কৰিব। এই কথাটোত আমি সদায়ে লাগি আছো যিহেতু সদৌ অসম ছাত্ৰ সন্থাৰ দিনতে এই চুক্তি স্বাক্ষৰিত হৈছিল আৰু এই সন্থাৰ আমি প্ৰাক্তন কৰ্ম্মী হিচাবে আমি এতিয়াও সেই দাবী কৰি আছো। কিন্তু চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত হেঙাৰ হৈ থকা আইএমদিটি এক্টৰ তেখেতে উল্লেখ নকৰিলে। এই আইন থকা পৰ্য্যন্ত এজন বিদেশীকো খেদি পঠিয়াব নোৱাৰি গতিকে এই আইএমদিটি এক্ট, ১৯৮৩ খন সংশোধন কৰিব নোৱাৰিলে চুক্তি ৰূপায়ণ কৰাও সম্ভবপৰ নহয় কিন্তু চৰকাৰ এই ক্ষেত্ৰত নিমাত হৈ আছে। আজিৰ মুখ্যমন্ত্ৰীয়ে সেই সময়তো মুখ্য মন্ত্ৰী আছিল যেতিয়া এই চুক্তি স্বাক্ষৰিত হৈছিল বোধকৰো সেই কাৰণে তেওঁলোক নিমাত হৈ আছে। গতিকে এই আইনখন সংশোধনৰ কাৰণে বাস্তৱ ব্যৱস্থা লবলৈ অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**শ্ৰী থানেশ্বৰ বড়ো ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই ৰাজ্যখনৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ উৎথাপন কৰিছে তাৰ আধাৰত আমি

কেইটামান প্ৰস্তাৱ উৎথাপন কৰিছো আৰু এই সুযোগতে বিশেষকৈ অসমত উদ্ভৱ হোৱ পৰিস্থিতি সম্পৰ্কে কেইটামান কথা ব্যক্ত কৰিব বিচাৰিছো। আমি অসমত ল' এন অডাৰ চিটোৱেচন উদ্ভৱ হৈছে। এইটো সমস্যা সমাধান কৰিবলৈ যিমানেই চেষ্টা নকৰক কিয় আমি এইটো বেলেগ দৃষ্টি ভংগীৰে উল্লেখ নকৰাই ভাল এইটো সমস্যা সমাধান নহয়। আজি ৰাজ্যখনত এইটো এটা বেচিক সমস্যা হৈ পৰিছে। এই সমস্যা সমাধানত ভাৰত চৰকাৰে প্ৰচেষ্টা নচলোৱাৰ কাৰণে অসুবিধা আহি পৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যখনত বহুতো জন-গণ লোক আছে। আজি জনজাতীয় লোক সকলৰ সমস্যা সমাধান প্ৰকট হৈ পৰিছে। বিশেষকৈ জনজাতীয় 'ডিভাইড এন্দ ৰোল' পৰিচালিত প্ৰচলিত হৈছে। জনজাতীয় সকলক দুটা ভাগত ভাগ কৰা হৈছে। পাহাৰত থকা কাৰ্বি সকলক ট্ৰাইবেল বুলি গণ্য কৰা হয় আৰু তেওঁলোকক সকলো সা-সুবিধা দিয়া হয়। কিন্তু ভৈয়ামত থকা কাৰ্বি সকলে সা-সুবিধা নেপায়। তেওঁলোকক ট্ৰাইবেল বুলি গণ্য কৰা নেযায়। সেইদৰে বড়ো, কছাৰি সকলে পাহাৰত থাকিলে তেওঁলোকক ট্ৰাইবেল বুলি গণ্য কৰা নহয়, কিন্তু ভৈয়ামতহে তেওঁলোকক ট্ৰাইবেল বুলি গণ্য কৰা হয় আৰু সকলো সা-সুবিধা দিয়া হয়। এই জনজাতীয় সকলৰ মাজত এটা জিভিজন সৃষ্টি কৰিলে ভাৰতবৰ্ষৰ সংবিধানে। সেয়েহে এইটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। সেইকাৰণেই নিজেই এচটাৱলিষ্ট কৰিবৰ কাৰণে জনজাতীয় সকলে বিভিন্ন দিশত চিন্তা-চৰ্চা কৰিছে। সেইকাৰণে বড়ো সকলে বড়ো লেণ্ডৰ দাবী, বাৰ্কি আৰু এন,চি, হিলচেও সেইদৰে দাবী কৰিছে। তেখেতসকলৰ অৰ্থাৎ জনজাতীয় সকলৰ চিস্কথ চিডিউলৰ ব্যৱস্থাটোৱেই যথেষ্ট নহয়। অসমত কিন্তু চিস্কথ চিভিউলহে এপলাই কৰিছে। সেইমতে ভৈয়ামৰ জনজাতি সকলৰ কাৰণে এইটো সংশোধন কৰাৰ প্ৰয়োজন আছে। এই সম্পৰ্কে জনজাতীয় সকলৰ বেচিক কি সমস্যা হ'ব পাৰে সেইটো উনুকিয়াই দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতা পোৱাৰ পিচতো অসমক তথা উত্তৰ পূৰ্ব্বঞ্চলক এটা 'কলনী' হিচাপে ব্যৱহাৰ কৰিছে। য'ত নেকি জনজাতীয় সকলক কেন্দ্ৰীয় চৰকাৰে ভাল দৃষ্টিত ৰখা নাই। তাৰ ফলত উদ্ভৱ হৈছে আলফা, আবচু, এ,এচ,ডি,চিৰ সংগঠন বিলাকে গা কৰি উঠিছে। এইবিলাক সমস্যা সমাধান কৰাৰ কাৰণে চিন্তা চৰ্চা কৰা প্ৰয়োজন হৈ পৰিছে।

. মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষক ৫ টা ভাগত ভাগ কৰা হৈছে। নৰ্থ, চাউথ, চেণ্টাৰ, ওৱেষ্ট আৰু ইষ্ট। এই ইষ্টত ১২ খন ৰাজ্য আছে। আৰু তাৰ হেড-কোৱাটাৰ হৈছে কলিকতাত। এই হেড কোৱাটাৰটো কলিকতাত হোৱাৰ কাৰণে অসুবিধা হৈছে। চাহ কোম্পানীটো গুৱাহাটীলৈ আনিব খুজিলে নাহে, পোষ্টেল ডিপাৰ্টমেণ্টটো আনিব খুজিলে নাহে। সেইকাৰণে ইষ্ট যোন'টো ২ ভাগত ভাগ কৰিব লগীয়া হৈছে। সেইদৰে নৰথত আৰ্টিকুল চিক্সথ ২৬৩ অনুচ্ছেদ অনুসৰি নৰ্থ ইষ্টান যোন' কৰিব লাগে। ৭ খন ৰাজ্যক লৈ যোনেল হেড কোৱাৰ্টাৰ কৰিলে ভাল হ'ব। সি লাগে চিলঙতেই হওঁক বা গুৱাহাটীতেই হওঁক কথা নাই। মুঠতে যোনেল হেড কুৱাটাৰটো উত্তৰ পূৰ্ব্বঞ্চলত হ'ব লাগে। সেইদৰে ইনটাৰ নেচনেল এয়াৰপৰ্টটো কলিকতাৰ পৰা গুৱাহাটীলৈ আনিব লাগে। তাৰ বাবে মই আৰু আমাৰ মাননীয় সদস্য শ্ৰী মহন্তৰ সৈতে যোৱা ১৪ এপ্ৰিল তাৰিখে মাননীয় ৰাজ্যপাল মহোদয়ক লগ ধৰিছিলো আৰু এই সম্পৰ্কে জনাইছিলো। কিন্তু এতিয়া গম পালো যে যোৱা ২৫ তাৰিখে এইটো ঘোষণা কৰিছে। এইটো জানি ভাল পালো। ঠিক তেনেধৰণে যোনেল হেড কোৱাটাৰ বিলাক উত্তৰ পূৰ্ব্বাঞ্চললৈ আহিলে চাহ বাগান হেড কোৱাটাৰেই হওঁক, বিভিন্ন কাৰ্য্যালয়েই হওঁক তেতিয়াহলে ভাল হয়।

সেইকাৰণে বিশেষকৈ আমাৰ জনজাতীয় সকলৰ সমস্যা সমাধান কৰিবৰ কাৰণে বিশেষকৈ আমাৰ সংবিধানৰ চিক্সথ চিডিউল মতে চিন্তা চৰ্চা কৰিব পাৰিব। মাননীয় অধ্যক্ষ মহোদয় আৰু এটা কথা কওঁ আমাৰ মাটিৰ মালিক স্বত্ব থাকে মাটিৰ তলেদি যে তেল গৈছে তাৰ কোনো স্বত্ব নেথাকে। সেইকাৰণে বিশেষকৈ নগালেণ্ডৰ কাৰণে যি ব্যৱস্থা আছে আৰ্টিকুল ৩৭১(ক) স্পীচিয়েল প্ৰভিজন আছে সেইটো অসমৰ কাৰণেও কৰিব লাগে।

সেই কাৰণে ৩৭১ (এ) আৰ্টিকোলত যি কেইটা ব্যৱস্থা নিৰ্দ্দিষ্ট কৰা আছে সেই কেইটা অসমৰ ক্ষেত্ৰত প্ৰযোজ্য কৰিব লাগে। ইয়াত বিশেষকৈ তেল আৰু প্ৰাকৃতিক যিবোৰ সম্পদ উৎপাদিত হয় সেইবোৰৰ তেতিয়াহে আমি আমাৰ স্বত্ব সাব্যস্ত কৰিব পাৰিম। আজি অসমৰ আলফা আৰু তেনে ধৰণৰ যিবোৰ উগ্ৰপন্থীয়ে অসমত নানা ধৰণৰ কমিউনেল ট্ৰাবোলৰ সৃষ্টি কৰিছে সেইবোৰৰ প্ৰতি চৰকাৰে চিন্তা চৰ্চা কৰা উচিত। আজি অসম আৰু সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ ব্যৱসায় বানিজ্য আদি কলিকতা আৰু দিল্লীৰ পৰা কণ্টোল কৰা হৈ আছে। সেই কাৰণে এইবিলাক বিষয়ত চৰকাৰে দৃষ্টি দিব লাগে আৰু অসম আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্য কেইখনে যাতে বিদেশী ৰাষ্ট্ৰৰ লগত ব্যৱসায় কৰিব

পাৰে তাৰ কাৰণে পাৰ্মিচন দিয়া প্ৰয়োজন। মই মোৰ বক্তব্য আৰু দীঘলীয়া কৰিব খোজা নাই, কিয়নো মোৰ পিচত আৰু কেইবা জনো বক্তাই তেওঁলোকৰ ভাষণ ৰাখিব। মই বিশেষকৈ আইন শৃঙ্খলাৰ ক্ষেত্ৰত ক'ব খোজো যে আমাৰ সংবিধানৰ গণ্ডীৰ ভিতৰত কেনেকৈ এই সমস্যা বিলাক সমাধান কৰিব পাৰি তাৰ কাৰণে সকলোৱে চিন্তা চৰ্চা কৰিব লাগে মই অধ্যক্ষ মহোদয়ৰ যোগেদি এইখিনি বক্তব্য ৰাখি তেখেতৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***Shri Mansing Rongpi** ঃ- Mr. Speaker, Sir, In the motion moved by hon'ble member Shri Muzibur Rahman, I on behalf of my party, would like to speak a few words. Sir, in the Governor's Address many things have been said under the paragraph ' Welfare of SC/ST and Backward Classes'. But it is not clear as to what actually the Government wants to do; it is rather confusing one. Sir, the people of Karbi Anglong and North Cachar Hills Districts have been demanding autonomy by launching a peaceful movement for the last five years. Sir, I believe, Mr. Langthasa who sits in the other side of the House will agree with me in this matter. Sir, the Government of Assam on 28 August, 1988 has also agreed that the movement led by ASDC and KSA is a genuine movement, democratic movement and it is a popular movement. And, there has been constituted a Sub Committee to go into the demand for autonomy. But we do not know what this Sub Committee has done all these years. Now, Sir, the Governor has said so many works on various issues like ULFA and others. But about our demand for automony nothing concrets has been mentioned. Is it because of the fact that ULFA has taken to arms. therefore, received the attention of the Goverment and since we are pursuing a path of non-violence our demand is ignored? Sir, Governor has mentioned in his Address that all problems can be solved through discussions and negotiations. But in Indian history We find that no problem could ever be solved through peaceful negotiations. Sir, this Government is trying to suppress

SPEECH NOT CORRECTED

our genuine movement. To cite an example, I would like to mention the very arrest of one Shri Narendra Rongpi, and elected member of the District Council. (Hon'ble Speaker left the chamber and the Chairman occupied the Chair). Mr. Chairmen, Sir, This very arrest has been made to suppress the democractic movement of the hills people. I would like to remind the Goverment that by such and act of suppression, a peaceful movement started by the hills people for implementation of Art. 244 (A) of The Constitution cannot be set at rest. I hope, Sir, Hon'ble member Shri Langthasa will also bear me out on this point as he also campaigned for autonomous State during his election. He said during his election campaign, "Give me votes, autonomous State will be brought to you". Now, Sir, after so many killings and after so many kidnappings the UIFA has been receiving the attention of the Government while our demand for autonomy made for the last five years through peaceful means is going unheeded. What does it indicate, Sir? Do the Goverment want us also to take to arms?

Mr. Chairman, Sir. Many things in the Governor's Address have been said about floods. While the whole Brahmaputra valley was reeling under flood the hills of Karbi Anglong have been burning under draught. Agricultural Activities came to a stand still. Whole Khariff crop cultivation has been destroyed. But there is no mention about draught in Karbi Anglong in the Governor's Address. May I suggest the Government to look into this aspect, Sir? Thank you.

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মই অনা সংশোধনী প্ৰস্তাৱত তিনিটা কথা উৎথাপন কৰা হৈছে। মই সেই আটাইবোৰ কথা পুনৰাবৃত্তি নকৰি এটা কথা চমুকৈ ক'ব বিচাৰিছো যে অসমৰ যদি আইন শৃঙ্খলাৰ অৱস্থা উন্নত কৰিব লাগে তেনেহ'লে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সদ্ভাৱ আৰু বিশ্বাসৰ বাতাবৰণ সৃষ্টি কৰিব লাগিব। তাৰ কাৰণে আজি অসমত যিবোৰ কলা আইন প্ৰৱৰ্ত্তন কৰা হৈছে সেইবোৰ উঠাই লোৱাৰ কাৰণে চিন্তা চৰ্চা কৰিব লাগিব। আজি অসমত "আৰ্ম

ফৰ্চেচ স্পেচিয়েল পাৱাৰ এক্ট, ১৯৫৮” আৰু “অসম ডিচটাৰ্ব এৰিয়া এক্ট - ১৯৫৫” বলবৎ কৰা হৈছে এই ক্ষেত্ৰত মই এটা কথাই ক'ব খোজো যে যি সময়ত এই আইন বোৰ যিবোৰ পৰিস্থিতিৰ কাৰণে সৃষ্টি কৰা হৈছিল সেই পৰিস্থিতি আজি অসমত এই আচনি সমূহ বলবৎ কৰিবৰ বাবে হোৱা নাই।

এই আৰ্ম ফোৰ্চেচ স্পীচিয়েল পাওৱাৰ এক্ট খনে সামৰিক বাহিনীক ইমানেই অধিকাৰ দিছে যে এজন সাধাৰণ হাবিলদাৰেও সন্দেহ ক্ৰমে এজন মানুহক গ্ৰেপ্তাৰ কৰিব পাৰে, আনকি গুলিয়াই হত্যাও কৰিব পাৰে। আইনৰ ৪ আৰু ৬ ধাৰাই দিয়া ক্ষমতা অনুযায়ী এজন সন্দেহযুক্ত লোকক গ্ৰেপ্তাৰ কৰি গুলিয়াই হত্যা কৰিলেও আইন গত ব্যৱস্থা ল'ব নোৱাৰিব। এই আইন সমূহ ৰাষ্ট্ৰপতি শাসন বলবৎ হোৱাৰ পিচতেই আমাৰ ৰাজ্যখনত প্ৰবৰ্ত্তন কৰা হৈছিল। এই ক'লা আইন প্ৰয়োগ কৰা হ'ব তেতিয়ালৈকে অসমৰ জনসাধাৰণৰ মাজত শান্তি আৰু সত ভাব আহিব নোৱাৰে আৰু এনে পৰিস্থিতিত ৰাজ্য খনত শান্তি প্ৰতিস্থিত হোৱাতো সম্ভৱ নহয়। আজি ৰাজ্যখনৰ জনসাধাৰণৰ মাজত ক্ষুব্ধ ভাব সৃষ্টি হোৱাতো স্বাভাৱিক, এই ক্ষুব্ধ জনসাধাৰণৰ মাজত বুজাপৰা আনিবলৈ আমি বিৰোধী দল আৰু শাসক দল সকলোৱে একে লগে বহি এই যিবিলাক ক'লা আইন বলবৎ কৰা হৈছে সেইবিলাক প্ৰত্যাহাৰ কৰাৰ প্ৰতি বিশেষ দৃষ্টি দিয়াতো উচিত। দ্বিতীয়তে মই দুখেৰে সৈতে ক'ব বিচাৰিছো আজি বড়ো ভাই সকলে আন্দোলন কৰিছে, সেই সকল নেতাৰ লগত যিদৰে আমি আলোচনা হ'ব লাগিছিল কিন্তু সেই ধৰণে আলাপ আলোচনা হোৱা নাই আৰু ৰাজ্যপালৰ ভাষণতো তাৰ ইংগীত নাই। আজি এই ভয়াবহ পৰিস্থিতিত বড়ো নেতাসকলৰ লগত নতুন চৰকাৰে আলোচনা-বিলোচনাৰ মাজেদি তেওঁলোকৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে। বড়ো ভাই সকলৰ ভাষা কৃষ্টি উন্নতিৰ বাবে চেষ্টা চলাব লাগে। আজি সুখৰ কথা যে বিধান সভাৰ মজিয়াত পোন প্ৰথমবাৰৰ বাবে বড়ো ভাষাত এইবাৰ আমাৰ কেইজনমান বন্ধুৱে শপত গ্ৰহণ কৰাৰ সুবিধা পাইছে।

আমাৰ আন এটা ভয়াবহ সমস্যা বানপানীৰ সমস্যা, এই বানপানীৰ সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত যি সোৱনশিৰী প্ৰকল্পৰ কথা ভবা হৈছিল সেই সম্পৰ্কত বহুবাৰ আলোচনা বিলোচনা আগতে হৈ গৈছে যদিও যি ধৰণে এই সমস্যাটো সমাধান কৰাৰ কাৰণে চেষ্টা কৰিব লাগিছিল সেইধৰণে কৰা হোৱা নাই। এইবাৰ কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ আহিছে আৰু অসমতো কেন্দ্ৰত হোৱাৰ দৰে কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠা হৈছে আৰু অৰুণাচল

প্ৰদেশতো একেই দলৰ চৰকাৰ আছে। গতিকে এনে অৱস্থাত এই তিনিওটা চৰকাৰৰ সহযোগীতাত সোৱনশিৰী প্ৰকল্পটো বাস্তৱত ৰূপায়িত কৰি অসমৰ বানপানী সমস্যাটো সমাধান কৰাৰ কাৰণে আমি যত্নপৰ হ'ব লাগে। কিন্তু দুখৰ বিষয় এই বিষয়টো মাননীয় ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হ'ব লাগিছিল যদিও তেনে নহ'ল। অসম ৰাজ্য চৰকাৰে সদায় অৱহেলাৰ মনোভাৱ লৈ থকা যেন অনুমান হয়। যোৱা ১৯৮৪ চনৰ পৰা ১৯৮৮ চনলৈকে এই বানপানী সমস্যাৰ বাবে অসমত প্ৰায় ২১৯০ কোটি টকা ক্ষতি হৈছে। গতিকেই বানপানী সমস্যা সমাধানৰ ক্ষেত্ৰত আমি বিশেষ ভাৱে জোৰ দিব লাগে।কিন্তু পৰিতাপৰ কথা যে এই বিষয়ে মহামান্য ৰাজ্যপালৰ ভাষণত কোনো ধৰণৰ উল্লেখ নাই। এই বিষয়ে উল্লেখ থাকিব লাগিছিল।

আমাৰ ৰাজ্যখনত বসবাস কৰি থকা বিভিন্ন জনগোষ্ঠীৰ মন আজি ক্ষুব্ধ হৈছে, বড়ো ভাই সকল ক্ষুব্ধ হৈছে কাৰ্বী ভাই সকল ক্ষুব্ধ হৈছে সেইদৰে চাহবাগানৰ কৰ্মী আৰু প্ৰাক্তন চাহ বাগানৰ কৰ্মী সকলৰ মাজত ক্ষুব্ধ মনোভাৱৰ সৃষ্টি হৈছে, সেইদৰে বিভিন্ন জনগোষ্ঠীৰ মন আজি অশান্ত। এই বৈষম্য দূৰ কৰাৰ কাৰণে স্পষ্ট নীতি ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হ'ব লাগিছিল কিন্তু হোৱা নাই। এই সমস্যাসমূহৰ লগত ৰাজ্যখনৰ অৰ্থনৈতিক সমস্যাটো জৰিত হৈ আছে কিন্তু আমাৰ অৰ্থনৈতিক অৱস্থা উন্নীত কৰাৰ বাবে কেনে ধৰণে ব্যৱস্থা লোৱা হ'ব তাৰ কোনো ইংগীত ৰাজ্যপালৰ ভাষণত নাই। বড়ো সমস্যা সমাধানৰ ক্ষেত্ৰত যি তিনিজনীয়া বিশেষজ্ঞ সমিতি গঠন কৰা হৈছিল তাৰ কাম কাজ হাইকোৰ্টৰ হস্তক্ষেপত বন্ধ ৰাখিব লগা হয়, এই ক্ষেত্ৰত চৰকাৰে হাইকোৰ্টৰ নিৰ্দেশ উঠাই লোৱাৰ বাবে ন্যায়গত ব্যৱস্থা কি লৈছে বা চুপ্ৰিম কৰ্টেও এই আদেশৰ বিৰুদ্ধে আপীল কৰিছেনে নাই সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। কাৰ্বিআংলংৰ অটোনমাচ ষ্টেটৰ যিটো মোভমেণ্ট চলি আছে সেই সম্পৰ্কে আলোচনাৰ মাজেদি সেই সমস্যা সমাধান কৰি অসমৰ শান্তি ৰক্ষাৰ হকে বিশেষ ভাবে মনোযোগ চৰকাৰে দিব লাগে। এই সমস্যা সমূহৰ লগত বিভিন্ন জনগোষ্ঠীৰ অৰ্থনৈতিক সমস্যা জৰিত হৈ আছে। জনগোষ্ঠী সমূহৰ এই সমস্যাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষনত মাত্ৰ দুটা লাইনৰে শেষ কৰিছে। আনহাতেদি আজি যি সময়ত অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বৈষম্য দূৰ কৰাৰ কাৰণে আপ্ৰাণ চেষ্টা হ'ব লাগে সেই সময়ত ৰাজ্যপালৰ ভাষণত বৰাক উপত্যকাক অসমৰ পৰা পৃথক ভাৱে দেখুৱাই বৈষম্য দূৰ কৰাৰ পৰিবৰ্ত্তে দুই উপত্যকাৰ মাজত বৈষম্য বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। অসমখন বেলেগ আৰু বৰাক উপত্যকা বেলেগ এই মনোভাৱ

ল'লে নহ'ব। যোৱা ৫ বছৰে কিন্তু দুয়োখন উপত্যকাক ওচৰ চপাই অনাবৰ বাবে যত্ন কৰা হৈছিল কিন্তু ৰাজ্যপালৰ ভাষণত দুয়ো উপত্যকাৰ মাজত ডিভিজন অনাৰ চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত আমি দুখ প্ৰকাশ কৰিছো।

গতিকে মই আৰম্ভনীতে উল্লেখ কৰি অহা ক'লা আইনৰ দ্বাৰা ৰাজ্যখনৰ জনসাধাৰণৰ ওপৰত চলোৱা অত্যাচাৰ উৎপীড়ন বন্ধ কৰা, বানপানীৰ সমস্যা সমাধান আৰু বিভিন্ন জনগোষ্ঠীৰ মাজৰ বৈষম্য দূৰিকৰণ আৰু অৰ্থনৈতিক সমস্যা সমাধানৰ প্ৰতি বিশেষ ভাৱে যদি আজি চকু দিয়া নহয় তেতিয়াহ'লে অদূৰ ভৱিষ্যতে আমাৰ ৰাজ্যখনত শান্তি সম্প্ৰীতি আৰু সদ্ভাৱ ঘূৰাই অনাতো অসম্ভৱ হ'ব। এই সংক্ৰান্তত ৰাজ্যপালৰ ভাষণৰ ওপৰত যি তিনিটা সংশোধনী অনা হৈছে সেইকেইটা গ্ৰহণ কৰিব বুলি আশা কৰি প্ৰথম বাৰৰ বাবে দিয়া মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

(Mr. Speaker vacated the Chair and Mr. Chairman)
(Shri Promode Gogoi occupied)

**শ্ৰী দিলীপ কুমাৰ শইকীয়া** : মাননীয় সভাপতি মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষনৰ ওপৰত ইতিমধ্যে আমাৰ বিভিন্ন মাননীয় সদস্য সকলে বক্তব্য ৰাখিছে। আজি অসমৰ আইন-শৃঙ্খলাৰ যি অবনতি ঘটিছে আচলতে দুখ লাগে। বিভিন্ন কাম সামগ্ৰীক উন্নয়নত দূৰ্ব্বল হৈছে। আইন শৃঙ্খলাৰ ক্ষেত্ৰত অসমৰ ৰাইজে শান্তিত থাকিব লাগে। মই নতুন চৰকাৰক অনুৰোধ কৰিছো যাতে তেখেত সকলে আইন শৃঙ্খলাৰ নামত, আইন শৃঙ্খলা নিয়ন্ত্ৰণৰ নামত পুলিচ বাহিনী বা সসস্ত্ৰ বাহিনীৰ দ্বাৰা নিৰাশ্ৰয় লোক সকলৰ ওপৰত অত্যাচাৰ নচলায় তাৰ বাবে লক্ষ্য ৰাখিব।

সভাপতি মহোদয়, আমি দেখিবলৈ পাইছো যে অসমত বৰ্ত্তমান তিনিখন চৰকাৰ চলি আছে। সেই বিলাক হ'ল - কংগ্ৰেছ আই চৰকাৰ। অলপ দিন আগতে এই পালি নেতা চৰকাৰৰ এজন সদস্যই এজন এ,ডি,চি,ৰ ওপৰত ব্যৱস্থা লৈছিল। ঘটনাটো এনে ধৰণৰ - পালি নেতা জনে এ,ডি,চি,য়ে সন্মত নহ'ল আৰু পালি নেতা জনক ওলাই যাবলৈ বাধ্য কৰালে। কিন্তু পিচ বেলা নিৰ্দ্দেশ হ'ল যে এ,ডি,চি, তাৰ পৰা বদলি হৈ যাব লাগে। এই খবৰটো ইতিমধ্যে বাতৰি কাকতত ওলাইছে। সেয়েহে মই তিনিখন চৰকাৰ থকা বুলি কৈছো। আমাৰ মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে বিষয়টো চাব বুলি অনুৰোধ কৰিছো।

সভাপতি মহোদয়, অসমত বড়ো, মিছিং, কার্বি আদি বিভিন্ন জনগোষ্ঠী আছে। এই সকলো জনগোষ্ঠীৰ মাজত কি দৰে সম্প্ৰীতি ৰক্ষা কৰিব পাৰি তাৰ্লৈ চাব লাগে। যদি আমি তেখেত সকলৰ ভাষা সংস্কৃতিক আমি সন্মান কৰিব নোখোজো, তেখেত সকলৰ অনুভূতিক যদি আমি সন্মান কৰিব নোখোজো, তেতিয়া হ'লে সমস্যা সমাধান নহয় বিপ্লৱ কৰিবলৈ মানুহে এনেয়ে ওলাই নাহে। কেতিয়াবা চৰকাৰে বিপ্লব কৰিবলৈ বাধ্য কৰায়। সেই কাৰণে আজি যুৱক সমাজ বিপ্লৱ কৰিবলৈ ওলাই গৈছে। আজি ৪০ বছৰে অসমত ৰাজনৈতিক ভাবে, অৰ্থনৈতিক ভাৱে, সামাজিক ভাবে শোষণৰ যি নিয়ম চলিছে, তাৰ প্ৰতিবাদ কৰিব লাগিব। আজি অসমৰ পৰা যি চাহপাত লৈ যোৱা হৈছে, তাৰ পৰা অসমৰ উন্নতি হ'ব লাগিছিল। এই নবম বিধান সভাত যদি আমি এই বিলাক কথা আলোচনা নকৰো তেতিয়া হ'লে অসমৰ উন্নতি হ'ব নোৱাৰে। আমি গাওঁত বাস কৰা খেতিয়কৰ লৰা। আমি দেখিবলৈ পাইছিলো সেই গাওঁত একোটা পৰিয়ালৰ তিনিটাকৈ ভৰাল আছিল। কিন্তু আজি সেই তিনিটা ভৰালৰ পৰিবৰ্ত্তে এটাও নাই। ৰাইজে বিভিন্ন সমস্যাৰ বাবে হাবাথুৰি খাব লগা হৈছে। সিদিনা লক্ষীমপুৰ জিলালৈ মন্ত্ৰী শ্ৰী গোমেশ্বৰ পেগু, ইন্দ্ৰ গঁগৈ আদি গৈছিল। তেওঁলোকে বানপানীত ক্ষতিগ্ৰস্ত লোক সকলক লগ ধৰিছে। অৱশ্যে শ্ৰী পেগু ডাঙৰীয়াই এদিন নিশা নাওতে কটাবলগীয়া হোৱা কথাটো জানিব পাৰিছো। মই খবৰ পাইছো যে যি বিলাক সাহাৰ্য্য বিতৰণ কৰা হৈছে সেই বিলাক কংগ্ৰেছ আই থকা অঞ্চল বিলাকতহে বিতৰণ কৰা হৈছে বুলি ৰাইজে কৈছে। অসমৰ সকলো জনসাধাৰণে যাতে এই সাহাৰ্য্য সমভাবে পায় তাৰ বাবে মই অনুৰোধ জনাইছো। আকৌ খবৰ পাইছো যে বান পানীৰ কাৰণে যি সামগ্ৰী সমূহ সাহাৰ্য্য হিচাবে বিতৰণ কৰিছে প্ৰকৃতাৰ্থত সেইবিলাক বেয়া বস্তু দিয়া হৈছে। এই বস্তু খাই কেবাজনো মানুহ মৃত্যু মুখত পৰিছে বুলি জানিব পাৰিছো। এই সকলোবোৰ তদন্ত কৰি বিহিত ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো।

সভাপতি মহোদয়, সুৱনশিৰি ডাম প্ৰজেক্ট, দিহাং আৰু টিপাইমুখ প্ৰজেক্টৰ কাম আৰম্ভ হোৱাৰ বাবে আমি আনন্দিত হৈছো। কিন্তু ৰাজ্যপাল মহোদয়ৰ ভাষণত এইটো উল্লেখ নথকাৰ বাবে আমি দুখ পাইছো। দিহাং প্ৰজেক্টত ২০ হেজাৰ মেগাৱাট, সোৱনশিৰি প্ৰজেক্টত ৪ হেজাৰ ৮শ বিজুলি শক্তি উৎপাদন হয়। অসমৰ বাবে ৪ শ মেগাৱাট বিজুলি শক্তিৰ প্ৰয়োজন। যদি এই কাম আৰম্ভ কৰি কিছুমান লোকক নিয়োগ কৰা হয় তেতিয়া কিছু হলেও নিবনুৱা সমস্যা সমাধান কৰিব পৰা হব। আমাৰ মুখ্য মন্ত্ৰী

ডাঙৰীয়াই ইতিমধ্যে ঘোষণা কৰিছে যে ১০ লাখ নিবনুৱাক নিযুক্তি দিয়া হব। যদি সোৱনশিৰি ডাম প্ৰজেক্ট সম্পূৰ্ণ হৈ উঠে, তেতিয়া ৩২ হেজাৰ নিবনুৱাক সংস্থাপন কৰিব পৰা হব। ইয়াৰ টেকনিকেল পাৰচনৰ দৰ্কাৰ চাৰি হেজাৰ পাচশ, ফাইনেন্স এণ্ড একাউন্সত ৩৮০ আৰু ওৱাৰ্কচ পাৰচনেলত ৮৮০৯ (স্কিল) ১৬০০০ (আনস্কিল)। গতিকে ৩২ হেজাৰ নিবনুৱাক সংস্থাপন কৰিব পৰা হব। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে চৰকাৰী প্ৰতিবেদন গ্ৰহণ কৰি এই প্ৰজেক্ট বিলাক যাতে সোনকালে হৈ উঠে তাৰ ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো।

সভাপতি মহোদয়, মই ভূমি সংৰক্ষণৰ বিষয়ে ক'বলৈ ওলাইছো। আচলতে খেতিয়ক সকলেহে মাটিৰ মালিক। তেওঁলোকক ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাটি জৰিপ কৰিব লাগে। পূৰ্ব্ব বঙ্গ চৰকাৰৰ পৰা যি সকল লোৱা হৈছিল তেওঁলোকক মাটি দিয়া হ'ব বুলি কথা আছিল। কিন্তু ১৯৭২ চনত অসমত মাননীয় প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰী শৰত সিংহ ডাঙৰীয়াৰ দিনত এইটো বন্ধ ৰখা হৈছিল। পিচত অসম গণ পৰিষদ চৰকাৰে অসমৰ বিভিন্ন লোকক মাটি পট্টা দিয়াৰ কাম হাতত লৈছিল। ১৯৯০ চনত মুখ্য মন্ত্ৰীৰ নিৰ্দ্দেশ ক্ৰমে ধেমাজি, জোনাই আদি ঠাইত পপুলেশ্চন পেৰ্টানত তেতিয়াৰ ৰাজহ মন্ত্ৰী শ্ৰী চন্দ্ৰ আৰান্ধৰাই আনুস্থানিক ভাবে মাটি পট্টা দিছিল। এই আধৰুৱা কামখিনি যাতে তৎকালীন ভাবে সম্পূৰ্ণ কৰে তাৰ বাবে অনুৰোধ থাকিল। যি সকল পূৰ্ব্ব বংঙৰ লোক তেওঁলোকৰ ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ পত্ৰ আছে নে নাই তাৰ পৰীক্ষা কৰাৰ পিচতহে সেই সকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। সদনত এই প্ৰস্তাৱ কেইটা চকু দিবলৈ মই আমাৰ মাননীয় চেয়াৰমেন মহোদয়ৰ যোগেদি অনুৰোধ কৰিছো। আমি বিৰোধী পক্ষত বহিছো, সদায় সহযোগত চলিম। আপোনালোকে বিৰোধী পক্ষৰ সহযোগ বিচাৰিলে অসমৰ সৰ্ব্বাঙ্গীন উন্নতি হ'ব। আপোনালোকে বেলেগ মনোভাৱ লৈ কাম কৰিবলৈ গ'লে তেতিয়া উন্নতি নহ'ব। আমি বক্তৃতা ৰাখিছো।

আমি বক্তব্য ৰাখিছো, কথা কৈছো। বক্তব্য ৰাখিলেই জানো ৰাইজৰ কাম হৈ উঠিব? কেতিয়াও হৈ নুঠে যদিহে আমি এৰা ধৰাৰ মনোভাৱেৰে কাম কৰিবলৈ নাযাওঁ। অকল শাসক দলে নিশ্চয় কেতিয়াও আইন শৃঙ্খলাৰ সমস্যা সমাধান কৰিব নোৱাৰে। বিৰোধী দলৰ সদস্য সকলৰ সহযোগ লাগিব। উদাহৰণস্বৰূপে মই কব বিচাৰিছো যে মিটিং আছিল ৪ বজাত আৰু আমাৰ দলৰ কাৰ্য্যালয়ত চিঠি পাইছে সন্ধিয়া ৭-৩০ বজাত, ইতিমধ্যে মিটিং শেষ হৈ গ'ল। ঠিক সেই ধৰণে মন্ত্ৰী সভাই শপত গ্ৰহণ কৰা চিঠি পাৰ্টি অফিচত পাইছে দিনৰ ১১ বজাত। অথচ ৮-৩০ বজাত শপত গ্ৰহণ শেষ হৈ গ'ল। সেয়ে

অসমৰ সামগ্রিক উন্নয়ণৰ বাবে অংশ গ্রহণ কৰাৰ চিঠি সময়মতে প্রেৰণ কৰে যেন। এই খিনি আবেদন জনোৱাৰ লগতে আইন শৃংখলা, বড়ো কাৰ্বি সমস্যা সমাধান কৰাৰ আবেদন জনালো। ইয়াকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Chairman (Shri Promode Gogoi) :** Now, Dr. A. Majumdar, but before that there is an announcement. I have received a communication form the Chief Minister addressed to the Speaker of the Assam Legislative Assembly. I will read out the communication.

To The Honourable Speaker,
Assam Legislative Assembly.

Sir,

Shri Debesh Chandra Chakravorty, Minister of State has tendered resignation form the Council of Ministers to-day (31.7.91). I recommended to the Governor for acceptance of his resignation. The Honourable Governor has kindly accepted the same to-day. Please make this announcement in the House for information of the Honourable Members of the House.

Yours Faithfully,
H. Saikia.

**Dr. Abdul Matin Majumdar:** Mr. Chairman Sir, in support of the amendment to the motion of thanks moved by Shri Mujibur Rahman I would like to speak a few words. Sir, it pains me to see that in the Governor's Address there is a scanty or casual mention about the devastating floods in the Barak Valley. Mr. Chairman Sir, there is practically no flood protection work done in the last few years and as a result of which all dykes and bunds have been broken bv successive waves of floods. Sir, the immendiate nicessity of flood protection measures should be viewed in its proper perspective in the Barak Valley so that

the crops, property and the people can be saved form hunger.

Mr. Chairman Sir, I would like to point out that there is no mention in the Governor's Address about the communication difficulties in the Barak Valley. It may be that in Brahmaputra Valley the communication is good and so it has escaped the notice of the Government even to mention about the communication difficulties in Barak Valley. The condition of communication facilities in Barak Valley is horrible. The black topping of the roads were gone 3/4 years back and thereafter no maintenacnce work was taken up and as a result not only the padsoinans can not go over the roads due to innumerable pot holes but also the roads have became unfit for motor transport. With these I conclude.

**Shri Jainal Abedin** : Mr. Chairman Sir, we have a convention in the House on the Debate on Governor's Address that the members of the Opposition as well as members of the Treasury Bench are mixed up while taking part in the debate - but this time we find that only members of one side are given chance to spead which is likely to make the debate monotonous.

**Mr. Chairman (Shri Promode Gogoi)** : What is the procedure ? All the members were allowed to move the amendment and amendments are already moved. (Voices: We hope that the convention will be maintained).

Mr. Chairman : Yes, Yes, Now Mr. Parameswar Brahma:

**Shri Parameswar Brahma**: Mr. Chairman Sir, I rise to speak a few words on the vote of Thands Motion moved by Shri Mujibur Rahman. While taking part in this debate I want to express my feeling that the Governor's Address has failed to mention about the failure of the Government of Assam on the Bodoland issue. Mr. Chairman Sir, the Bodo Students Union has been launching democratic movement since March 1987 demanding creation of Bodoland in the north band

of Brahmaputra river under Articles 2 & 3 of the Constitution. Two antonomus districts in the south and inclusion of Bodo land of Karbi Anglong into the 61th Schedule of Constitution. The creation of Bodoland will add to the growth of India and will not jeopardise it in any way. The Goverment of India to find out a solution initiated a dialogue between the Goverment of Assam and the Government of India. Meanwhile and expert committee war constituted by the previous Central Government It is seen that there has been attempts to stop this process if finding out ways and means to solve the Bodoland issue. His Excellency, the Governor of Assam in the Address, I an surprised to see that-Governor should have dealt with the matter separately and on the lines of Government of India as has been recognised. On the other hand injustices are being done to the Students and citizens of the State belonging to the Bodos who have been agitating for creation of separate State of Bodoland within the Constitutional Fremework. We expressed our concern time and again that many people have been arrested by the previous Goverment and they are now suffering detention inside the jails. We demanded immediate and uncon-ditionas release all ABSU activists detaind under false charges but nothing was done. The ULFA has defied the Indian Constitution and yet they are given. But what about the Bodos? They wanted a separate State within Indian Union, but they are discriminated. The Bodos want a separate State within the frame-work of Indian Constitution without disturbing the unity and integrity of the Country. Also in place of employment.

In regard to the statutory provision of employment of the tribals in the State Government service, the subsequent State Govts have not fulfilled the provision. They have never done anything in this regard. Inspite of my request, the members of the Government did not arrange for employment of SC & ST. How many candidates of SC/ST are there in the Secretariat. I have an information that there is not a single SC/ST employee in the establishment section of the Sectt. which justifies calculated descrimination against tribal

people. In regard to land policy of the Assam Government this will go against the tribal people. It is indirectly giving indulgence to more alianation of the land of the tribal people. There is doubt that because of the land policy, dereservation of Tribal Block and Belt will get momentum and as a result, the tribal people will be the great sufferer. We the Bodo Students Union and BAPC had protested to the Assam Government and India against the Assam Accord's Clauses No 6 and No 10. Clause No 6. envisages forceful imposition of Assamese language which goes against the Constitution. Now, about Clause 10, it has the deliberate attempt to deprive the tribal people and their legitimate rights of preservation of tirbal lands, there are some lacunae which are not reflected in the Governor's address. I would, therefore, request you, Mr. Chairman, to take immediate steps in this regard. In regard to the burning problem the Bodoland issue, we have submitted our reaction that unless the bodoland Issue is solved within 15 the August, we will be compelled to start out agitation. In the past, we kept suspended our agitation with a confidence that the Centre as well as the State Government would find out means to the amicable settlement of the Bodoland issue, creation of two Autonomous districts and inclusion of Boro Kacharis of Karbi Anglong in to the Sixth Schedule of the constitution. We are ready to face any extent of our motto is that we shall sacrifice for the sake of Bodoland which is a burning problem for us. Seeing the present state of affairs in the State, we have a feeling that the Bodos have no security in Assam. There is no development for the Bodos in the socio-economic & political sphere. To assert our definite right, we want a separate political entity for ungindered development. As such, we want a separate State by bifurcating the present State of Assam. Sir, the Chief Minister in his statement mentioned about the Bodo extremists. But in regard to violence prepetrated by other groups, they are called miscreants. Even the media are partisan in this regard. So, I protest this tendency. The Government should not utter such and unwarranted and intolerable words which injure the

sentiments of lakhs of Bodo people. Our demand is justified and constitutional. There are instances of creating separate States out of Assam. The states of Mizoram, Nagaland and Arunachal Pradesh were created because of the exigency of the situation. It was because of the deprivation and exploitation against the tribal people. So the tribal of those states demanded and created separate States. Similarly, We cannot compromise in our genuine demand of Bodoland and it has no alternative.

**শ্ৰী হিৰণ্য ৰৰা ঃ-** মাননীয় সভাপতি মহোদয়, মই জয়জয়তে আমাৰ দলৰ ফালৰ পৰা প্ৰফেচাৰ মজিবুৰ ৰহমান ডাঙৰীয়াই যি ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক আৰু কৃতজ্ঞতা প্ৰকাশৰ প্ৰস্তাৱ দাঙি ধৰিছে তাৰ বাবে তেখেতক মই ধন্যবাদ জনাই প্ৰস্তাৱটোৰ সমৰ্থনত মই দুৱাষাৰমান কথা ক'বলৈ আগবাঢ়িছো।

সভাপতি মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ অভিভাষণৰ যোগেদি ৰাজ্যখনৰ আইন শৃংখলাৰ পৰিস্থিতি, নিবনুৱা যুৱক সকলৰ কৰ্মসংস্থানৰ পৰিস্থিতি, ৰাজ্যখনৰ অৰ্থনৈতিক পৰিস্থিতি আৰু নতুনকৈ গঠিত হোৱা চৰকাৰখনে ল'বখোজা বিভিন্ন আঁচনিৰ কথা সুন্দৰভাৱে তেখেতৰ অভিভাষণত দাঙি ধৰিছে। সভাপতি মহোদয়, আজি আমি এটা বিশেষ সন্ধিক্ষণত এই বিধান সভাত বহিছো, আমি আলোচনা কৰিছো, বিৰোধি পক্ষৰ ফালৰ পৰা আইন শৃংঙ্খলাৰ পৰিস্থিতিৰ কথা আলোচনা কৰিছে আৰু ৰাজ্যখনত আইন শৃংঙ্খলা নাই বুলি কৈছে। কিন্তু সভাপতি মহোদয়, আমি যেতিয়া তেখেত সকলে বহা আসনত বহিছিলো আমি তেতিয়াই এই বিলাক কথা কৈছিলো কিন্তু তেখেত সকলে সেই সময়ত আমি কোৱা কথা বিলাকত অকনো গুৰুত্ব আৰোপ নকৰিলে। যদি সেই সময়তেই ৰাজ্যখনৰ আইন শৃংঙ্খলাৰ পৰিস্থিতিৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ব্যৱস্থা ল'লেহেতেন তেনেহ'লে আজি অসমৰ পৰিস্থিতি বহুত খিনি উন্নত হ'লহেতেন।

সভাপতি মহোদয়, আজি বিধান সভাত আপোনাৰ নিচিনা বয়সস্থ, জ্ঞানী, প্ৰতিভাবান ৰাজনীতিজ্ঞ ব্যক্তি আছে।

সভাপতি মহোদয়, আমাৰ মুখ্যমন্ত্ৰী, দলপতি শইকীয়াৰ নিচিনা এজন সুদক্ষ

প্ৰশাসক আছে, আমাৰ বহুতো বড়ো যুৱ নেতা আহিছে, কাৰ্বি আংলং জিলাৰ হলিৰাম টেৰাং ডাঙৰীয়াও আছে, এ,জি,পি দলৰ হৈ বহুতো ছাত্ৰ নেতাই নিৰ্ব্বাচন খেলি ইয়ালৈ আহিছে। আমি সকলোৱে মিলি এই বিধান সভাত কোনো দলৰ হৈ নহয়, অসমৰ ৰাইজৰ কাৰণে অসমৰ যিখিনি জলন্ত সমস্যা আছে সেই সমস্যাবিলাক সমাধান কৰিবৰ কাৰণে আমি যদি গুৰুত্ব সহকাৰে চিন্তা কৰো তেতিয়াহ'লে ইয়াৰ উপায় নিশ্চয় ওলাব। কিন্তু গতানুগতিক ভাবে আমাৰ বিৰোধীদলৰ মাননীয় সদস্য সকলে যদি বিৰোধীতা কৰাৰ নামত কেৱল বিৰোধীতা কৰি যায় তাৰ দ্বাৰা ৰাজ্যখনৰ বা যি সকল লোক এই বিধান সভাৰ বাহিৰত কিবা এটা হ'ব এই ভাব লৈ আছে সেই লোকসকল হতাশ হ'ব। সেই কাৰণে অতি শীঘ্ৰে আজি আমি সকলোৱে এইখিনি কথাৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু সকলোৱে মিলি ৰাজ্যখনৰ আইন শৃঙ্খলা, ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতি কেনে ধৰণে গঢ়ি তুলিব পাৰ যায়, কেনেকুৱা ধৰণে কাম কৰিলে ৰাজ্যখনৰ শিক্ষিত নিবনুৱা লোক সকলৰ কৰ্ম্ম সংস্থান হ'ব এই কথাখিনি আজি আমি চিন্তা কৰিবৰ সময় আহি পৰিছে। সভাপতি মহোদয়, ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত কৈছে যে নিৰ্ব্বাচল শান্তিপূৰ্ণ ভাবে পাৰ হৈ গৈছে আৰু মাননীয় বিৰোধী দলৰ এগৰাকী সদস্য শ্ৰী ডেকা ডাঙৰীয়াই কৈছে যে 'কমলপুৰ' অসমৰ বাহিৰত নেকি? সৰুসুৰা ঘটনা সকলোতে হয়। কিন্তু সৰুসুৰা কথা বিলাকলৈ যিমানেই যাব সিমানেই সেইটো ডাঙৰ হ'ব। প্ৰকৃতপক্ষে এটা কথা চাব লাগিব যে অসমৰ ৰাইজে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ ওপৰত বিশ্বাস কৰি আহিছে আৰু কৰিব আৰু সেইটোৰ ওপৰত ভিত্তি কৰিয়েই অসমৰ জন সাধাৰণে যোৱা নিৰ্ব্বাচনত ভোট দান কৰিছে। ইয়াত কোন দলে কিমান পাৰচেণ্ট ভোট পাইছে সেইটো হৈছে এটা অমুলক কথা। কিন্তু এটা কথা ঠিক যে গণতান্ত্ৰিক পদ্ধতি অনুসৰি ৰাইজক এটা দলৰ চৰকাৰৰ প্ৰতিষ্ঠা কৰিব দিছে আৰু সেইটো হৈছে কংগ্ৰেছ দল। আৰু কংগ্ৰেছ দলে ৰাজ্যপালৰ ভাষণত কোৱাৰ দৰে এটা কথাই কৈ আহিছে যে ৰাজ্যখনৰ শান্তি শৃঙ্খলাৰ ক্ষেত্ৰত কেতিয়াও পিচুৱাই যোৱা নহ'ব। আইন শৃঙ্খলা ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা কথাখিনি কংগ্ৰেছ দলৰ লগত মিল আছিল। সভাপতি মহোদয়, আমি যোৱা ৫ টা বছৰ দেখিছো। গতিকে আজি চৰকাৰ গঠন কৰাৰ এমাহ হওতেই প্ৰশাসনক লৈ গালি-গালাজ পাৰি একো লাভ নহ'ব। আমাৰ মাননীয় বিৰোধী দলৰ যি সকল সদস্য আছে তেওঁলোকে যদি নিজকে প্ৰশ্ন কৰি চায় তেতিয়াহ'লে তেওঁলোকে বুজিব পাৰিব যে আমি কি কৰিলো। আমি ছাত্ৰ অৱস্থাতেই ইয়াৰ প্ৰতিনিধি হ'লো আৰু আমি চৰকাৰ গঠন কৰিছিলো। কিন্তু আমি আমাৰ দায়িত্ব কেনে ভাবে পালন কৰিলো। যদি আমি আমাৰ

দায়িত্ব ঠিক মতে পালন কৰিলোহেতেন তেতিয়াহ'লে আজি এই অবৰ্ণনীয় অৱস্থাটো নহ'লহেতেন। আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই আজি ক'লা আইনৰ কথা কৈছে। এই ক'লা আইন আমি কৰা নাই। ক'লা আইনৰ কথা বিলাক সেই সময়ৰ প্ৰাক্তন গৃহ মন্ত্ৰী ডাঙৰীয়াই নিজেই সেই সময়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিৰুদ্ধে অভিযোগ কৰি কৈছিল।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ-** ৰাষ্ট্ৰপতি শাসনৰ পিচতহে ঘোষণা কৰা হয়।

**শ্ৰী হিৰণ্য বৰা ঃ-** এই কথাখিনি কাগজত ওলাইছে "সমগ্ৰ অসমখনকে উপদ্ৰুত অঞ্চল ৰূপে ঘোষণা কৰা আৰু সৈন্যবাহিনীৰ বিশেষাধিকাৰ আইন বলবৎ কৰাৰ বিৰুদ্ধে অগপৰ প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে উচ্চস্বৰে প্ৰতিবাদ কৰি এনে কাৰ্য্য গণতন্ত্ৰৰ পৰিপন্থী বুলি কৈছে। তেওঁৰ দলৰে বিসম্বাদী নেতাই আৰু সংবাদ পত্ৰই হ'লে ৰাইজক জনাইছে - 'সামৰিক বাহিনীৰ সন্ত্ৰাসবাদী ভূমিকাত প্ৰাক্তন মুখ্য মন্ত্ৰীৰ পূৰ্ব্বসন্মতি আছিল। নতুন দিল্লীক আলফাৰ পিছত প্ৰাক্তন গৃহমন্ত্ৰী থকা বুলি প্ৰাক্তন মুখ্যমন্ত্ৰীকহে দোষাৰোপ কৰিছিল। 'দিল্লীত চৰকাৰ পৰিৱৰ্ত্তন নোহোৱা হ'লেও হয়তো এটা সময়ত আলফা দমনৰ নামত অসম অগ্নি গৰ্ভ হৈ উঠিলহেঁতেন, কাৰণ জনামতে এক গভীৰ ষড়যন্ত্ৰৰ পাতনি মেলি গোপন বুজাবুজিৰে প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে আলফা দমনৰ বাবে দিল্লীক 'গ্ৰীণ চিগ্‌নেল' দি আহিছিল। ৰাজ্যপালৰ (শ্ৰী দেবীদাস ঠাকুৰ) প্ৰতিবেদনতো বোলে অসম অশান্ত অঞ্চল ঘোষণা কৰা প্ৰস্তাৱত মুখ্যমন্ত্ৰীৰ সন্মতি থকাৰ উল্লেখ আছে। সভাপতি মহোদয়, এই কথাবিলাক মই এই কাৰণেই কৈছো যে ইফালেও জগৰ লগালে সিফালেও জগৰ লগালে এনেকুৱা ধৰণৰ এই কথাবিলাকৰ পৰা একো লাভ নহয়। আজি অসমৰ যুৱক সকলে কিয় হাতত অস্ত্ৰ তুলি ল'ব লগা হৈছে। যি সকলে আজি হাতত অস্ত্ৰ তুলি লৈছে সেই সকল হৈছে আমাৰেই ভাই। এই অস্ত্ৰ তুলি লোৱাৰ কাৰণে কংগ্ৰেছ দলকেই দোষাৰোপ কৰিব বিচাৰে। আমাৰ প্ৰাক্তন মাননীয় অধ্যক্ষ ডাঙৰীয়াই প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই সমস্যাটো সমাধান কৰা কথা কৈছিল আৰু এইটো নকৰিলে আৰু এই সমস্যাটো সমাধান নকৰিলে ভৱিষ্যতে ই ভয়াবহ ৰূপ ধাৰণ কৰিব বুলি কৈছিল। এই তেওঁ গৃহমন্ত্ৰী (প্ৰাক্তন) ডাঙৰীয়াৰো দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁ আৰু কৈছিল যে কিহৰ কাৰণে আমাৰ লৰাখিনি অসন্তুষ্ট হৈছে আৰু কিহৰ কাৰণে হাতত অস্ত্ৰ তুলি লৈছে সেই সকলো কথা আলোচনা কৰিব লাগে আৰু সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগতো যোগাযোগ কৰিব লাগে। কিন্তু সেই কথা বিলাকলৈ কৰ্ণপাত কৰাই নহ'ল। সেই সময়ত বৰো ভাই সকলে

আন্দোলন কৰিছিল। তেতিয়া আমি এই বিধান সভাতেই কৈছিলো যে প্ৰেমসিং, উপেন ব্ৰহ্ম আদি ছাত্ৰনেতা সকলে একেলগে আপোনালোকৰ লগত ভাগলপুৰত জেইল খাইছিল। কিন্তু সেই ছাত্ৰ নেতা সকলে কিয় সদৌ অসম ছাত্ৰসন্থাৰ পৰা ফালৰি কাটি যাবলগীয়া হ'ল। ভাগলপুৰত জেইল খোৱাৰ কথা আজিও মোৰ মনত আছে। কিয় আজি সেই সকল ছাত্ৰনেতাই সুকীয়া অস্তিত্ব বিচাৰিছে। কাৰ্বি আংলং জিলাৰ হলিৰাম টেৰাং এ,জি,পি দলৰ মন্ত্ৰীও আছিল। তেখেতে মন্ত্ৰীপদও ত্যাগ কৰিলে। কি কাৰণে বা কি ক্ষোভত তেওঁলোক আঁতৰি যাবলগীয়া হ'ল। নিশ্চয় আমাৰ কিবা ভুল আছে। এই ভূল কোনখিনিত আমি আলোচনা কৰিব লাগিব। আমি তেখেত সকলক বুজাই তেখেত সকলৰ সমস্যাবিলাক সমাধান কৰিব লাগিব। বিশেষকৈ তেখেত সকলৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশটোৰ কথা আমি চিন্তা কৰি চাব লাগিব। মুঠতে আলোচনাৰ মাধ্যমেৰে অসম খনৰ, অসমীয়া জাতিটোৰ কেনেকৈ উন্নতি সাধন কৰিব পাৰি এই কথাখিনি চিন্তা কৰিব লাগে। আজি যি সকল লোকৰ ঘৰত মানুহৰ মৃত্যু হৈছে, যি সকল মাতৃৰ শিৰৰ সেন্দুৰ মচা গৈছে, যি সকল লোকে পুত্ৰহাৰা হৈছে, যি সকল লোকে নিজৰ পৰিয়ালৰ লোকৰ চিন্তাত অহৰ্নিশে জাগৃত হৈ থাকিবলগীয়া হৈছে সেই সকল লোকেহে অনুভব কৰিছে। যি সকল লোকে নিজৰ পুত্ৰ হেৰুৱাইছে, নিজৰ ককাই-ভাইক হেৰুৱাইছে বা আত্মীয় স্বজন হেৰুৱাইছে সেই সকল লোকেহে বুজিব পাৰিব তেওঁলোকৰ বেদনা কি মৰ্ম্মস্পৰ্শী। তেওঁলোকে এই বেদনা কি অনুভব কৰিব পাৰিছে। গতিকে এই সমস্যা বিলাক সমাধান কৰাৰ কাৰণে আমি সকলোৱে একেলগে আগবাঢ়ি আহিব লাগিব।

সভাপতি মহোদয়, আজি বানপানী সমস্যাৰ কথা কৈছে কিন্তু বানপানী সমস্যা সমাধান কৰিবৰ কাৰণে বাস্তৱ দৃষ্টিভঙ্গী ল'ব লাগিব। কিন্তু বাস্তৱ দৃষ্টিভঙ্গী ল'বৰ কাৰণে চৰকাৰক এটা সুস্থ পৰিবেশ দিব লাগিব। এটা সুস্থ পৰিবেশ, এটা শান্তিৰ পৰিবেশ জগাই তুলিবৰ কাৰণে আমি জনসাধাৰণক জাগৃত কৰিব লাগিব। আৰু এই বিধান সভাৰ সদস্য হিচাবে দল বল নিৰ্ব্বিশেষে আমাৰ সকলোৰে এটা দায়িত্ব আহি পৰিছে।

সভাপতি মহোদয়, ৰাজ্যপালৰ ভাষণত কৈছে যে, অসমত উদ্যোগ প্ৰতিস্থা কৰিব। কিন্তু কেনেকৈ প্ৰতিস্থা কৰিব? কোন উদ্যোগপতি ইয়ালৈ আহিব? কোনে গেচ ক্ৰেকাৰৰ কাৰণে ইয়াত টকা খৰচ কৰিব? সভাপতি মহোদয়, ইয়াত শান্তি আনিব লাগিব। আজি চাহ উদ্যোগৰ কথাত মইও একমত চাহ উদ্যোগৰ যিবিলাক কেন্দ্ৰীয় কাৰ্য্যালয় আছে সেইবোৰ কিয় অসমলৈ নাহিব মুখ্যমন্ত্ৰীৰ ওপৰত আমাৰ বিশ্বাস আছে। তেখেতৰ

কৰ্মদক্ষতাৰ ওপৰত বিশ্বাস আছে। আমি যদি সকলোৱে দলে বলে কংগ্ৰেছৰ হাতখন শক্তিশালী কৰো আমাৰ সমস্যা সমাধান হ'ব। চাহৰ কেন্দ্ৰীয় কাৰ্য্যালয় অসমলৈ আহিব। চাহ কোম্পানী সমূহৰ ৰেজিষ্টাড হেড্ অফিচৰ লগতে অপাৰেচনেল হেড্ কোৱাটাৰ সমূহো অসমলৈ স্থানান্তৰ কৰিব লাগে। দ্বিতীয়তে, অসমৰ মুঠ জনসংখ্যাৰ এক পঞ্চমাংশ চাহ জন জাতি ৰাইজৰ ওপৰত শিক্ষাৰ ক্ষেত্ৰতো ঔপনিবেশিক শোষণ নিষ্পেষণ পূৰ্ণ গতিত অব্যাহত ভাবে চলাই থকাটোও বৰ পৰিতাপৰ বিষয়। উদাহৰণ স্বৰূপে আজি পৰ্য্যন্ত চাহ বাগিছা সমূহত অৱস্থিত প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰী কৰণ হোৱা নাই। বৰ্ত্তমান চৰকাৰে উক্ত বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি চৰকাৰী কৰণৰ ব্যৱস্থা কৰিব লাগে। তৃতীয়তে, গোটেই জীৱন চাহ বাগিছাত শ্ৰমদান কৰাৰ পিচতো অৱসৰৰ পাছত চাহ শ্ৰমিকৰ প্ৰতি বাগান কৰ্ত্তৃপক্ষৰ কোনো দায়বদ্ধতা নাথাকে। ফলত অৱসৰপ্ৰাপ্ত চাহ শ্ৰমিকৰ অৱস্থা অতি শোচনীয় হৈ পৰে। চৰকাৰে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ কাৰণে আমি এটা পৰিস্থিতি তৈয়াৰ কৰিব লাগিব, বাতাবৰণৰ সৃষ্টি কৰিব লাগিব। আমিও কৰিবলৈ প্ৰস্তুত। মোৰ দৃঢ় বিশ্বাস কোনো চাহ বাগানৰ মালিকে কুণ্ঠাবোধ নকৰিব। আজি সকলোৰে মনত এটা সন্দেহৰ ভাৱ আছে। আজি আপোনালোক সকলোৱে বিচাৰিছে চাহ বৰ্ডৰ কেন্দ্ৰীয় কাৰ্য্যালয় অসমলৈ অনাটো। কিন্তু ইয়াৰ কাৰণে আমি এটা পৰিস্থিতি, পৰিবেশ সৃষ্টি কৰিব লাগিব। কেৱল চেষ্টা কৰি থাকিলেই নহ'ব। কাৰণ চিন্তা কৰি থাকোতেই ৫ বছৰ গ'ল। এনেকৈয়ে গৈ আছে। এনেকৈয়ে আমি ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰি আছো। কিন্তু আমি গুৰুত্ব সহকাৰে বিষয়টো আগুৱাই নিব পৰা নাই। সভাপতি মহোদয়, মই সকলোৰে হৈ এটা অনুৰোধ কৰিব বিচাৰিছো - আহক আমি বিধায়ক সকলক একমত হৈ ৰাজ্যপালৰ ভাষণক ধন্যবাদ জনাওঁ, সমৰ্থন জনাওঁ যাতে অসমলৈ অৰ্থনৈতিক স্বাধীনতা আনিব পাৰো, অসমলৈ শান্তিৰ পৰিবেশ ঘূৰাই আনিব পাৰো। বিৰোধী পক্ষই আগতে যি সোণৰ অসম গঢ়াৰ যি শ্লোগান দিছিল সেই সোনৰ অসম কেনেকৈ এতিয়া গঢ়িব পাৰি তাৰ কথা চিন্তা কৰো। সভাপতি মহোদয়, মই এইখিনি কথা কৈয়ে মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰী চন্দন কুমাৰ চৰকাৰ ঃ** — মাননীয় সভাপতি মহোদয়, উপস্থিত বিধায়ক সকল, আমাৰ দলৰ ফালৰ পৰা অসমৰ ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেইটো আন্তৰিকতাৰে সমৰ্থন কৰিছো। এই কাৰণেই সমৰ্থন জনাইছো যে, আমাৰ চৰকাৰে কি কি কাম কৰিব আৰু কি কি কাৰ্য্যসূচী হাতত ল'ব এই সকলো কথা

ৰাজ্যপালৰ ভাষণত লিপিবদ্ধ হৈছে। সভাপতি মহোদয়, মই এইবাৰ প্ৰথম বিধায়ক হিচাবে বিধান সভালৈ আহিছো। আমি একোজন বিধায়ক, আইনজ্ঞ, আমি আইন তৈয়াৰ কৰো। কিন্তু আজি আইন শৃংখলাৰ পৰিস্থিতি লৈ বিৰোধী পক্ষৰ সদস্য সকলে যিবিলাক কথা উৎথাপন কৰিছে সেইবিলাক চাই আৰু তেখেতসকলে সদনত যি ব্যৱহাৰ কৰিছে সেইয়া দেখিবলৈ পাই মই নিজে অতি লজ্জিত হৈছো। আমি সংবিধানৰ নীতি অনুযায়ী একোজন বিধায়ক। আমি নিজৰ কথাখিনি প্ৰকাশ কৰাৰ অধিকাৰ আমাৰ আছে। কিন্তু সদনত উদ্ভগুলী সৃষ্টি কৰি টেবুলত থাপৰ মৰাতো ৰাজ্যপালৰ ভাষণ চিঙি পেলোৱাতো সংবিধানত দেখা পোৱা নাই। মই এইখিনিতে এটা কথা কওঁ যে, মই নতুন বিধায়ক হিচাবে বাস্তৱ অভিজ্ঞতা নাই। আজি এতিয়া সদনত আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীমহন্ত আৰু প্ৰাক্তন গৃহমন্ত্ৰী শ্ৰীফুকন ডাঙৰীয়া উপস্থিত নাই। আমি আগতে একেলগে আছু কৰিছিলো আৰু এতিয়া মই কংগ্ৰেছ কৰিবলৈ আহিছো। ১৯৮৫ চনৰ নিৰ্ব্বাচনৰ পিচত যিবিলাক ছাত্ৰ নেতাই বিধায়ক হৈ চৰকাৰ গঠন কৰিছিল আৰু সুস্থ চৰকাৰ গঠন হোৱাৰ পিচত গুৱাহাটীৰ মাজ মজিয়াত অতি লজ্জাজনক ভাবে সংখ্যালঘূ সম্প্ৰদায়ৰ এজন প্ৰবীন নেতাক দিনৰ ১১ বজাত গুলি কৰি হত্যা কৰা হ'ল। কিন্তু সেই দুবৃত্তক আজিলৈকে উক্ত চৰকাৰে ধৰিব পৰা নাই। অকল এয়ে নহয়, বিভিন্ন কংগ্ৰেছ কৰ্ম্মী ৰাজ্যখনৰ বিভিন্ন অংশত হত্যা কৰা হ'ল, কিন্তু আচামী ধৰা পেলাব পৰা নাই, বৰপেটাৰ নিচিনা ঠাইত ৰঞ্জিত বৰুৱাক হত্যা কৰা হৈছে, মঙ্গলদৈত মুকুল দাসক আৰু নগাওঁত ললিতক বধ কৰা হৈছে। তেওঁলোকে চৰকাৰ গঠন কৰিছিল অসমক 'সোনৰ অসম কৰি গঢ়ি তোলাৰ বাবে। কিন্তু আমি দেখিবলৈ পালো? এইটো আমি সকলোৱে জানো। ইয়াৰ বাবে দায়ী যোৱা ৫ বছৰে শাসনত অধিস্থিত থকা এ,জি,পি চৰকাৰ। অজি অসমৰ বিভিন্ন জংঘলত গুন্দা, আলফাৰ সৃষ্টি হৈছে, জংঘলত ট্ৰেইনিং কেম্প হৈছে। তেতিয়া চৰকাৰ অন্ধ হৈ আছিলনেকি? নিশ্চয় চৰকাৰে ইনদাইৰেক্টলি এই ট্ৰেইনিং কেম্প বহিবলৈ দিছে। আজি অসমৰ বন অঞ্চল বিলাক খালি হৈ গৈছে। পূৰ্ব্বৰ চৰকাৰে বন জংঘল কাটি শেষ কৰিলে। কালি এগৰাকী বিৰোধী পক্ষৰ মাননীয় সদস্যাই কৈছে যে, কংগ্ৰেছৰ ৩ টা চৰকাৰ আছে। কিন্তু মই কওঁ এইটো সচা নহয়। কিন্তু যোৱা ৫ বছৰ শাসন কৰা এ,জি,পি চৰকাৰৰ দিনত হাজাৰ হিচাবে চৰকাৰ আছিল। আমি এ,জি,পি চৰকাৰৰ মন্ত্ৰী বন্ধু সকলৰ লগতে আগতে একেলগে আছু কৰিছিলো। গতিকে তেখেতসকলৰ বহু কথা মই জানো। মই অভয়াপুৰী সমষ্টিৰ পৰা বিধায়ক হিচাবে আহিছো। বিৰোধী দলে চৰকাৰক সদায়েই সমালোচনা কৰে। কিন্তু আমি সদনৰ পৰম্পৰা ৰক্ষা কৰা কাৰণে নিজ নিজ ঠাইত থাকি সংবিধানৰ কথা কৈ আমাৰ

বক্তব্য ৰাখিব পাৰো।

মাননীয় সভাপতি মহোদয়, আমি সকলোৱে একে লগে অসমৰ সামগ্রিক উন্নয়ণৰ কাৰণে চিন্তা কৰিব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ক বহুতে দোষাৰোপ কৰিছে যে, বানক্ষতিগ্রস্ত লোকক সঠিকভাবে সাহায্য আগ বঢ়াব পৰা নাই। কিন্তু এইটো সচা নহয়। বিৰোধী পক্ষৰ সদস্য মাননীয় ভূপেন ৰয় দেবে তেখেতৰ ভাষণত উল্লেখ কৰিছে যে এইবাৰ বানবিধস্ত লোকক ৰিলিফ দিয়াৰ সময়ত অজস্র চাউল দিয়া হৈছে। গতিকে সকলোবিলাক কথা কন্‌স্ট্রাকটিভ মাইন্দৰ হ'ব লাগে। আলফাৰ সমস্যা সমাধান কৰাৰ বাবে আমাৰ চৰকাৰৰ ফালৰ যথেষ্টখিনি কৰা হৈছে। অথচ এই আলফাৰ হাতত আমাৰ কংগ্রেছ আইৰ হাজাৰ হাজাৰ কৰ্ম্মী মৰিছে। কিন্তু আমাৰ চৰকাৰ গঠন হোৱাৰ পিচতেই আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই আলফাক ক্ষমাদান কৰিছে আৰু আলোচনাৰ মেজলৈ অহাৰ বাবে আহ্বান জনাইছে। আমাৰ বিৰোধী পক্ষৰ কেইজনমান সদস্যই কৈছে যে, ৰাজ্যৰ পুলিচ বাহিনী বেয়া হৈ গৈছে। কিন্তু আজি কেইমাহমানৰ আগলৈকে এই পুলিচ সকলেই আছিল এ,জি,পি চৰকাৰৰ পুলিচ। তেতিয়া পুলিচ ভাল আছিল আৰু আজি হঠাতে বেয়া হ'ল কেনেকৈ? ৰাষ্ট্রপতিৰ শাসনৰ কালতো এই সকল পুলিচেই আছিল অসমত যিসকল বিষয়া আছে আমি তেওঁলোকৰ ওপৰত নির্ভৰ কৰিব লাগিব। চৰকাৰ যি পার্টিয়েই গঠন নকৰক।

সভাপতি মহোদয়, আমাৰ বড়ো সমস্যা সম্পৰ্কে ৰাজ্যপালৰ ভাষণত লিপিবদ্ধ হৈছে। এই সমস্যা সমাধান কৰাৰ বাবে আলোচনাৰ মাধ্যমেৰে আগবাঢ়ি যোৱাৰ বাবে ৰেডিঅ', টি,ভি আদিত প্রচাৰ কৰিছে। সকলো সমস্যা আলোচনাৰ মাধ্যমেৰে নিষ্পত্তি কৰিব লাগিব। আমি সকলোৱে বিধান সভাৰ সদস্য হিচাবে অসমৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে কাম কৰি যাব লাগিব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

জয়হিন্দ।

(Mr. Speaker occupied the chair)

শ্রী মিশন রঞ্জন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমেরিকার প্রথম রাষ্ট্রপতি এবং বিশিষ্ট রাজনীতিবিদ আব্রাহম লিংকন গণতন্ত্র সম্বন্ধে বলেছেন

মহোদয়, গতকাল মাননীয় রাজ্যপাল মহোদয়ের ভাষণ আমরা শুনেছি। তাঁর বক্তব্যর সঙ্গে আমাদের অনেক মতোবিরোধ আছে। অনেক ব্যাপারে আমরা অসন্তুষ্টও

হয়েছি। তথাপি নীরবে আমরা রাজ্যপাল মহোদয়ের ভাষণ শুনেছি। কিন্তু আজ এই ভাষনের উপর যে বিতর্ক চলছে তাতে অংশ গ্রহণ করে আমি আমাদের অসন্তুষ্টির কারন তুলে ধরছি।

মহোদয়, সর্বপ্রথমে রাজ্যের আইন শৃংখলার অৱস্থা সম্বন্ধে বলতে গিয়ে আমি বলতে চাই যে আজ সমগ্র আসামে বিশেষ করে বরাক উপত্যকার অৱস্থা খুবই খারাব। সমস্ত বরাক উপত্যকায় আজ বি এস এফ এবং পুলিশের উপদ্রব বিদ্যমান। সমগ্র অঞ্চলে একটা 'পেনিরি' ভাব। গত ২৯/৭/৯১ ইংর প্রকাশিত 'সান্ধ্য বাতৰি' কাগজে খবর বেড়িয়েছে যে বি এস এফ জোৱান দ্বারা বরাক উপত্যকায় ২ জন গ্রাম বাসীকে হত্যা করা হয়েছে। খবরে প্রকাশ যে করিমগঞ্জ জেলার সীমান্ত অঞ্চল বসাগাওয়ে বি এস এফ জোয়ানরা অব্দুল নুরের ঘরে প্রবেশ করে নুরের পত্নী রহিমা বেগমকে বলপূর্বক নিয়ে যাবার ঘটনাকে কেন্দ্র করে দুইজনকেই এই জোয়ানরা গুলি করে হত্যা রেছে। এই যয়েগা আমার নির্বাচন চক্রের মধ্যে পরে এবং এখানকার জনগণ এই জোয়াদের অত্যাচারে আজ অতিষ্ট হয়ে পরেছে। এই ধরনের ঘটনা যে শুধু করিমগঞ্চ জেলায় ঘটে চলেছে তানয়। আসামের বিভিন্ন অঞ্চলেও এই ধরনের ঘটনা চলেছে বলে আমরা শুনতে পাচ্ছি। এইসব ঘটনার পরিপ্রেক্ষিতে আমাদের ধারনা হচ্ছে যে আসামে আজ কোন হোম মিনিষ্ট্রি আছে কিনা ? বি এস এফ র জোয়ানদের আচার ব্যবহার দেখে মনে হয় তাদের ডিফেন্স মিনিষ্ট্রি সরাসরি পরিচালনা করছে।

মহোদয়, বন্যা নিয়ন্ত্রণ বিভাগ সম্পর্কে আমি ২/১ টি কথা বলতে চাই। বরাক, উপত্যকা বিশেষ করে করিমগঞ্জ জেলা বিগত বন্যায় বিশেষভাবে ক্ষতিগ্রস্থ হয়েছে। যদিও নির্বাচনের আগে এই বন্যা হয়েছে কিন্তু আজ পর্যন্ত সেখানকার রাস্তাঘাটের মেরামতি বা জনগণের পূর্ণবাসনের কোন ব্যৱস্থা সরকার থেকে কৰা হয়নি। সুতরাং আমি সরকারের কাছে দাবী রাখছি অতি সত্বর য়েন সেখানকার লোকদের মধ্যে খাদ্য সামগ্রী দেওয়ার ব্যবস্থা করা হয় এবং তাদের সঠিকভাবে পূর্নসনের ব্যৱস্থা কৰা হয়। তাছাড়া করিমগঞ্জ জেলার প্রধান ২টি নদী - লংগাই এবং সিমলা নদীর যদি অতি সত্বর খনন কার্য্য আরম্ভ না কৰা হয় তাহলে করিমগঞ্জ জেলার বন্যা - নিয়ন্ত্রণ করা সম্ভব হবে না। কারন এই সব নদীর 'বেড়্' খুব উপরে উঠে গিয়েছে। সামান্য বৃষ্টি হ'লেই এই সব নদী প্লাবিত হয়ে বিস্তর জনবসতি এবং ফসলের ক্ষতি করে থাকে।

মহোদয়, রাজ্যপাল মহোদয়ের ভাষনে বরাক ডামের কথা বলা বলা হয়েছে।

কিন্তু আমার বিশ্বাস শুধু বরাক ড্যাম তৈরী করলেই সমস্ত বরাক উপত্যকার বন্য সমস্যার সমাধান হবে না। আমি এই বিভাগে খোঁজ নিয়ে জেনেছি যে আসাম সরকার এখন পর্যন্ত যে অনুদান দেওয়ার কথা তা দেন নি। আছাড়া কণ্টাক্টরদের পে-মেণ্ট বাবদ প্রায় ১.৬৪ কোটি এই বিভাগে লায়েবিলিটি রয়েছে। এই টাকার কিছু অংশ যদি তাদের অতি স্তবর দেবার ব্যবস্থা না করা হয় তাহলে তারা কোন নতুন কাজ করবে না। বিগত বন্যায় বরাক উপত্যকার য়ে সব নদীর পার ভেঙ্গেছে তা মেরামতির জন্যও বিশেষ ব্যবস্থা নেবার জন্য আমি মন্ত্রী মহোদয়কে অনুৰোধ জানাচ্ছি।

মহোদয়, ইণ্ডাস্ট্রী বিভাগ সম্মন্ধে বক্তব্য রাখতে গিয়ে আমি বলতে চাই যে বরাক উপত্যকা ইণ্ডাষ্টিলি ব্যাকওয়ার্ড এরিয়া। সরকারী পরিচালনাধীন শিল্প বলতে সুথু রয়েছে কাছার সুগার মিল। দু:খের বিষয় এই মিলটিও দীর্ঘদিন যাবৎ বন্ধ হয়ে রয়েছে। কিন্তু এ ব্যাপারে রাজ্যপাল মহোদয়ের ভাষনে কোন উল্লেখ নেই। এই মিলটি চালু করার জন্য ব্যৱস্থা নেওয়ার জন্য আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুৰোধ করহি। এছাড়া, সমস্ত বরাক উপত্যকা তথা করিমগঞ্জ জেলায় পাওয়ার সাপ্লাইর অৱস্থা খুবই খারাব সব সময় সেখানে লোড় শেডিং থাকে। আমার বিশ্বাস - বরাক উপত্যকার যদি একটি গ্যাস ভিত্তিক পাওয়ার প্ল্যাণ্ট করা হয় তাহলে এইসমস্যার অনেক সমাধান হয়ে যাবে। এর জন্য প্রয়োজনীয় গ্যাসেরও কোনে অভাব হবে না।

মহোদয়, ল্যাণ্ড রিফর্ম বিভাগ সম্মন্ধে আমার বক্তব্য হলো যে পূর্ব পাকিস্তান থেকে সব লোক শরনার্থী হয়ে আসামে এসেছে তাদের যে ভাবে পুনর্বাসিত করার কথা ছিল তা করা হয়নি। তাদের প্রয়োজনীয় জমি দিয়ে, আর্থিক সাহায্য দিয়ে পুর্নবাসিত করার জন্য আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি। তাছাউবা যাদরে আজ পর্যন্ত সিটিজেনশীপ সার্টিফিকেট দেওয়া হয়নি তাদের তা যেন অতি স্তবর দেওয়ার ব্যবস্থা করা হয়।

(সময় সংকেত)

- - - - রাজ্যপাল মহোদয় তার ভাষনে ৱুরাল ডেভেলপমেণ্টের কথা উল্লেখ করেছেন। কিন্তু গ্রামীন রাস্তাঘাটের ব্যপারে কোন উল্লেখ তিনি করেন নি। রুরাল ডেভেলপমেণ্টের স্কীম কার্য্যকরী করতে হ'লে সর্বপ্রথমে সেখানকার রাস্তা-ঘাটগুলির উন্নতি করা প্রয়োজন। যোগাযোগ ব্যৱস্থার উন্নতি ছাড়া গ্রাম্য উন্নয়ন সম্ভব নয়। সুতরাং

গ্রামাঞ্চলে বন্যার ফলে যে সব রাস্তা চলাচলের জন্য বন্ধ হয়ে আছে তা রোমতি করার জন্য ব্যৱস্থা নেওয়ার জন্য বিভাগীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

মহোদয়, করিমগঞ্জ শহর করিমগঞ্জ জিলার একমাত্র শহর। সামান্য বৃষ্টি হ'লে বা বন্যা হ'লে এই শহরের লোকজন চলাচল করতে পারে না। এই শহরের উন্নতির জন্য আমি বিভাগীয় মন্ত্রী মহোদয়কে করিমগঞ্জ শহৰ ডেভেলপমেণ্ট অথরিটি গঠণ করার জন্য অনুৰোধ করছি। এই ডেভেলপমেণ্ট অথরিটি হ'লে এর মাধ্যমে এই শহরের উন্নতি সম্ভব হবে বলে আমার ধারনা।

সর্বশেষে শিক্ষা বিভাগ সম্মন্ধে ২/১ টি কথা বলেই আমি আমার বক্তব্য শে, করবো। মহোদয়, করিমগঞ্জ জেলায় একটা আই টি আই স্থাপন করার জন্য যে প্রস্তাব আছে তা যেন অতি সত্বর চালু করার ব্যবস্থা করা হয় এবং এর জন্য প্রয়োজনীয় জমির ব্যবস্থা সরকার যেন অতি সত্বর করেন।

(সময় সংকেত)

- - - - বরাক ভেলিতে কেন্দ্রীয় বিশ্ববিদ্যালয় স্থাপন করার জন্য বহুদিন পূর্বে পার্লামেণ্টে বিল পাশ হয়েছে। কিন্তু আসাম সরকার এই বিশ্ববিদ্যালয় স্থাপন করার জন্য প্রয়োজনীয় জমি আজ পর্যন্ত বণ্টন করেন নি। সুতরাং আর দেরী না করে এই বিশ্ববিদ্যালয়ের কাজ কর্ম চালু করার জন্য অনুরোধ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

**Shri Holiram Terang** ঃ- Sir, You have reserved your ruling on the Adjournment Motion moved by us. Now, Sir, there are only seven minutes left for the House to be adjourned. If the motion isto be taken up today then the business of the House will have to be suspended.

**Mr. Speaker** ঃ- I have reserved my rulling. At any time I may give it. Now, Shri Dhanowar.

**শ্রী ৰামেশ্বৰ ধানোৱাৰ** :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ জনাই অধ্যাপক মুজিবুৰ ৰহমান ডাঙৰীয়াই অনা ধন্যবাদসূচক

প্ৰস্তাবৰ সমৰ্থনত দুআষাৰমান ক'ব বিচাৰিছো। চাৰ, ইতিমধ্যে আমাৰ বিৰোধী দলৰ ফালৰ পৰা কেইজনমান বক্তাই আইন শৃঙ্খলাৰ পৰিস্থিতি অৱনতি ঘটাৰ কথা উল্লেখ কৰিছে। আমিও এদিন বিৰোধী দলৰ আসনত বহিছিলো, এদিন সিফালে আছিলো। আজি পাচ বছৰ আগতে যি চৰকাৰ আছিল সেই চৰকাৰেই আইন শৃঙ্খলাৰ পৰিস্থিতি আজি এই অৱস্থাত ৰাখি গৈছে। আমাৰ মাননীয় সদস্য শ্ৰীহিৰণ্য বৰা ডাঙৰীয়াই কৈছে যে আইন শৃংখলাৰ পৰিস্থিতি অৱণতি ঘটিছিল। এই সকলোখিনিৰ কাৰণে পূৰ্ব্বৰ চৰকাৰ দায়ী। মই দুটা এটা সৰুসুৰা চাহ বাগিচাৰ ওৱেলফেয়াৰ ডিৰেক্টৰেট এটা আছে। তাৰ দ্বাৰা চাহ বাগিচাৰ জনজাতি সকলৰ কাৰণে কিছুমান সা-সুবিধা আগবঢ়োৱা হৈছিল। এইটো পূৰ্ব্বৰ কংগ্ৰেছ চৰকাৰে কৰিছিল। কিন্তু যোৱা গণপৰিষদ চৰকাৰে এনে এটা ব্যৱস্থা কৰিলে যে তাৰ তিনি চতুৰ্থাংশ টকা ও-বি-টি কৰপোৰেশ্বনলৈ গটাই দিলে। ইয়াৰ ফলত চাহ জনজাতিৰ মানুহ সুবিধাৰ পৰা বঞ্চিত হৈছে। এইটো তেখেতসকলৰ শাসন ব্যৱস্থাত হৈছিল। শাসনব্যৱস্থাৰ এটা নমুনাহে মাত্ৰ মই দাঙি ধৰিলো। ইয়াৰ ফলত চাহ জনজাতিৰ মাজত ভেদাভেদ হৈছে। ডিৰেক্টৰ নিযুক্তি হৈ গ'ল যদিও কাম নহয়। আজি কিন্তু আমাৰ চৰকাৰে সকলো দিশতে পদক্ষেপ লৈছে আৰু আলাপ আলোচনাৰ মাধ্যমত সকলো সমাধান কৰিবলৈ আগবাঢ়িছে। আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণ আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণতো এই কথাই স্পষ্ট হৈ পৰিছে। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৈছে যে আলাপ আলোচনাত বিশ্বাস কৰো আৰু আমাৰ আলোচনাৰ মাজেদিয়েই অসমৰ সমস্যা সমাধান কৰিব পৰা হ'ব। তাৰ কাৰণে লাগে সুস্থ বাতাবৰণ। যদি অসমত সুস্থিৰ বাতাবৰণ বিৰাজ নকৰে তেতিয়াহ'লে সমস্যাসমূহ সমাধান কৰা জটিল হ'ব। মই আশা কৰো আমাৰ এই সদনত সকলোৱে ভেদাভেদ এৰি নিজৰ দলীয় স্বাৰ্থ পৰিহাৰ কৰি সামগ্ৰিক ভাবে অসমৰ উন্নয়ণ কৰিবলৈ আগবাঢ়ি আহিব লাগে। তেতিয়া হ'লে এক সুস্থিৰ বাতাবৰণৰ সৃষ্টি হ'ব বুলি মই আশা কৰো। যদি এইটো কৰা নহয় তেতিয়াহ'লে সমস্যা সমূহ সমাধান কৰিব পৰা নহ'ব। ইয়াৰ লগতে আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছিল সেইটো ক্ষেত্ৰত কৈছো যে আমাৰ ইয়াৰ চাহ নিলাম কেন্দ্ৰ এটা কিন্তু পশ্চিম বঙ্গত দুটা। এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো - - -

(সময়ৰ সংকেত)

(কাইলৈ ৰাতিপুৱা ৯ বজালৈ সদন স্থগিত থাকে)

Mr. Speaker ঃ- It is now 1.30 p.m. Hon'ble member will continue tomorrow. Now the House stands adjourned till 9 a.m. tomorrow, the 1st August, 1991.

Adjournment

The House rose at 1.30 P.M. till 9 A.M. tomorrow, the 1st August, 1991.

Dispur

The 31st July, 1991

S.N.Deka

Secretary,

Assam Legislative Assembly